www.epaper.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❐ PRGI REGD. NO. (Title) : ASSASS01389

‘ জীৱনত আগুৱাই যাব বিচাৰিছা যদি বাস্তৱৰ সন্মুখীন হ’বলৈ শিকা।
— জুলিয়েট বেষ্টিয়েনা — ’

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন ‘অসম বাৰ্তা’ কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- ‘অসম বাৰ্তা’ গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ১৭১ ❐ শনিবাৰ ❐ ৯ আগষ্ট, ২০২৫ চন ❐ ২৩ শাওন, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 171 ❐ Saturday ❐ 9th August, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

অনলাইনযোগে দেহ ব্যৱসায় চলাই থকাৰ অভিযোগ

## মহানগৰীৰ বৰা চাৰ্ভিছত দেহ ব্যৱসায় চক্ৰ উৎখাত





**ষ্টাফ ৰিপ’ৰ্টাৰ, গুৱাহাটী, ৮ আগষ্ট ঃ** মহানগৰীত পুনৰ আৰক্ষীৰ অভিযানত ফাদিল হৈছে মহানগৰীৰ ভিন্ন স্থানত এচাম অসাধু লোকে চলাই থকা অসামাজিক কাৰ্যকলাপৰ বহু চাঞ্চল্যকৰ দৃশ্য। শেহতীয়াকৈ মহানগৰীৰ জয়া নগৰ অঞ্চলত অসম আৰক্ষীৰ জালত পৰিছিল এক দেহ ব্যৱসায়ী চক্ৰ। এই ঘটনাৰ চৰ্চা অন্ত নপৰোঁতেই এইবাৰ আৰক্ষীৰ অভিযানত বৰা চাৰ্ভিছত চলি থকা দেহ ▸▸৫ পৃষ্ঠাত

## ৰাহুল গান্ধীৰ বাসগৃহত বিৰোধীৰ ঐক্যবদ্ধ সংকল্প

দেশজুৰি নিৰ্বাচনী জালিয়াতিৰ বিৰুদ্ধে কঠোৰ প্ৰতিবাদ হুংকাৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ আগষ্ট ঃ** বিহাৰত বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভোটাৰ তালিকাৰ নিৰীক্ষণৰ বাবে চলি থকা বিশেষ অভিযানৰ মাজতে কংগ্ৰেছৰ সাংসদ তথা বিৰোধী দলপতি ▸▸৫ পৃষ্ঠাত

অসম দেশৰ অন্যতম অগ্ৰণী ৰাজ্য হিচাপে আগবাঢ়িব ঃ মুখ্যমন্ত্ৰী

## অসমৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ৪,০০০ কোটি টকা

ৰাজ্যৰ সামগ্ৰিক আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে ৩,০০০ কোটি টকাৰ পুঁজি বিনিয়োগৰ অনুমোদন



**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ আগষ্ট ঃ** নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে অসমৰ সৰ্বাংগীণ উন্নয়নৰ বাবে এক যুগান্তকাৰী সিদ্ধান্ত গ্ৰহণ কৰিছে। কেন্দ্ৰীয় কেবিনেটৰ এক গুৰুত্বপূৰ্ণ বৈঠকত অসম আৰু ত্ৰিপুৰাৰ উন্নয়নৰ বাবে বিশেষ উন্নয়ন পুঁজি (Special Development Package) হিচাপে মুঠ ৪,২৫০ কোটি টকাৰ অনুমোদন দিয়া হৈছে। এই পুঁজিৰ ভিতৰত অসমৰ বাবে নিৰ্দিষ্টভাৱে ৪,০০০ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে। এই ঘোষণাৰ ▸▸৫ পৃষ্ঠাত

ৰঙানদী আৰু কামেং জলবিদ্যুৎ প্ৰকল্পকো বিপদজনক হিচাপে চিহ্নিত

# NHPC বিপজ্জনক বুলি স্বীকাৰ কেন্দ্ৰীয় শক্তিমন্ত্ৰীৰ

■ সদনত কেন্দ্ৰীয় বিদ্যুৎ প্ৰাধিকৰণৰ উদ্ধৃতিৰে এই কথা সদৰি মন্ত্ৰী শ্ৰী পাদ নায়কৰ

■ প্ৰকল্পত EARLY WARNING SYSTEM উপলব্ধ কৰিবলৈ নিৰ্দেশ শক্তি বিভাগৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ আগষ্ট ঃ** ভাৰতৰ শক্তি মন্ত্ৰণালয়ে আজি লোকসভাত এক লিখিত প্ৰশ্নৰ উত্তৰত জনাইছে যে হিমালয়ৰ উচ্চভূমিত ১৫০০ মিটাৰৰ ওপৰত অৱস্থিত জলবিদ্যুৎ প্ৰকল্পসমূহক “বিপদজনক” হিচাপে চিহ্নিত কৰা হৈছে। এই তালিকাত অসমৰ নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ নামো অন্তৰ্ভুক্ত হৈছে। কেন্দ্ৰীয় শক্তি ৰাজ্য মন্ত্ৰী শ্ৰীপদ নায়কে সাংসদ আজাদ কীৰ্তি ঝাৰ প্ৰশ্নৰ উত্তৰত এই তথ্য প্ৰকাশ কৰিছে। তেওঁ জনোৱা মতে, ▸▸৫ পৃষ্ঠাত

তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যিক মন্ত্ৰী এল মুৰুগানৰ ৰাজ্যসভাত তথ্য

## ‘মন কি বাত’ৰ জৰিয়তে ৩৪.১৩ কোটি টকাৰ উপাৰ্জন




**অসম বাৰ্তা, গুৱাহাটী, ৮ আগষ্টঃ** শুকুৰবাৰে ৰাজ্যসভাত লিখিত প্ৰশ্নৰ উত্তৰত মোদী চৰকাৰে জানিবলৈ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাহেকীয়া ৰেডিঅ’ ▸▸৫ পৃষ্ঠাত

আয়কৰ বিধেয়ক ২০২৫ প্ৰত্যাহাৰ

## সোমবাৰে সংসদত উত্থাপন কৰা হ’ব আয়কৰ বিধেয়কৰ নতুন সংস্কৰণ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ আগষ্টঃ** বৰ্তমানৰ আয়কৰ আইন ১৯৬১ৰ ঠাইত ১৩ ফেব্ৰুৱাৰীত লোকসভাত উত্থাপন কৰা আয়কৰ বিধেয়ক ২০২৫ আনুষ্ঠানিকভাৱে প্ৰত্যাহাৰ কৰা হৈছে। ▸▸৫ পৃষ্ঠাত

বিটিআৰত এইবাৰ বিজেপিৰ চৰকাৰ নিশ্চিত

## বন্দুক দেখুৱাই ভোট লোৱাৰ দিন আৰু নাই ঃ ডঃ হিমন্ত বিশ্ব শৰ্মা

অস্ত্ৰৰ ঝনঝননিত ভোট নহয় নমস্কাৰ লৈ ভোট বিচাৰিব লাগিব



**ষ্টাফ ৰিপ’ৰ্টাৰ, টংলা, ৮ আগষ্ট ঃ** ওদালগুৰি জিলাৰ খৈৰাবাৰী, ভেৰগাওঁ আৰু নৈ চেৰফাং পৰিষদী সমষ্টিত আজি পুৱাৰে পৰা তিনিখনকৈ ভাৰতীয় জনতা পাৰ্টিৰ বিশাল কৰ্মকৰ্তাৰ বিজয় ▸▸৫ পৃষ্ঠাত



অসমীয়া যুৱ মঞ্চৰ নৱনিযুক্ত মুখ্য সাংগঠনিক সম্পাদক বৈকুণ্ঠ প্ৰিন্স পাঠকৰ অভিযোগ

## লাভ জেহাদৰ নেতৃত্ব দিছে অখিল গগৈয়ে

**অসম বাৰ্তা, আমগুৰি, ৮ আগষ্ট ঃ** শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে লাভ জেহাদৰ নেতৃত্ব দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অসমীয়া যুৱ মঞ্চৰ নৱনিযুক্ত মুখ্য সাংগঠনিক সম্পাদক বৈকুণ্ঠ ▸▸৫ পৃষ্ঠাত

## শৃংখল চলিহাক এমাহৰ বাবে বিশ্ৰাম বীৰ লাচিত সেনাৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ আগষ্ট ঃ** বীৰ লাচিত সেনাৰ কেন্দ্ৰীয় প্ৰশাসনিক সচিব শৃংখল চলিহাকক এমাহৰ বাবে সংগঠনৰ সকলো কাৰ্যকৰ্মৰ পৰা আঁতৰাই ৰখাৰ নিৰ্দেশ জাৰি কৰিছে সংগঠনটোৰ মুখ্য সচিব ৰণ্টু পানীফুকনে। এই সিদ্ধান্তৰ কথা তেওঁ এক নিৰ্দেশনাৰ জৰিয়তে প্ৰকাশ কৰিছে। শেহতীয়াকৈ উজনি অসমত ▸▸৫ পৃষ্ঠাত




বীৰ লাচিত সেনা, অসম
VEER LACHIT SENA, ASSAM
Central Committee
নিৰ্দেশনা পত্ৰ

শৃংখল চলিহা মুখ্যমন্ত্ৰীৰ এজেণ্ট ঃ মুখ্যমন্ত্ৰী

## পঢ়া-শুনা নকৰা, বিষয়বস্তুৰ জ্ঞান নথকা, উটি-ভাঁহি ফুৰা ল’ৰা শৃংখল

**অসম বাৰ্তা, কাজিৰঙা, ৮ আগষ্ট ঃ** ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে শৃংখল চলিহা আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰিছে। কাজিৰঙাত অনুষ্ঠিত এক সংবাদ মেলত গগৈয়ে শৃংখল চলিহাক “পঢ়া-শুনা নকৰা, বিষয়বস্তুৰ জ্ঞান নথকা, উটি-ভাহি ▸▸৫ পৃষ্ঠাত

## মই নিজেই বিচাৰিছিলোঁ, কেন্দ্ৰীয় নেতৃত্বই মোক বিশ্ৰাম দিয়া নাই ঃ শৃংখল চলিহা



**ষ্টাফ ৰিপ’ৰ্টাৰ, অসম বাৰ্তা, ৮ আগষ্ট ঃ** বীৰ লাচিত সেনাৰ কেন্দ্ৰীয় প্ৰশাসনিক সচিব শৃংখল চলিহাই স্পষ্ট কৰি দিছে যে তেওঁ নিজেই সংগঠনৰ পৰা সাময়িক বিশ্ৰাম গ্ৰহণ কৰিছে। তেওঁ জনায়, “মই নিজেই এই বিশ্ৰাম লৈছোঁ। আজি মই মুখ্য ▸▸৫ পৃষ্ঠাত



৪৫.৩১ কোটি টকাৰ ব্যয়

### মঙ্গলদৈ-মাঝিকুছি পথ নিৰ্মাণত কেন্দ্ৰৰ অনুমোদন

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ আগষ্ট ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ পথ আন্তঃগাঁথনি উন্নীত কৰাৰ প্ৰয়াস হিচাপে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন মন্ত্ৰালয়ে (Ministry ▸▸৫ পৃষ্ঠাত

উচ্চতম ন্যায়ালয়ত কেন্দ্ৰৰ স্পষ্টীকৰণ

### যৌন সন্মতিৰ বয়স ১৮ বছৰৰ তললৈ অনাটো বিপদজনক

**ষ্টাফ ৰিপ’ৰ্টাৰ, অসম বাৰ্তা, ৮ আগষ্ট ঃ** কেন্দ্ৰীয় চৰকাৰে নাবালকৰ সুৰক্ষাৰ বিষয়ত কঠোৰ অৱস্থান গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ত দাখিল কৰা শপতনামাত স্পষ্ট ▸▸৫ পৃষ্ঠাত



অসম প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ মনোৰঞ্জন বৰগোহাঁইৰ সংবাদমেল

# নামফাই-তিংকু পানী সংৰক্ষিত বনাঞ্চলত বসবাস কৰা লোকসকলে তেওঁৰ বিৰুদ্ধে অনা অভিযোগৰ প্ৰতিক্ৰিয়া

**অসম বাৰ্তা, জাগুন, ৮ আগষ্ট ঃ** অসম প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ মনোৰঞ্জন বৰগোহাঁইয়ে কিছুদিন পূৰ্বে এটা ব্যক্তিগত টিভি চেনেলৰ টক' শ্বত কৰা বক্তব্যৰ বিৰোধিতাৰে ২৮ জুলাইত জাগুনৰ মাজমজিয়াত জনজাতীয় কেইবাটাও দল সংগঠনে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ বিপৰীতে আজি কংগ্ৰেছ মুখপাত্ৰ গৰাকীয়ে এক সংবাদ মেল সম্বোধন কৰে। উল্লেখ্য যে মনোৰঞ্জন বৰগোহাঁইয়ে উক্ত টক' শ্বত মাৰ্ঘেৰিটা সমষ্টিৰ অন্তৰ্গত জাগুনৰ নামফাই আৰু টিংকু পানী সংৰক্ষিত বনাঞ্চলৰ ভূমিত বসবাস কৰি অহা জনজাতীয় লোকসকলক সন্দেহ জনক নাগৰিক বুলি অভিহিত কৰাৰ অভিযোগ উত্থাপন কৰি এক বিশাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছিল সংগঠন কেইটাই। জাগুনৰ নামফাই আৰু টিংকুপানী সংৰক্ষিত বনাঞ্চলত অৰুণাচল প্ৰদেশৰ পৰা ওভতাই পঠিওৱা সন্দেহজনক লোক সকলে বনাঞ্চল দুখনত অবৈধ ভাৱে গছ-গছনি কাটি বসবাস কৰি আহিছে যদিও এই লোকসকলক উচ্ছেদৰ ক্ষেত্ৰত বৰ্তমানৰ অসম চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ নকৰিলে বুলি মন্তব্য আগবঢ়ায়। মুখপাত্ৰ জনৰ এই মন্তব্যৰ পাছতেই জাঙুৰ খাই উঠিছিল টিৰাপ ট্ৰাইবেল বেল্টৰ জনজাতীয় ৰাইজ তথা দল সংগঠন। পৰবৰ্তী সময়ত তথা ২৮ জুলাই তাৰিখে সাব্যস্ত কৰিছিল কংগ্ৰেছ নেতা জনৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী। উক্ত প্ৰতিবাদী কাৰ্যসূচীৰ বিপৰীতে আজি কংগ্ৰেছ মুখপাত্ৰ মনোৰঞ্জন বৰগোহাঁইয়ে তেওঁৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগৰ স্পষ্টিকৰণৰ উদ্দেশ্যে জাগুনৰ পাটকাই ইন'ত এক সংবাদমেল সম্বোধন কৰে। সংবাদ মেলত কংগ্ৰেছ মুখপাত্ৰ গৰাকীয়ে স্পষ্ট কৰে যে প্ৰকৃতাৰ্থত তেওঁ নিজৰ বক্তব্যত ব্যক্ত কৰিব বিচাৰিছিল যে অসমত বৰ্তমানৰ বিজেপি চৰকাৰৰ সময়তে অৰুণাচল প্ৰদেশৰ পৰা উভতি অহা বা অৰুণাচল প্ৰদেশৰ চৰকাৰে অসমলৈ ওভতাই পঠিওৱা নাগৰিক সকলে বৰ্তমান সময়ত জাগুন আঞ্চলিক বন বিষয়া কাৰ্য্যালয়ৰ অন্তৰ্গত নামফাই আৰু টিংকুপানী সংৰক্ষিত বনাঞ্চলত বসবাস কৰি আছে। যদিহে এইসকল ব্যক্তি স্বদেশী বা সন্দেহ জনক নাগৰিক নহয় তেন্তে তেওঁলোকৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰক আৰু যদি তেওঁলোক সন্দেহজনক নাগৰিক হ'য় তেন্তে এই লোকসকলক আইনি ব্যৱস্থাৰে উচ্ছেদ তথা বিতাৰণৰ ব্যৱস্থা গ্ৰহণ কৰক। যিহেতু ২০১৬ চনৰ পৰা অসমত বিজেপি চৰকাৰ শাসনত অহাৰ পৰা বৰ্তমানলৈ প্ৰায় ৮০ হাজাৰ হে”ৰ বনাঞ্চল ধ্বংস হৈছে। বৰ্তমান সময়ত চৰকাৰ খনে নামনি অসম তথা বিভিন্ন বনাঞ্চলত উচ্ছেদ অভিযান চলাই বনাঞ্চল সমূহ বেদখল মুক্ত কৰাৰ ব্যৱস্থা অব্যাহত ৰাখিছে, ঠিক তেনেদৰে জাগুনৰ সংৰক্ষিত বনাঞ্চল সংৰক্ষণৰ ক্ষেত্ৰটো চৰকাৰ খনৰ কৰণীয় নাই নেকি বুলি চৰকাৰী পক্ষৰ মুখপাত্ৰ জনক প্ৰশ্ন কৰা হৈছিল বুলি সংবাদ মেলৰ জৰিয়তে প্ৰকাশ কৰে। অন্যহাতে কংগ্ৰেছ মুখপাত্ৰ মনোৰঞ্জন বৰগোহাঁইয়ে জানিবলৈ দিয়ে যে তেওঁ টক শ্বৰ মজিয়াত এনে কোনো ধৰণৰ বক্তব্য আগবঢ়োৱা নাই যে যি বক্তব্যই জনজাতি লোকসকলৰ আবেগ অনুভূতিত আঘাত সানিব। মই টক'শ্বত ৰখা বক্তব্যৰ মাত্ৰ ক্ৰীয়াদংশ বৰ্তমান সামাজিক মাধ্যমত প্ৰচাৰ কৰি মোৰ বিৰুদ্ধে এক গভীৰ খড়যন্ত্ৰ ৰচনা কৰা হৈছে বুলি নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে মুখপাত্ৰ মনোৰঞ্জন বৰগোহাঁইয়ে।

# পলাশবাৰী ৰামপুৰত কংগ্ৰেছৰ কৰ্মীসভা

**অসম বাৰ্তা, মিৰ্জা, ৮ আগষ্ট ঃ** কামৰূপ জিলা কংগ্ৰেছ কমিটিৰ উদ্যোগত ৰামপুৰ ব্লক, ৰাণী ব্লক মা চণ্ডিকা ব্লক আৰু পলাশবাৰী টাউন ব্লকৰ সহযোগত কালি পলাশবাৰীৰ ৰামপুৰস্থিত যজ্ঞ মন্দিৰত এখন কৰ্মী সভা অনুষ্ঠিত হয়। এই উপলক্ষে কামৰূপ জিলা কংগ্ৰেছ কমিটিৰ সভাপতি প্ৰাণজিৎ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত সৰ্বভাৰতীয় কংগ্ৰেছ কমিটীৰ তত্ত্বাৱধায়ক তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক মনোজ চৌহান উপস্থিত থাকি তৃণমূল পৰ্যায়ৰ কংগ্ৰেছৰ কৰ্মীসকলক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আগন্তুক সময়ত যুঁজ এখন হ'ব বুলি কয়। এই যুঁজত ২০২৬ চনৰ নিৰ্বাচনত ৰাজ্যিক সভাপতি গৌৰৱ গগৈৰ নেতৃত্বত আমি বিজেপি দলক পৰাজিত কৰিম। সেয়েহে আগন্তুক সময়ত নিষ্ঠা সহকাৰে কাম কৰি কংগ্ৰেছৰ দলটোক এটা নতুন গতিৰে লৈ যাবলৈ আহ্বান জনাই বিজেপি চৰকাৰক সমালোচনা কৰে। সভাত বকো সমষ্টিৰ বিধায়িকা নন্দিতা দাস, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক ৰামান্না বৰুৱা, ৰঞ্জন ডেকা, প্ৰাক্তন সভাপতি তথা ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য কংকন দাস, প্ৰাক্তন বিধায়ক গোপীনাথ দাস, দ্বীপেন পাঠক, জীয়াউৰ ৰহমান, কংগ্ৰেছ নেত্ৰী মুনমী দত্ত, প্ৰাক্তন উপ-সভাপতি নৃপেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াৰ লগতে বহুকেইজন ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ নেতাই উপস্থিত থাকি ভাষণ প্ৰদান কৰে। কামৰূপ জিলা কংগ্ৰেছৰ জিলা সভানেত্ৰী দিপালী তালুকদাৰে শলাগৰ শৰাই আগবঢ়োৱা সভাত মহানগৰ জিলাৰ সমিতিৰ সাধাৰণ সম্পাদক শংকৰ কলিতা, কামৰূপ জিলা কংগ্ৰেছ কমিটিৰ উপ-সভাপতি অশোক দাস, কিশোৰ দাস, প্ৰণৱ কলিতাকে ধৰি বহু কেইজন কংগ্ৰেছ নেতা তথা দুই শতাধিক কংগ্ৰেছ কৰ্মীয়ে উপস্থিত থাকে। ইয়াৰে পিছত সৰ্বভাৰতীয় কংগ্ৰেছ কমিটীৰ তত্ত্বাৱধায়ক তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক মনোজ চৌহানে কামৰূপ জিলাৰ বিভিন্ন ব্লক, মণ্ডল সভাপতি সকলৰ লগত দলৰ সাংগঠনিক দিশত আলোচনাত মিলিত হয়। আনহাতে সভাৰ আৰম্ভণিৰ পূৰ্বে এক অপ্ৰীতিকৰ ঘটনা সংঘটিত হয়। বিগত ২০২১ চনৰ বিধান সভা নিৰ্বাচনৰ দলীয় টিকটৰ পৰা বঞ্চিত মুনমী দত্তই পিছত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈ দলৰ পৰা ছয় বছৰৰ বাবে নিলম্বন কৰা হৈছিল। কিন্তু পিছত তেওঁ আকৌ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদকৰ পদ লাভ কৰে। সম্প্ৰতি মহিলা নেত্ৰী দত্তই পলাশবাৰী সমষ্টিত আকৌ সক্ৰিয় ৰাজনীতি আৰম্ভ কৰিছে। কালি ৰামপুৰত অনুষ্ঠিত সভাৰ প্ৰৱেশ পথত মনোজ চৌহানৰ লগতে আন আন দলীয় নেতাৰ ফটোৰ সৈতে তেওঁ নিজৰ ফটো সংলগ্ন কৰি আৰি দিছিল। এই কাৰ্যত ক্ষুণ্ণ হৈ দলীয় নেতা প্ৰণৱ কলিতাই উক্ত কেইবাখনো ফটো ফালি পেলাই দলিয়াই দিয়ে। এই ঘটনাৰ ফলত দত্ত আৰু কলিতাৰ সমৰ্থকৰ মাজত তীব্ৰ বাকযুদ্ধৰ সৃষ্টি হয় যদিও কেইবাজনো নেতাৰ বুজনিৰ পিচত ঘটনাৰ অন্ত পৰে। ঘটনা সন্দৰ্ভত সাংবাদিকে সোধাত কামৰূপ জিলা কংগ্ৰেছ কমিটীৰ সভাপতি প্ৰাণজিৎ চৌধুৰীয়ে দলীয় অনুশাসন ভংগ কৰা যিকোনো ব্যক্তিৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি কয়।

# যোৰহাটত ঐতিহাসিক ভাৰত ত্যাগ আন্দোলনৰ সপ্তাহজোৰা কাৰ্যসূচী

**অসম বাৰ্তা যোৰহাট, ৮ আগষ্ট ঃ** যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলনে ঐতিহাসিক ভাৰত ত্যাগ দিৱস ৯ আগষ্টৰ পৰা সপ্তাহজোৰা কাৰ্যসূচীৰে পালনৰ আয়োজন কৰিছে। মুক্তি যুঁজাৰু ভৱনৰ প্ৰাংগনত প্ৰথম দিনা পুৱা পতাকা উত্তোলন, যোৰহাট জিলাৰ জীৱিত পাঁচজন মুক্তি যুঁজাৰুক সম্বৰ্ধনা জনোৱা হ'ব। প্ৰথম দিনা ১০৬বছৰীয়া বৰ্ষীয়ান মুক্তিযোদ্ধা, সন্মিলনৰ সভাপতি, শতায়ু সৌৰভ খগেশ্বৰ গগৈক সম্বৰ্ধনা জনোৱাৰ পাছত ১০ আগষ্টৰ পৰা ক্ৰমে সন্মিলনৰ ৰাজ্যিক উপ-সভাপতি হাঁহচৰাৰ চন্দ্ৰধৰ চেতিয়া, টীয়ক ৰজাবাৰীৰ দূৰ্গেশ্বৰ কলিতা, জগদুৱাৰ কাকতি গাঁৱৰ ললিত বৰদলৈ আৰু চাৰিগাঁৱৰ বিজয় চন্দ্ৰ বৰুৱাক সন্মিলনৰ প্ৰতিনিধি দলে বাসগৃহত সম্বৰ্ধনা জনাব। ৯ আগষ্টৰ পুৱা ১০-৩০ বজাৰ পৰা সন্মিলনৰ আজীৱন সদস্য লীলাৰাম দলৈৰ সোঁৱৰণত স্বাধীনতা সংগ্ৰাম বিষয়ৰ কুইজ প্ৰতিযোগিতা মুক্তি যুঁজাৰু ভৱনত অনুষ্ঠিত হ'ব। ১২-৩০ বজাৰ পৰা মুকলি সভা তথা বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব। ১৫ আগষ্টলৈকে মুক্তিযোদ্ধা ভৱনত সন্ধ্যা বন্তি প্ৰজ্বলনৰ লগতে আলোক সজ্জিত কৰিব। বৰ্তমান প্ৰজন্মৰ মাজত দেশপ্ৰেমৰ ভাব জাগ্ৰত কৰাৰ উদ্দেশ্যে জনসচেতনতা কাৰ্যসূচীৰ মাধ্যমেৰে সপ্তাহটোত স্বাধীনতা সংগ্ৰামীসকলক সোঁৱৰণ কৰা হ'ব। ১৫ আগষ্ট স্বাধীনতা দিৱসৰ দিনটোত ভৱনৰ প্ৰেক্ষাগৃহত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা দেশ প্ৰেমমূলক সাংস্কৃতিক কাৰ্যসূচী প্ৰদৰ্শন হ'ব। যোৰহাট জিলাৰ মুক্তি যুঁজাৰু পৰিয়ালৰ লগতে ৰাইজৰ সহযোগিতা সন্মিলনৰ সম্পাদক ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে কামনা কৰিছে।

দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ নতুন সমিতিৰ কাৰ্যভাৰ গ্ৰহণ

# বৰক্ষেত্ৰীৰ দৌলাশালত নতুন পঞ্চায়ত কাৰ্যালয়ৰ গৃহ মুকলি

## মহাত্মা গান্ধীৰ সপোনৰ ৰামৰাজ্যৰ বাস্তৱ ৰূপৰেখা গাঁও পঞ্চায়ত ঃ গৰ্গনাৰায়ন বৰ্মন

**অসম বাৰ্তা দৌলাশাল, ৮ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত নৱগঠিত ৫৭নং দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ নতুন কাৰ্যালয়ৰ গৃহ আজি মুকলি কৰা হয়। গাঁও পঞ্চায়তখনৰ অন্তৰ্গত দৌলাশাল গাঁৱত সদ্যহতে অস্থায়ীভাৱে আজি গাঁও পঞ্চায়তৰ কাৰ্যালয় গৃহ এটা মুকলি কৰা হয়। দৌলাশাল উন্নতি সাধিনীৰ সভাই কানাই-ব'লাই নামঘৰ চৌহদত নতুনকৈ নিৰ্মাণ কৰি উলিওৱা অতিথি গৃহত অস্থায়ীভাৱে পঞ্চায়তৰ কাৰ্যালয় গৃহটো স্থাপন কৰা হয়। আজি পুৱা মাংগলিক কাৰ্যসূচীৰে গৃহটি মুকলি কৰা হয়। কাৰ্যালয় মুকলি কৰাৰ পূৰ্বে দৌলাশাল গাঁৱৰ জ্যেষ্ঠ ভকতসকলে সংকীৰ্তন পৰিৱেশন কৰে। পৰৱৰ্তী সময়ত মহিলাৰ উৰুলিৰ ধ্বনিৰে কাৰ্যালয়ৰ মুখ্য দ্বাৰৰ ৰঙা ফিতা কাটি মুকলি কৰে বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া প্ৰকাশ বৰ্মনে। ইয়াৰ পাছতেই কাৰ্যালয়টোত গাঁও পঞ্চায়তৰ নৱনিৰ্বাচিত সভানেত্ৰী নিশামণি মেধি, উপ সভানেত্ৰী নমিতা গোস্বামী, গাঁও পঞ্চায়তৰ সচিব মনোৰঞ্জন বায়নসহ গাঁও পঞ্চায়তৰ নৱনিৰ্বাচিত ৱাৰ্ড সদস্য আৰু গাঁও পঞ্চায়তৰ কৰ্মচাৰীসকলে কাৰ্যালয়ত প্ৰৱেশ কৰে। কাৰ্যালয় মুকলি আৰু নৱনিৰ্বাচিত সমিতিৰ কাৰ্যভাৰ গ্ৰহণৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰে উদ্বোধনী সভা। দৌলাশাল কানাই-ব'লাই নামঘৰৰ ৰাজহুৱা মঞ্চত অনুষ্ঠিত হয় উদ্বোধনী সভাখন। স্থানীয় বিজেপি নেতা ৰবেন বৈশ্যই আঁত ধৰা সভাখনৰ সভাপতিত্ব কৰে গাঁও পঞ্চায়তৰ নৱনিৰ্বাচিত সভানেত্ৰী নিশামণি মেধিয়ে। সভাখনত গাঁও পঞ্চায়তখনৰ অন্তৰ্গত হিদিলাট্টাৰী, ৰামপুৰ, গোৰাক্ষাট্টাৰী, বামুণবড়ি, দৌলাশাল আদি গাঁৱৰ জ্যেষ্ঠ ব্যক্তিসকলক আমন্ত্ৰণ কৰি আনি সম্বৰ্ধনা জনায় আৰু নৱনিৰ্বাচিত সমিতিখনে জ্যেষ্ঠসকলৰ ৰাজহুৱা আশীৰ্বাদ গ্ৰহণ কৰে। সভাখনত বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া প্ৰকাশ বৰ্মনে নতুনকৈ গঠিত গাঁও পঞ্চায়তখনে অসমৰ এখন উল্লেখযোগ্য গাঁও পঞ্চায়ত হিচাপে উজলি উঠিব বুলি আশা প্ৰকাশ কৰে। সভাত দৌলাশাল উন্নতি সাধিনী সভাৰ সভাপতি গৰ্গনাৰায়ন বৰ্মনে উপস্থিত থাকি ভাষণ প্ৰসংগত "মহাত্মা গান্ধীৰ সপোনৰ ৰামৰাজ্যৰ বাস্তৱ ৰূপৰেখা এই গাঁও পঞ্চায়তসমূহ" বুলি মন্তব্য কৰে। সভাত পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডল বিজেপিৰ সভাপতি ৰাজু ডেকা, পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ জিলা পৰিষদৰ সদস্যা চিমি বৰ্মনে ভাষণ প্ৰদান কৰে। গাঁও পঞ্চায়তৰ নৱনিৰ্বাচিত সভানেত্ৰী নিশামণি মেধিয়ে সভাপতিৰ ভাষণত অহা পাঁচ বছৰত ৫৭নং দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তখন অসমৰ ভিতৰতে এখন স্বচ্ছ আৰু দুৰ্নীতিমুক্ত পঞ্চায়ত হিচাপে গঢ়ি তোলাৰ সংকল্প গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। সভাত ৫৭নং দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য কামেশ্বৰ নাথকে প্ৰমুখ্য কৰি গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্যসকল আৰু ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে পঞ্চায়ত পুনঃনিৰ্ধাৰণৰ যোগেদি ৫৭নং দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তখন নতুনকৈ গঠন কৰা হয়। ইপিনে গাঁও পঞ্চায়তৰ স্থায়ী কাৰ্যালয়ৰ বাবে দৌলাশাল উন্নতি সাধিনী সভাই ভূমি দান কৰাত ইতিমধ্যেই চৰকাৰে পঞ্চায়ত গৃহৰ বাবে ২০ লাখ টকা আৱণ্টন দিছে। অহা এবছৰৰ ভিতৰত দৌলাশালত গাঁও পঞ্চায়তৰ স্থায়ী কাৰ্যালয়ৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিব বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিছে।

ডিজিটেল জগতৰ গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত সজাগতা

# বিটিচিৰ ইউপিপিএল দলৰ ই এম উইলছন হাছদাৰ উদ্যোগত শ্ৰীৰামপুৰ যুৱ অভিৱৰ্তন

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৮ আগষ্ট ঃ** যুৱ সমাজৰ মাজত ডিজিটেলৰ বিষয়ে আলোকপাত কৰাৰ লক্ষ্য লৈ চাওঁতাল সমাজৰ নয়নৰ মণি তথা বিটিচিৰ ইউপিপিএল দলৰ মনোনীত কাৰ্যবাহী সদস্য উইলছন হাছদাৰ ঐকান্তিক প্ৰচেষ্টা আৰু ইণ্ডিয়ান ৰাজ ফাউণ্ডেছনৰ সৌজন্যত হাৰাপুটাস্থিত ৰাজহুৱা প্ৰেক্ষাগৃহত প্ৰথম বাৰৰ বাবে শ্ৰীৰামপুৰ যুৱ অভিৱৰ্তন'২৫ অনুষ্ঠিত হয়। শ্ৰীৰামপুৰ সমষ্টিৰ ১৩টা ভিচিডিচিৰ পৰা শিক্ষিত যুৱক যুৱতী সকলক ডিজিটেল বিশেষজ্ঞ সকলে ডিজিটেল সন্দৰ্ভত পুংখানুপুংখ ৰূপে দিহা পৰামৰ্শ আগবঢ়ায়। ফাউণ্ডেছনৰ সঞ্চালক নাজিম আহমেদে সঞ্চালনা কৰা সজাগতা সভাত সমল ব্যক্তি হিচাপে আমন্ত্ৰিত তথা কনক্লেভৰ মুখ্য বক্তা ড° ছৈয়দ চুলতান কাজীয়ে ডিজিটেল জগতৰ গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত অভিৱৰ্তনত উপস্থিত যুৱক যুৱতী সকলক সহজ ভাষাত ব্যাখ্যা কৰি ডিজিটেলৰ ওপৰত জ্ঞান বৰ্ধন কৰে। উক্ত অনুষ্ঠানৰ মূল উদ্যোক্তা তথা বিটিচিৰ ই এম উইলছন হাছদাই শৈক্ষিক দিশত ৰূপায়ণ কৰা কামৰ বিস্তাৰিত বিৱৰণ দাঙি ধৰি প্ৰেৰণাদায়ক ভাষণ প্ৰদান কৰে। অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে পঢ়াশুনা নকৰা সকলৰ বাবে চৰকাৰৰ আঁচনিবোৰৰ পৰা সুবিধা ল'বলৈ হলে সকলোকে সজাগ সচেতন হৈ গাঁৱৰ নেতৃত্বস্থানীয় তথা সচেতন মহলৰ সৈতে যোগাযোগ ৰাখিবলৈ আহ্বান জনায়। ডিজিটেল প্ৰযুক্তিৰ জ্ঞান আহৰণৰ বাবে বিনামূলীয়া কম্পিউটাৰ শিক্ষাৰ ব্যৱস্থা কৰাৰ লগতে একাধিক বিষয়ত বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। নৱোদয়ৰ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ বাবে ইয়াৰ লৰা ছোৱালীক বিনামূলীয়া প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা কৰিছো। উচ্চ শিক্ষা গ্ৰহণৰ বাবে দৰিদ্ৰতা এতিয়া হেঙাৰ হৈ থকা নাই। চৰকাৰ তথা বিভিন্ন বেচৰকাৰী স্বেচ্ছাসেৱক সংস্থাই এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক বহু সহায় কৰে। এনে পৰিপেক্ষিতত অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ প্ৰতি মনোযোগ আৰু গুৰুত্ব দিবলৈ হাছদাই আহ্বান জনায়। উক্ত অভিৱৰ্তনত শ্ৰীৰামপুৰত প্ৰথম বাৰৰ বাবে আজি অনুষ্ঠিত হৈছে আৰু এয়া প্ৰতিবছৰেই অনুষ্ঠিত কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

# নামনি মাজুলীৰ বিৰিণাবাৰীৰ ধৰ্মপ্ৰাণা মহিলা ঘুনুচা বৰাৰ মৃত্যু

**অসম বাৰ্তা, উজনী মাজুলী, ৮ আগষ্ট ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ বিৰিণাবাৰী গাঁৱৰ সৰ্ববৰহী, ধৰ্মপ্ৰাণা মহিলা, ঘুনুচা বৰাৰ আজি মৃত্যু হয়। বিৰিণাবাৰীৰ প্ৰয়াত ৰবিৰাম বৰাৰ পত্নী ঘুনুচা বৰা বাৰ্ধক্যজনিত কাৰণত কিছুদিন ধৰি শৰ্যাশায়ী হৈ আছিল। আজি পুৱা তেওঁৰ স্বাস্থ্যৰ দ্ৰুত অৱনতি ঘটে আৰু ৯.৩০ বজাত মৃত্যুৰ কোলাত ঢলি পৰে। ঘুনুচা বৰা বিৰিণাবাৰী অঞ্চলৰ এগৰাকী অতি অমায়িক আৰু ধৰ্মপ্ৰাণা মহিলা আছিল। বিৰিণাবাৰী নামঘৰৰ তেওঁ নামতি আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯০ বছৰ। মৃত্যুৰ সময়ত তেওঁ তিনিজন পুত্ৰ, দুগৰাকী কন্যা, বোৱাৰী আৰু কেইবাজনো নাতি নাতিনী ইহসংসাৰত এৰি থৈ গৈছে। সৰ্ববৰহী, ধৰ্মপ্ৰাণা মহিলা ঘুনুচা বৰাৰ মৃত্যুত বিৰিণাবাৰী অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

# বঙাইগাঁৱৰ কাকৈজানা সংৰক্ষিত বনাঞ্চলত বিদ্যুৎস্পৃষ্ট হৈ দুষ্প্ৰাপ্য সোণালী বান্দৰ মৃত্যু

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ৮ আগষ্ট ঃ** বঙাইগাওঁ জিলাৰ কাকৈজানা সংৰক্ষিত বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা বিশ্বৰ দুষ্প্ৰাপ্য সোণালী বান্দৰ এটি কালি বিয়লি পুনৰাই বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হোৱাৰ পিছত ক্ষুব্ধ জনতাই সোণালী বান্দৰৰ সুৰক্ষা নিশ্চিত কৰাৰ দাবী তোলে। জানিব পৰা মতে জিলাখনৰ উত্তৰ শালমাৰাৰ নিকটবৰ্তী চোকাপাৰা কাতুৰিপাৰাত দুস্প্ৰাপ্য সোণালী বান্দৰ এটি আজি বিয়লি ৫ মান বজাত খাদ্যৰ সন্ধানত কাকৈজানা সংৰক্ষিত বনাঞ্চলৰ পৰা জনাঞ্চললৈ ওলাই আহিছিল। ইয়াৰ পিছতে কাতুৰিপাৰাত বিদ্যুৎ ট্ৰেন্সফৰ্মাৰ সংলগ্ন বিদ্যুত পৰিবাহী তাঁৰৰ সংস্পলৈ অহাত বিদ্যুৎস্পৃষ্ট হৈ থিতাতে মৃত্যু হয় বান্ধৰটোৰ। এনে অৱস্থাত অঞ্চলটোৰ ৰাইজ ক্ষুব্ধ হৈ পৰে। সোণালী বান্দৰৰ সুৰক্ষা সুনিশ্চিত কৰাৰ দাবী তোলে। পিছত অভয়াপুৰীৰ বনকৰ্মীয়ে বান্দৰৰ মৃতদেহটো উদ্ধাৰ কৰি আজি মৰনোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। উল্লেখ্য যে ৪ শতাধিক সোণালী বান্দৰৰ বাসভূমি কাকৈকানা সংৰক্ষিত বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত জমাঞ্চললৈ নামি আহে। এনে অৱস্থাত বহু সোণালী বান্দৰ বিদ্যুৎ পৰিবাহী তাঁৰৰ সংস্পৰ্শলৈ আহি বিদ্যুৎ স্পৃষ্ট হৈ বা তীব্ৰবেগী যান বাহনৰ খুন্দাত ইতিমধ্যে ৪০ টাতকৈও অধিক সোণালী বান্দৰে প্ৰাণ হেৰুৱালে। ইয়াৰ পৰিপ্ৰেক্ষিতত বিদ্যুৎ বিভাগৰ বিৰুদ্ধে সৰৱ হৈ আৱৰণযুক্ত বিদ্যুৎ পৰিবাহী তাঁৰৰ ব্যৱস্থা কৰিবলৈ বাৰম্বাৰ দাবী জনাই অহাৰ পিছতো গুৰুত্ব নিদিলে বিদ্যুৎ বিভাগে। ফলত এটাৰ পিছত এটাকৈ বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু মখত পৰিছে দুষ্প্ৰাপ্য সোণালী বান্দৰ। তেনেদৰে ৰাষ্ট্ৰীয় ঘাইপথত ডাম্পাৰৰ দৌৰাত্ম্য বৃদ্ধি পাইছে, টিপ মিলাবৰ বাবে ডাম্পাৰ সমূহে তীব্ৰ বেগত চলাচল কৰাৰ বিপৰীতে পৰিবহণ বিভাগে পৰ্যাপ্ত গতিৰোধক বা কৰিডৰ নিৰ্মাণৰ বিপৰীতে মাত্ৰ ফলকতে যান-বাহনৰ গতি নিয়ন্ত্ৰণৰ ব্যৱস্থা নকৰাৰ পৰিণতিতে বাহনৰ খুন্দাতো বহু সোণালী বান্দৰৰ মৃত্যু হোৱা পৰিলক্ষিত হৈছে সোণালী বান্দৰ উপাদেয় খাদ্য অমৰা, জবাফুল, বাঁহগছৰ আগ তথা গাঁজ, তেতেলি, কহেৰা, কাঞ্চন আদি গছ বনাঞ্চলত ৰোপণ কৰি খাদ্য ব্যৱস্থা সুৰক্ষিত কৰিবলৈ দাবী জনাইছে ৰাইজে। উল্লেখ্য যে জাৰ্মানী, অষ্ট্ৰেলিয়া, ইউৰোপ, আমেৰিকা, ইটালী আদি বিভিন্ন দেশৰ পৰা অহা প্ৰায় ৩০০ তকৈ অধিক পৰ্যটকে এই সোণালী বান্দৰ প্ৰত্যক্ষ কৰিবলৈ অহালৈ চাই সোণালী বান্দৰে পৰ্যটন ক্ষেত্ৰলৈ প্ৰচুৰ সম্ভাবনা কঢ়িয়াই আনিছে যদিও সোণালী বান্দৰৰ সুৰক্ষা দিয়াৰ কোনো ফলপ্ৰসূ ব্যৱস্থা নকৰাত ৰাইজৰ মাজত প্ৰতিক্ৰয়াৰ সৃষ্টি হৈছে।

# ৰূপহীহাটৰ লাওখোৱাত একে নিশাই তিনিটাকৈ বাসগৃহত ভয়ংকৰ চুৰিকাণ্ডৰ ঘটনা

**অসম বাৰ্তা, ৰূপহীহাট, ৮ আগষ্ট ঃ** ৰূপহীহাটৰ লাওখোৱাত যোৱা নিশা দক্ষিণ ভোমোৰাগুৰি আৰু মহবুৱ আলী নামৰ গাঁৱত তিনিটাকৈ বাসগৃহত চোৰৰ চাফাই অভিযান চলায়। উক্ত অঞ্চলত চুৰি কাৰ্য্যৰ ঘটনাই সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্য। নিশা দক্ষিণ ভোমোৰাগুৰিস্থিত সুখ ৰঞ্জন মণ্ডলৰ ঘৰত চোৰে খিৰিকীৰে প্ৰৱেশ কৰি সোণ ৰূপৰ আ-অলংকাৰৰ লগতে নগদ দুই লক্ষাধিক টকা লৈ উধাও হয় চোৰ। গৃহস্থই চুৰি হোৱাৰ উমান পাই ঘটনা সন্দৰ্ভত আমবাগান আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত কলিয়াবৰ সম জিলা আৰু আমবাগান আৰক্ষী উপস্থিত হৈ অনুসন্ধান আৰু উদ্ধাৰ কুকুৰৰ সহায়ত অভিযান অব্যাহত ৰাখিছে। উল্লেখ্য যে যোৱা দেওবাৰে ভোলানাথ মণ্ডলৰ ঘৰৰ পৰা প্ৰায় ২২ হেজাৰ ছশ টকা চুৰি হৈছিল। আনফালে একে নিশাই গৌৰাংগ মণ্ডলৰ ঘৰৰ গডৰেজৰ তলা ভাঙি সোণ ৰূপৰ গহনাৰ লগতে প্ৰায় ১৫, ০০০ নগদ ধন আৰু মোবাইল এটাও লুটি নিয়ে। ভোক্তভোগী সকলে আৰক্ষী প্ৰশাসনলৈ এটাই আহ্বান জনায় যে অতি শীঘ্ৰেই চোৰ কেইটাক কৰায়ত্ত কৰিব লাগে। ঘটনা সন্দৰ্ভত ভোক্তভোগী সকলে আমবাগান আৰক্ষী চকীত এজাহাৰ দাখিল কৰে।

# পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ কাৰ্যালয় 'সংবাদ ভৱন' জলমগ্ন

## হাবি-জংঘলত জলজ প্ৰাণীৰ অবাধ বিচৰণ, শিক্ষানুষ্ঠানলৈ যাতায়াত কৰাত শিক্ষাৰ্থীৰ সংকোচ

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৮ আগষ্ট ঃ** পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ কাৰ্যালয় 'সংবাদ ভৱন' প্ৰাংগণ জলমগ্ন হোৱাত জলজ প্ৰাণীৰ অবাধ বিচৰণ হৈছে। সংবাদ ভৱনৰ সমীপস্থিত ঢাপকটা প্ৰাথমিক বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰলৈ শিক্ষাৰ্থীসকল যাতায়াত কৰিবলৈ সংকোচ কৰা হৈছে। সন্মুখতে থকা ঢাপকটা তৰুণ সংঘত অনুষ্ঠিত কৰিব নোৱৰা হৈছে অনুষ্ঠান, সভা-সমিতি আদি। যোৰহাট লোকসভা-বিধানসভা সমষ্টিৰ, ৪৮নং উত্তৰ নামনি চৰাইবাহী গাঁও পঞ্চায়তৰ, চৰাইবাহী মৌজাৰ পকীমূৰি হাবিগাঁৱত প্ৰতিষ্ঠিত পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ কাৰ্যালয় সংবাদ ভৱন, অঙ্গনৱাড়ী কেন্দ্ৰ, ঢাপকটা প্ৰাথমিক বিদ্যালয়, ঢাপকটা তৰুণ সংঘ একে খণ্ড ভূমিতে দীৰ্ঘদিনৰেপৰা পৰিচালিত হৈ আছে। ৰাষ্ট্ৰীয় পথটো চাৰিলেন কৰাৰ বাবে কিছু ভূমি অধিগ্ৰহণ কৰিছিল তেতিয়াই পানী চলাচল কৰা নলাটো পুতি পেলোৱা হ'ল। তেতিয়াৰেপৰাই জলমগ্ন হ'বলৈ ধৰিলে সংবাদ ভৱনৰ লগতে কেউটা অনুষ্ঠান থকা ভূমি খণ্ড। তদুপৰি, পূব দিশত থকা দোকান, বজাৰ, হোটেল আৰু বাসিন্দাসকলৰ গৃহ, চৌহদৰ পানী বৈ আহে উক্ত ভূমি খণ্ডলৈকে। ৰাষ্ট্ৰীয় পথৰ কাষৰ নলাটো পশ্চিম দিশত থকা ৰবৈয়া জানটোলৈকে ৰাষ্ট্ৰীয় পথৰ কাযেৰে খন্দাই পানী বোৱাই দিয়াৰ ব্যৱস্থা কৰিবলৈ ৰাষ্ট্ৰীয় পথ নিৰ্মাণকাৰী সংস্থা, যোৰহাট জিলা প্ৰশাসন, ৰাজহ বিভাগৰ উপৰিও স্থানীয় সাংসদ, বিধায়ক, পঞ্চায়তৰ জনপ্ৰতিনিধিক ৰাষ্ট্ৰীয় পথটো নিৰ্মাণৰ আৰম্ভ কৰাৰে পৰা বিগত ১১ বছৰত বহুবাৰ আৱেদন দিয়া হ'ল যদিও গুৰুত্ব নিদিলে কোনো এটা পক্ষই। সমীপতে থকা হোটেলখনৰ পৰা অহৰহ বোৱাই থকা পানীয়ে দুৰ্গন্ধময় পৰিৱেশৰো সৃষ্টি কৰি আহিছে। এই ক্ষেত্ৰত পৰিৱেশ নিয়ন্ত্ৰণ বিভাগকো লিখিতভাৱে জনোৱা হৈছিল। পৰিদৰ্শন কৰিয়েই তেওঁলোকেও দায়িত্ব সামৰিলে। অনুষ্ঠানকেইটাৰ পশ্চিম দিশৰ ৰাষ্ট্ৰীয় পথৰ কাষৰ বাসিন্দাসকলে যাতায়াত কৰিবৰ বাবে ৰাষ্ট্ৰীয় পথৰ পৰা সন্মুখভাগ মাটি ভৰ্তি কৰি দিয়াৰ বাবেই উক্ত অনুষ্ঠানকেইটাৰ চৌহদত পানীখিনি আৱদ্ধ হৈ পৰাৰ লগতে দুৰ্গন্ধময় পৰিৱেশ আৰু জলজ প্ৰাণীৰ অবাধ বিচৰণ হৈছে। যোৰহাট জিলা প্ৰশাসনৰ লগতে সংশ্লিষ্ট বিভাগ আৰু কৰ্তৃপক্ষক কেউটা অনুষ্ঠানৰ প্ৰাংগণ পৰিদৰ্শন কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ ঢাপকটা তৰুণ সংঘ, ঢপকটা প্ৰাথমিক বিদ্যালয়, পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ লগতে ৰাইজেও বহুবাৰ আৱেদন জনাইছিল। তাংক্ষণিকভাৱে এই ব্যৱস্থা এতিয়াই ৰূপায়ণ নকৰিলে পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ কাৰ্যালয় সংবাদ ভৱন, ঢাপকটা তৰুণ সংঘত সভা-সমিতি অনুষ্ঠিত কৰিব পৰা নাযাব আৰু অঙ্গনৱাড়ী কেন্দ্ৰ, ঢাপকটা প্ৰাথমিক বিদ্যালয়লৈও শিক্ষাৰ্থীসকলে যাতায়াত কৰিব নোৱাৰাৰ বাবে বিদ্যালয় দুখনো বন্ধ কৰি দিবলগীয়া পৰিৱেশৰ সৃষ্টি হ'ব।



## সম্পাদকীয়

# ব'ল ব'মৰ নামত হিংসা

গুৱাহাটী মহানগৰীৰ বশিষ্ঠ মন্দিৰত অনুষ্ঠিত ব'ল ব'ম উৎসৱৰ নামত এটা নিৰীহ কিশোৰৰ নৃশংস হত্যাই সমগ্ৰ সমাজক শোকত আৰু চিন্তাত মগ্ন কৰিছে। মাত্ৰ ১৬ বছৰ বয়সৰ বিপ্লৱ পাল নামৰ এই কিশোৰটোক স্বেচ্ছাসেৱক বুলি কোৱা এটা দলে নিৰ্মমভাৱে প্ৰহাৰ কৰি হত্যা কৰাৰ পিছত তাৰ প্ৰেমিকাগৰাকীয়েও জীৱনৰ প্ৰতি বিৰক্তি বোধ কৰি আত্মহত্যাৰ পথ বাছি লৈছে। এই ঘটনাই কেৱল দুটা তৰুণ জীৱনৰ অকাল অন্তহে নহয়, আমাৰ সমাজৰ নীচতা, নিৰ্দয়তা আৰু আইন-শৃংখলাৰ দুৰ্বলতাকো প্ৰকট কৰি তুলিছে। ঘটনাটোৰ বিৱৰণ হৃদয়বিদাৰক। স্বাস্থ্যজনিত অসুবিধাৰ বাবে জেকেট পিন্ধি থকা বিপ্লৱক স্বেচ্ছাসেৱকসকলে উলংগ কৰি পৰীক্ষা কৰিবলৈ বিচাৰে। আপত্তি কৰাত দলবদ্ধভাৱে আক্ৰমণ কৰি তাক এনে প্ৰহাৰ কৰে আৰু পৰৱৰ্তী সময়ত হাস্পতালত মৃত্যু হয়। ইয়াৰ পিছতো স্বেচ্ছাসেৱকসকলৰ বিৰুদ্ধে কোনো তাৎক্ষণিক কঠোৰ ব্যৱস্থা হোৱা নাই। প্ৰশ্ন উঠিছে—ধৰ্মীয় উৎসৱৰ নামত এইদৰে আইন নিজৰ হাতলৈ নিয়াৰ অধিকাৰ কোনে দিলে? এই স্বেচ্ছাসেৱকসকলক কোনো প্ৰশিক্ষণ দিয়া হৈছিল নে উন্মুক্তভাৱে মানুহৰ ওপৰত অত্যাচাৰ কৰাৰ স্বাধীনতা দিয়া হৈছিল?

আনহাতে, এই ঘটনাই প্ৰমাণ কৰিছে যে আমাৰ আইন-শৃংখলা ব্যৱস্থা কিমান দুৰ্বল। বশিষ্ঠৰ দৰে ঠাইত য'ত প্ৰতি বছৰে ডাঙৰ ধৰণৰ উৎসৱ অনুষ্ঠিত হয়, তাত আৰক্ষী আৰু প্ৰশাসনীয় সজাগতা কিমান? স্বেচ্ছাসেৱক নামৰ কিছু ব্যক্তিয়ে নিৰীহ নাগৰিকৰ ওপৰত অত্যাচাৰ কৰাৰ সাহস ক'ৰ পৰা পায়? যদি সময়মতে কঠোৰ ব্যৱস্থা লোৱা হ'লহেঁতেন, তেন্তে হয়তো বিপ্লৱৰ মৃত্যু আৰু তাৰ প্ৰেমিকাৰ আত্মহত্যা ৰোধ কৰিব পৰা হ'লহেঁতেন।

এই ঘটনাই আমাক এবাৰলৈ পুনৰ ভাবিবলৈ বাধ্য কৰিছে—আমি কি ধৰ্ম আৰু সংস্কৃতিৰ নামত হিংসাক প্ৰশ্ৰয় দি মানৱতাক হত্যা কৰিবলৈ সাজু হৈছোঁ? ব'ল ব'মৰ দৰে উৎসৱ হ'ব লাগে আনন্দ আৰু সম্প্ৰীতিৰ, নৃশংসতা আৰু ৰক্তপাতৰ নহয়। বশিষ্ঠ মন্দিৰ পৰিচালনা সমিতিয়ে এই ঘটনাৰ তদন্ত কৰি দোষীসকলক কঠোৰ শাস্তি দিয়াটো নিশ্চিত কৰিব লাগে। লগতে, ভৱিষ্যতে যাতে এনে ঘটনা নঘটে তাৰ বাবে উৎসৱস্থলীত কঠোৰ প্ৰহৰা আৰু নিয়ন্ত্ৰণ ৰাখিব লাগে।

বিপ্লৱ আৰু তাৰ প্ৰেমিকাৰ মৃত্যুৱে আমাৰ বিবেকক জগাই দিয়ক। ধৰ্ম, উৎসৱ, সংস্কৃতিৰ নামত যেন কোনো নিষ্পাপ জীৱন বলি নিদিওঁ। চৰকাৰ, প্ৰশাসন, সমাজ—সকলোৱে এই ঘটনাৰ পৰা শিক্ষা লৈ মানৱতাৰ জয়গান গাও আহক। নহ'লে এই মৃত্যুৱে আমাৰ নিৰ্বাকতাৰ ওপৰত চিৰদিনলৈ কলংকৰ দাগ হৈ থাকিব।

> নিজৰ ব্যক্তিগত দিশবোৰ চিন্তা নকৰি নিজৰ পৰিয়ালৰ কাম বোৰো আওকাণ কৰি ছাত্ৰ ছাত্ৰী আৰু সমাজ খনৰ উন্নতিৰ এনেবোৰ কাম কৰি কৰি আচলতে প্ৰাথমিক শিক্ষক সকলৰ মাজত প্ৰায় বহুতেই বা সকলোৱেই কম বেছি পৰিমাণে মানসিক ভাবে যথেষ্ট চাপৰ সন্মুখীন হৈছে কিন্তু এওঁলোকৰ এই মানসিক চাপ সমূহ কমাবলৈ বা কেনেদৰে এই মানসিক চাপ সমূহ নিয়ন্ত্ৰণ কৰিব পাৰি তাৰ বাবে কোনো মানসিক চাপ নিৰাময়ৰ ব্যৱস্থাপনা বা প্ৰশিক্ষণ এই প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বা সহকাৰী শিক্ষক ৰ বিভাগৰ ফালৰ পৰা অনুষ্ঠিত কৰা পৰিলক্ষিত নহয়।

# বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ

মেহদী আল কাওছাৰ

বিজ্ঞান, প্ৰযুক্তিবিদ্যা, অভিযান্ত্ৰিক আৰু গণিত শিক্ষাক একেলগে Science, Technology, Engineering and Mathematics চমুকৈ STEM শিক্ষা বুলি কোৱা হয়। STEM শিক্ষাৰ এই শাখাবোৰক কেন্দ্ৰ কৰি গঢ়ি উঠা পাঠ্যক্ৰমে বিশ্বব্যাপী সমস্যাবোৰৰ সমাধানৰ বাবে জনপ্ৰিয়তা বৃদ্ধি কৰিছে। এই শিক্ষণ পদ্ধতি কেৱল তাত্ত্বিক বিষয়ৰ অধ্যয়নত সীমাবদ্ধ নহয়। দৰাচলতে, ই শিশু এটাৰ বাস্তৱ-পৃথিৱীৰ প্ৰেক্ষাপটত কৌশলৰ প্ৰয়োগৰ বিষয়ে এই বিষয়বোৰৰ অধীনত শিকোৱা হয়। STEM শিক্ষাৰ উপাদানবোৰ হৈছে সমস্যা সমাধান, জীৱন দক্ষতা, প্ৰযুক্তি, আৰু গভীৰ শিক্ষা। ই তেওঁলোকক এক বিশ্বব্যাপী সজাগতা বিকশিত কৰাত সহায় কৰে যিটো আজিৰ আন্তঃসংযোগযুক্ত পৃথিৱীত অপৰিহাৰ্য। STEM শিক্ষাই কেৰিয়াৰ গঢ়াৰ বিভিন্ন সুযোগ প্ৰদান কৰে। STEM দক্ষতাৰ সৈতে, শিক্ষাৰ্থীসকলে প্ৰযুক্তি, অভিযান্ত্ৰিক আৰু স্বাস্থ্যসেৱাকে ধৰি বিভিন্ন উদ্যোগত চাকৰিৰ সন্ধান পাব পাৰে। বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যিদৰে বিকাশ হৈছে ২০৩০ চনলৈ ৮৫ শতাংশৰো অধিক চাকৰি STEM শিক্ষাৰ সৈতে জড়িত যুৱ প্ৰজন্মই বিশেষভাৱে নিজকে আত্মনিয়োগ কৰিব পাৰিব। গতিকে আমাৰ উঠি অহা প্ৰজন্মক অত্যন্ত সক্ষম আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ STEM ৱৰ্কফৰ্চৰ বাবে প্ৰস্তুত হোৱাত সহায় কৰিবলৈ সকলো STEM শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ প্ৰয়োজন। আমাৰ শিক্ষাৰ্থীসকলে সৃষ্টিশীল চিন্তাধাৰা বিকশিত কৰি STEM বিষয়ত আগ্ৰহ বিকশিত কৰিব পাৰি যদিহে আমি তেওঁলোকক STEM বিষয়বোৰৰ শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰিব পৰা যায়।


ভাৰতবৰ্ষ তথা অসমত STEM শিক্ষাৰ প্ৰত্যাহ্বানসমূহঃ

আন্তঃগাঁথনিৰ অভাৱঃ ভাৰতবৰ্ষই সন্মুখীন হোৱা আন এটা প্ৰত্যাহ্বান হ'ল আন্তঃগাঁথনিৰ অভাৱ। উচ্চ মানদণ্ডৰ STEM শিক্ষাৰ বাবে এক সমৰ্পিত স্থান, সুবিধা, প্ৰশিক্ষিত শিক্ষক, আৰু এক পাঠ্যক্ৰমৰ প্ৰয়োজন যি উপযুক্ত পদ্ধতি অনুসৰি STEM শিক্ষণ একত্ৰিত কৰে। ভাৰত চৰকাৰে এই প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰিবলৈ কিছুমান দূৰদৰ্শী পদক্ষেপ লৈছে যদিও এই ক্ষেত্ৰত আমাৰ অসমত আকাংক্ষিত পৰিৱৰ্তন কৰিবলৈ এতিয়াও বহুতো কাম কৰিব লগা আছে।

প্ৰযুক্তিৰ একত্ৰীকৰণঃ শিকাৰ বাবে নতুন সম্পদ আৰু প্ৰযুক্তিৰ উপযুক্ত ব্যৱহাৰৰ বাবে ভাল আন্তঃগাঁথনি আৰু প্ৰশিক্ষিত শিক্ষকৰ প্ৰয়োজন। ভাৰতৰ বহুত ঠাইত এতিয়াও উন্নত ৰূপত উন্নত প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ কৰিব লাগিব। আমাৰ যুৱ প্ৰজন্মৰ ভৱিষ্যতত STEM শিক্ষাৰ কিয় গুৰুত্বপূৰ্ণ ভূমিকা আছে আৰু আমি কেনেদৰে ইয়াৰ অংশীদাৰ হিচাপে তেওঁলোকক এই বিষয়ে প্ৰয়োজনীয় তৎপৰতা গঢ়ি তোলাত সহায় কৰিব লাগিব।

লিংগ বৈষম্যঃ ভাৰতত সৰ্বমুঠ ২.৮৬ কোটি শিক্ষাৰ্থীয়ে উচ্চতৰ মাধ্যমিক পৰ্যায়ত (২০২১-২২) নামভৰ্তি কৰিছিল। অৱশ্যে, এক জৰীপ অনুসৰি, মাত্ৰ ৫৭ক্ষ ছোৱালীয়ে STEM ক্ষেত্ৰত কেৰিয়াৰ গঢ়িব বিচাৰিছিল। একেটা জৰীপত ল'ৰাসকলৰ বাবে এই শতাংশ বহুত বেছি আছিল। তেওঁলোকৰ প্ৰায় ৮৫ শতাংশ STEM ক্ষেত্ৰত আগ্ৰহী আছিল। ই এক বৃহৎ লিংগ বৈষম্য, আৰু দক্ষ কৰ্মশক্তিৰ ব্যৱধান পূৰণ কৰাত এক ডাঙৰ বাধা সূচায়। অপ্ৰিয় হলেও সত্য কথা যে আমাৰ সমাজত ছোৱালীসকলৰ গতানুগতিক শিক্ষা সমাপ্ত কৰাৰ পিছতেই বিয়া দিবলৈ উপযুক্ত পাত্ৰ বিচাৰি থকা হয়। ইয়াৰ বাবে বহু ক্ষেত্ৰত মহিলাসকলে এতিয়াও বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ সম অংশীদাৰ হব পৰা নাই। কিন্তু বৈজ্ঞানিক প্ৰগতি আৰু সমাজৰ বৃহত্তৰ স্বাৰ্থত বিজ্ঞানত লিংগ সমতা এক গুৰুত্বপূৰ্ণ বিষয়।

আমি কেনেকৈ শিক্ষাৰ্থীসকলক STEM শিক্ষাৰ ক্ষেত্ৰত তৎপৰতা গঢ়ি তুলিব পাৰোঁ? সমসাময়িক শিক্ষা প্ৰণালী শ্ৰেণীকোঠা, আৱণ্টন আৰু মূল্যাংকনৰ বাহিৰত। অনলাইন আৰু ডিজিটেল সম্পদৰ জৰিয়তে পৃথিৱীখন ইতিমধ্যে চক-এণ্ড টক পদ্ধতিতকৈ বহুত আগবাঢ়ি গৈছে। শিক্ষাৰ্থীসকলৰ বাবে শিকাটো আমোদজনক আৰু আকৰ্ষণীয় কৰাটোও অত্যাৱশ্যকীয়। আমাৰ চৰকাৰে STEM শিক্ষাক সমৰ্থন কৰিবলৈ কিছুমান মহান পদক্ষেপ লৈছে। এইবোৰৰ বিষয়ে আমি জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰিব লাগিব।




STEM শিক্ষা শক্তিশালী কৰাৰ বাবে ভাৰত চৰকাৰৰ পদক্ষেপঃ

ৰাষ্ট্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি যোগাযোগ পৰিষদ (NCSTC)ক বিজ্ঞান আৰু প্ৰযুক্তিৰ বিষয়ে জনসাধাৰণৰ সৈতে যোগাযোগ কৰা, বৈজ্ঞানিক আৰু প্ৰযুক্তিগত মনোভাৱ উদ্দীপিত কৰা আৰু সমগ্ৰ দেশতে এনে প্ৰচেষ্টাৰ সমন্বয় আৰু আয়োজন কৰাৰ নিৰ্দেশ দিয়া হৈছে। NCSTC-ৰ কাৰ্যসূচীবোৰৰ লক্ষ্য হৈছে সমাজত অৱগত সিদ্ধান্ত লোৱাৰ ক্ষমতা নিৰ্মাণ কৰা আৰু বৈজ্ঞানিক চিন্তাধাৰাক প্ৰচাৰ কৰা। NCSTC-য়ে প্ৰচাৰ কাৰ্যকলাপ, বিজ্ঞান আৰু প্ৰযুক্তিযোগাযোগৰ প্ৰশিক্ষণ, ছফ্টৱেৰৰ বিকাশ, উৎপাদন আৰু প্ৰসাৰ, ইনচেন্টিভ কাৰ্যসূচী, গৱেষণা, আন্তৰ্জাতিক সহযোগিতা, শিক্ষাৰ্থী আৰু শিক্ষকসকলক অনুপ্ৰাণিত কৰা, পৰিৱেশ সজাগতা আদি কাৰ্যসূচীৰ ওপৰত গুৰুত্ব আৰোপ কৰি আছে। NCSTC-য়ে প্ৰতি বছৰে ৰাষ্ট্ৰীয় শিশু বিজ্ঞান কংগ্ৰেছ (NCSC) আয়োজন কৰে। বিজ্ঞানৰ পদ্ধতি জনপ্ৰিয় কৰাৰ বাবে জিলা কংগ্ৰেছ, ৰাজ্যিক কংগ্ৰেছ আৰু ৰাষ্ট্ৰীয় সন্মিলনৰ বাবে অভিনৱ প্ৰকল্প বাছনি কৰা হয়। প্ৰতিখন ৰাজ্যই ভাৰতীয় বিজ্ঞান কংগ্ৰেছৰ বাৰ্ষিক অধিৱেশনলৈ দুজন প্ৰতিনিধিও প্ৰেৰণ কৰে। ইয়াৰ উপৰি, ৰাষ্ট্ৰীয় বিজ্ঞান শিক্ষক কংগ্ৰেছ (NTSC) আয়োজনৰ দ্বাৰা দেশৰ শিক্ষকসকলক তেওঁলোকৰ বৈজ্ঞানিক সজাগতাৰ স্তৰ বৃদ্ধি কৰাৰ বাবে এক মঞ্চ প্ৰদান কৰে। বৃত্তিমূলক/মুকলি বিদ্যালয়/শিক্ষক শিক্ষাবিদ/ডায়েট অনুষদ/বি.এড. আৰু বিশ্ববিদ্যালয়ৰ গৱেষকসকলৰ শিক্ষকসকলৰ উপৰিও, বিজ্ঞানী, প্ৰযুক্তিবিদ আৰু কৰ্মীসকলেও তেওঁলোকৰ ৰচিত কাকত দাখিল কৰি এই কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিব পাৰে।

ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগে দেশত বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰচাৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিভাগটোৰ এফালে উচ্চ স্তৰৰ মৌলিক গৱেষণা আৰু অত্যাধুনিক প্ৰযুক্তিৰ বিকাশৰ পৰা আৰম্ভ কৰি উপযুক্ত দক্ষতা আৰু প্ৰযুক্তিৰ বিকাশৰ জৰিয়তে সাধাৰণ মানুহৰ প্ৰযুক্তিগত প্ৰয়োজনীয়তা পূৰণ কৰালৈকে বিভিন্ন কাৰ্য্যকলাপ আছে। ইয়াৰ উপৰিও বিজ্ঞান আৰু অভিযান্ত্ৰিক গৱেষণা পৰিষদ (এছ.ই.আৰ.বি.) হৈছে সংসদৰ এক আইনৰ জৰিয়তে স্থাপিত এক বিধিবদ্ধ সংস্থা। ইয়াৰ লক্ষ্য হৈছে সৰ্বশ্ৰেষ্ঠ ব্যৱস্থাপনা প্ৰণালী গঢ়ি তোলা যি মৌলিক গৱেষণাৰ প্ৰচাৰ আৰু পুঁজিৰ ক্ষেত্ৰত সৰ্বশ্ৰেষ্ঠ গোলকীয় পদ্ধতিৰ সৈতে মিলাব পাৰে। বিজ্ঞান আৰু অভিযান্ত্ৰিকৰ উদীয়মান ক্ষেত্ৰত মৌলিক গৱেষণাক সমৰ্থন কৰা আৰু এনে গৱেষণাৰ বাবে অন্যান্য সংস্থাত নিয়োজিত ব্যক্তিসকলক বিত্তীয় সহায় প্ৰদান কৰা আৰু ইয়াৰ সৈতে সম্পৰ্কিত বা আনুষঙ্গিক বিষয়বোৰৰ বাবে বোৰ্ডৰ প্ৰাথমিক আৰু স্বকীয় উদ্দেশ্য। এই সংস্থাবোৰে ভাৰতত STEM শিক্ষাৰ প্ৰচাৰ আৰু পপুলাৰাইজ কৰাৰ বাবে বিভিন্ন ফেলোশ্বিপ আৰু আঁচনি ঘোষণা কৰে। আমি যুৱ প্ৰজন্মক ইয়াৰ ৱেবছাইটটো চাবলৈ আৰু বিভিন্ন সুযোগ প্ৰাপ্ত কৰিবলৈ উৎসাহিত কৰিব লাগিব।

অটল উদ্ভাৱন মিছন হৈছে ভাৰত চৰকাৰৰ দ্বাৰা যুৱ মনত কৌতূহল, সৃজনশীলতা আৰু চিন্তাধাৰা ৰচনা কৰাৰ বাবে আন এক মহান পদক্ষেপ। অটল টিংকাৰিং লেবৰ জৰিয়তে, আমাৰ শিক্ষাৰ্থীসকলে ধাৰণামূলক বুজাবুজিৰ বাবে শিকাৰ সুযোগৰ জৰিয়তে উদ্ভাৱন দক্ষতা বিকাশ কৰিব পাৰে। STEM শিকাৰ বাবে সময়ে সময়ে আয়োজিত প্ৰতিযোগিতা (ৰাষ্ট্ৰীয় পৰ্যায়), প্ৰদৰ্শনী, কৰ্মশালা আদিৰ জৰিয়তেও তেওঁলোকৰ এই শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ পদক্ষেপ লোৱাৰ চিন্তা চৰ্চা কৰা হৈছিল। নীতি আয়োগে ইতিমধ্যে সমগ্ৰ দেশত ৮৭০৬ তকৈও অধিক অটল টিংকাৰিং লেব ৬০ শতাংশ চৰকাৰী বিদ্যালয়ত স্থাপন কৰিছে (আগষ্ট ২০২১ লৈকে)।

চৰকাৰী পদক্ষেপত ২০২০ বৰ্ষতে ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগে বিদ্যালয় পৰ্যায়ত বিজ্ঞান জ্যোতি আঁচনি আৰম্ভ কৰিছিল। এই আঁচনিখনৰ অধীনত বিদ্যালয়সমূহত বিশেষকৈ নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছোৱালী শিক্ষাৰ্থীসকলক STEM-ত উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ উৎসাহিত কৰাৰ এক উপায় হিচাপে নিয়মীয়া বিশেষ বক্তৃতা, পাঠদান আৰু বিজ্ঞান শিবিৰ অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। এইবোৰ আঁচনিৰ বাবে বিদ্যালয়সমূহে কি কি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া নিশ্চিত কৰাৰ প্ৰয়োজন আছে।

বিজ্ঞান আৰু প্ৰযুক্তি বিভাগে (ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়) ছোৱালীৰ বাবে STEM-ৰ সুযোগ উন্নত কৰাৰ বাবে ২০২০ বৰ্ষত আই.বি.এম.ৰ সৈতে সহযোগিতা কৰিছিল। এই সহযোগিতাৰ উদ্দেশ্য আছিল বিজ্ঞান জ্যোতি আৰু বিজ্ঞান প্ৰসাৰ (বিজ্ঞানৰ সৈতে জড়িত) নামৰ দুটা আচনিৰ প্ৰসাৰ কৰা। এই সহযোগিতাই ভাৰতত মেধাৱী ছোৱালীক লক্ষ্য কৰি লৈছিল আৰু অংশীদাৰ আই.বি.এমে শিক্ষাৰ্থী আৰু শিক্ষকসকলৰ ওচৰলৈ এক আন্তঃক্ৰিয়ামূলক উপায়েৰে যোগাযোগ কৰি এই পদক্ষেপবোৰ সমৰ্থন কৰিছিল। এই নীতি আৰু পদক্ষেপবোৰৰ লক্ষ্য হৈছে ভাৰতীয় যুৱসকলৰ ক্ষেত্ৰত এক বৈজ্ঞানিক মনোভাৱ গঢ়ি তোলা আৰু ভাৰতীয় ছোৱালীসকলৰ বাবে উচ্চ শিক্ষা গ্ৰহণ কৰা আৰু STEM কেৰিয়াৰ ক্ষেত্ৰত সফল হোৱাত সহায় কৰা। ভাৰতীয় নীতি নিৰ্মাতাসকলে অন্যান্য সুযোগৰ জৰিয়তে ছোৱালী/মহিলাসকলৰ বাবে STEM শিক্ষাকো উৎসাহিত কৰে। শিক্ষা মন্ত্ৰালয়ে STEM শিকাৰ বাবে (উচ্চ শিক্ষাৰ বাবে) প্ৰাসংগিক সুযোগবোৰ ৰখা হৈছে। উদাহৰণ স্বৰূপে, শেহতীয়াকৈ ছেপ্টেম্বৰ ২০২২ বৰ্ষত, ইউ.কে.ৰ বিশ্ববিদ্যালয়সমূহে আগবঢ়োৱা আগতীয়া একাডেমী ফেলোশ্বিপ (ব্ৰিটিছ পৰিষদৰ বৃত্তি)ৰ বাবে আগ্ৰহী প্ৰাৰ্থীসকলৰ বাবে মন্ত্ৰালয়ৰ ৱেবছাইটত এখন ৰাজহুৱা জাননী আপলোড কৰা হৈছিল।

উচ্চ শিক্ষাৰ STEM শাখাৰ প্ৰতি আমি লৰা-ছোৱালীসকলক সৰুৰে পৰাই উৎসাহিত কৰিব লাগিব। গণিত আৰু বিজ্ঞানত কৃতিত্ব আৰু আগ্ৰহ তেওঁলোকৰ চাৰিওফালৰ পৰিৱেশৰ দ্বাৰা গঢ় লৈ উঠে। সেয়েহে, সামাজিক বিশ্বাস আৰু লগতে চাৰিওফালৰ সামাজিক পৰিৱেশে গণিত আৰু বিজ্ঞান বিষয় দুটাত লৰা-ছোৱালীৰ ভৱিষ্যতক প্ৰভাৱিত কৰে। এই বিষয় দুটাত সামৰ্থ্যৰ বিষয়ে নেতিবাচক ধাৰণাবোৰেও ছোৱালী তেওঁলোকৰ পৰীক্ষাৰ প্ৰদৰ্শন যথেষ্ট প্ৰভাৱিত কৰিব পাৰে। এনে ধৰণৰ ধাৰণাবোৰে সময়ৰ লগে লগে ভৱিষ্যতে বিজ্ঞান আৰু অভিযান্ত্ৰিক কেৰিয়াৰৰ বাবে তেওঁলোকৰ আকাংক্ষা হ্ৰাস কৰিব পাৰে। আত্ম-মূল্যাংকনৰ বিষয়টো বা আমি আমাৰ সামৰ্থ্যবোৰক কেনেদৰে চাওঁ সেয়া হৈছে আন এক কাৰণ যিয়ে গণিত আৰু বিজ্ঞানৰ প্ৰত্যাহ্বানমূলক কেৰিয়াৰৰ আগ্ৰহ সীমিত কৰাৰ এটা কাৰক হব পাৰে। বৃহৎ সংখ্যক শিক্ষাৰ্থী (সাধাৰণতে ১৩ ৰ পৰা ১৮ বছৰ বয়সৰ)সকলক লৈ ঔদ্যোগিক ভ্ৰমণ কাৰ্যসূচীৰ জৰিয়তে তেওঁলোকক প্ৰযুক্তিৰ সৈতে সম্পৰ্কিত বিজ্ঞান শিকিবলৈ আৰু এই সমূহ বিষয় অধ্যয়ন কৰি উপযুক্ত কেৰিয়াৰ বাছনিৰ বাবে অনুপ্ৰাণিত কৰিব পাৰে। ইয়াৰ উপৰিও আমি নবেল বঁটা সন্দৰ্ভত বক্তৃতা শৃংখলাৰ আয়োজন, ভ্ৰাম্যমাণ বিজ্ঞান গৱেষণাগাৰ — বিজ্ঞানৰ চাৰ্কাচ, বিজ্ঞান মেলা, নিজে কৰা পদ্ধতি, স্থিৰ আৰু ভ্ৰাম্যমাণ প্ৰদৰ্শনী, প্ৰমাণিত প্ৰযুক্তিৰ ডেমো/প্ৰদৰ্শন, শিক্ষাৰ্থী অনুপ্ৰেৰণামূলক কাৰ্যকলাপ ইত্যাদি কাৰ্যসূচীৰ হাতত লব পাৰি। শিক্ষাৰ্থীসকলক অত্যাধুনিক ধাৰণা, ভাৰতৰ সামৰ্থ্য্য, তেওঁলোকৰ কেৰিয়াৰৰ পছন্দ, আৰু শিক্ষাৰ্থীসকলক STEM বিষয়ত কেৰিয়াৰ গঢ়িবলৈ আমাৰ এইবোৰ প্ৰচেষ্টাই নিশ্চয় তেওঁলোকক অনুপ্ৰাণিত কৰিব।



## ডাৱৰ বিস্ফোৰণ

# প্ৰকৃতিৰ ভয়ংকৰ ৰূপ

সত্যব্ৰত বৰা

ডাৱৰ বিস্ফোৰণ এক প্ৰাকৃতিক দুৰ্যোগ, যাৰ ফলত কম সময়ৰ ভিতৰত অতি প্ৰচণ্ড বৰষুণ হৈ এটা নিৰ্দিষ্ট অঞ্চলত ভয়াৱহ ধ্বংসলীলা চলায়। এনে পৰিঘটনাৰ ফলত জীৱন, সম্পত্তি আৰু পৰিৱেশৰ ব্যাপক ক্ষতি হয়। শেহতীয়াকৈ উত্তৰাখণ্ডৰ উত্তৰকাশীৰ ধৰালী গাওঁত হোৱা ডাৱৰ বিস্ফোৰণৰ ঘটনাই প্ৰাকৃতিক দুৰ্যোগৰ ভয়ংকৰ ৰূপ পুনৰ স্মৰণ কৰাইছে।

ডাৱৰ বিস্ফোৰণ হৈছে এনে এক পৰিঘটনা যউত্তৰকাশীৰ ধৰালী গাওঁত হোৱা শেহতীয়া ডাৱৰ বিস্ফোৰণৰ ঘটনাই দুৰ্যোগৰ ভয়ংকৰ ৰূপ প্ৰদৰ্শন কৰিছে। নদীৰ জলপৃষ্ঠ হঠাৎ বৃদ্ধি পাইছে আৰু পানীৰ সৈতে ধ্বংসাৱশেষৰ ধাৰা দ্ৰুতগতিত তললৈ নামি আহিছে। ফলত ধৰালীৰ বহু ঘৰ, হোটেল, দোকান আৰু ব্যৱসায়িক প্ৰতিষ্ঠান ধ্বংস হৈ গৈছে। স্থানীয় সংবাদ মাধ্যমৰ মতে, এই ঘটনাত ১৩০ৰো অধিক লোকক উদ্ধাৰ কৰা হৈছে, কিন্তু ৫০ৰো অধিক লোক এতিয়াও নিৰুদ্দেশ। এই দুৰ্যোগত কেইবাজনো লোকে জীৱন হেৰুৱাইছে। এটা ভাইৰেল ভিডিঅ'ত দেখা গৈছে যে মাত্ৰ ২০ ছেকেণ্ডৰ ভিতৰতে এই অঞ্চলত ভয়ংকৰ ধ্বংসলীলা সংঘটিত হৈছে। স্থানীয় লোকৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে আৰু বহু লোকে নিজৰ ঘৰ-বাৰী হেৰুৱাই দিশহাৰা হৈ পৰিছে।

ডাৱৰ বিস্ফোৰণৰ প্ৰভাৱ অতি ভয়াৱহ। এই ধৰণৰ দুৰ্যোগত বানপানী, ভূমিস্খলন আৰু ধ্বংসাৱশেষৰ প্ৰবাহৰ ফলত জীৱন, সম্পত্তি আৰু পৰিৱেশৰ ব্যাপক ক্ষতি হয়। ধৰালীৰ ঘটনাত দেখা গৈছে যে পানীয়ে হোটেল, দোকান আৰু ঘৰত প্ৰৱেশ কৰি ব্যাপক লোকচানৰ সৃষ্টি কৰিছে। পাহাৰীয়া অঞ্চলত এনে ঘটনাৰ ফলত ভূমিস্খলনৰ সম্ভাৱনা বৃদ্ধি পায়, যাৰ ফলত ৰাস্তা-ঘাট, সেতু আৰু অন্যান্য আন্তঃগাঁথনি ধ্বংস হৈ যায়। ইয়াৰ উপৰিও, কৃষিভূমি, শস্য আৰু জীৱ-জন্তুৰ ক্ষতি হয়, যাৰ ফলত স্থানীয় অৰ্থনীতিৰ ওপৰতো দীৰ্ঘম্যাদী প্ৰভাৱ পৰে। মানুহৰ জীৱনৰ ক্ষতিৰ লগতে বহু লোক গৃহহীন হৈ পৰে আৰু তেওঁলোকৰ জীৱিকাৰ উৎস ধ্বংস হৈ যায়।

এনে ধৰণৰ দুৰ্যোগৰ পৰা ৰক্ষা পাবলৈ প্ৰাকৃতিক আৰু কৃত্ৰিম ব্যৱস্থাৰ প্ৰয়োজন। প্ৰথমতে, আগতীয়া সতৰ্কবাণী ব্যৱস্থাৰ উন্নতি অতি জৰুৰী। বতৰবিজ্ঞান বিভাগৰ জৰিয়তে সম্ভাব্য ডাৱৰ বিস্ফোৰণৰ পূৰ্বাভাস দিয়া সম্ভৱ হ'লে লোকসকলক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰিব পৰা যায়। উত্তৰকাশীৰ ঘটনাত দেখা গৈছে যে এছডিআৰএফ, এনডিআৰএফ আৰু স্থানীয় প্ৰশাসনৰ দলসমূহে তৎক্ষণাত উদ্ধাৰ কাৰ্য চলাইছে। এনে উদ্ধাৰ অভিযানৰ ক্ষমতা বৃদ্ধি কৰাৰ লগতে স্থানীয় লোকসকলক দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰশিক্ষণ দিয়াটো জৰুৰী। ইয়াৰ উপৰিও, পাহাৰীয়া অঞ্চলত অত্যধিক নিৰ্মাণ কাৰ্য আৰু বনাঞ্চল ধ্বংসৰ ফলত ডাৱৰ বিস্ফোৰণৰ প্ৰভাৱ বৃদ্ধি পাইছে। তেনে কাৰ্য নিয়ন্ত্ৰণ কৰি পৰিৱেশ সংৰক্ষণৰ ওপৰত গুৰুত্ব দিয়াটো প্ৰয়োজন।

উত্তৰকাশীৰ ধৰালীৰ ঘটনাই আমাক প্ৰকৃতিৰ অপৰিমেয় শক্তিৰ কথা স্মৰণ কৰাইছে। এই ঘটনাত বহু লোকে নিজৰ ঘৰ, জীৱিকা আৰু পৰিয়ালৰ সদস্য হেৰুৱাইছে। মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে এই ঘটনাৰ প্ৰতি শোক প্ৰকাশ কৰি জানিছে যে প্ৰশাসন আৰু উদ্ধাৰকাৰী দলসমূহে পূৰ্ণ গতিত কাম কৰি আছে। কিন্তু এই ধৰণৰ দুৰ্যোগৰ পৰা সম্পূৰ্ণৰূপে ৰক্ষা পোৱাৰ বাবে কেৱল উদ্ধাৰ অভিযানৰ ওপৰত নিৰ্ভৰ কৰিলে নহ'ব। দীৰ্ঘম্যাদী পৰিকল্পনাৰ জৰিয়তে পৰিৱেশৰ ভাৰসাম্যতা ৰক্ষা কৰা, আন্তঃগাঁথনিৰ উন্নতি কৰা আৰু জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰাটো অতি জৰুৰী।

ডাৱৰ বিস্ফোৰণৰ দৰে প্ৰাকৃতিক দুৰ্যোগে আমাক প্ৰকৃতিৰ সৈতে সহাৱস্থানৰ গুৰুত্ব শিকাইছে। উত্তৰকাশীৰ ঘটনাই আমাক সোঁৱৰাইছে যে মানুহৰ অত্যধিক হস্তক্ষেপৰ ফলত পৰিৱেশৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰে, যাৰ ফলত এনে দুৰ্যোগৰ তীব্ৰতা বৃদ্ধি পায়। আমি যদি প্ৰকৃতিৰ সৈতে ভাৰসাম্য ৰক্ষা কৰি চলিব পাৰো, তেন্তে এনে দুৰ্যোগৰ প্ৰভাৱ কমোৱা সম্ভৱ। সামৰণিত ক'ব পাৰি যে, ডাৱৰ বিস্ফোৰণৰ দৰে পৰিঘটনাৰ পৰা ৰক্ষা পাবলৈ আমাৰ সামূহিক প্ৰচেষ্টাৰ প্ৰয়োজন। প্ৰকৃতিৰ প্ৰতি সন্মান, বিজ্ঞানৰ সহায় আৰু সামাজিক সজাগতাৰ জৰিয়তে আমি এনে দুৰ্যোগৰ ক্ষতি হ্ৰাস কৰি এক নিৰাপদ ভৱিষ্যত গঢ়ি তুলিব পাৰিম।

# দুৰ্ঘটনাই মানৱ জীৱনলৈ কঢ়িয়াই আনে অমানিশা

কনমনি নাথ

দুৰ্ঘটনা ক'ত কেনেকৈ সংঘটিত হয় আমি কোনেও নাজানো বা ইয়াৰ আগজাননীও নাপাওঁ। দুৰ্ঘটনা সংঘটিত হলে কেতিয়াবা কমকৈ আৰু কেতিয়াবা বেছিকৈ আঘাতপ্ৰাপ্তহৈ হয়তো কেতিয়াবা অকাল মৃত্যু হোৱা দেখা যায়। এই দুৰ্ঘটনাত কাৰোবাৰ স্বামী, পত্নী, লৰা, ছোৱালী বা পৰিয়ালৰ অন্য সদস্যৰ অকাল মৃত্যু হলে আমি সেই মৃত্যু সহজে মানি ল'ব নোৱাৰোঁ। খুবেই দুখদায়ক আৰু মৰ্মান্তিক/ ভাষাৰে বুজাব নোৱাৰা এক অনুভূতি।

সেয়েহে দুৰ্ঘটনা সংঘটিত হোৱাৰ ক্ষেত্ৰত এখন আইন প্ৰণয়ন হোৱাৰ প্ৰয়োজনীয়তা আছে বুলি ভাবো। সেই আইন সকলোৱে ক্ষেত্ৰত একেই প্ৰযোজ্য হ'ব লাগে। কিয়নো কোনোৱে জানি বুজি ডাঙৰ ডাঙৰ দোষনীয় কাৰ্য বা দুৰ্ঘটনা সংঘটিত কৰি লগে লগে মুক্ত আকাশৰ তলত ঘূৰি ফুৰে আৰু হঠাৎ হোৱা দুৰ্ঘটনাত এগৰাকী ব্যক্তিক সকলোৱে চাৰিও দিশৰে পৰা ঘেৰি অসহায় কৰি মানসিক হাৰা সাষ্টিৰে সন্মুখীন কৰে। দুৰ্ঘটনা কোনোৱে কৰোঁ বুলি নকৰে, ই হঠাৎ হোৱা এক প্ৰক্ৰিয়া। হঠাৎ দুৰ্ঘটনা সংঘটিত হয় যদিওঁ আমাৰ চিন্তা ধাৰাত সদায় মানৱীয়তাৰ গুণ সমূহ থকাৰ প্ৰয়োজন আছে। দুৰ্ঘটনা হোৱাৰ পিছত সুস্থ থকা ব্যক্তি গৰাকীয়ে দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত লোক জনক তৎক্ষণাৎ প্ৰাথমিক চিকিৎসা কৰাৰ পিছতে মে'ডিকেলত লৈ যোৱাৰ পৰিৱৰ্তে নিজে পলায়নৰ চেষ্টা কৰা কথাযাৰ কিন্তু মানৱীয়তাৰ সম্পূৰ্ণ বাহিৰ আৰু তেতিয়া সেই ব্যক্তিক জন ৰাইজৰ দৃষ্টিত দোষী বা ভুল বুলি ক'ব পাৰি। এটা কথা ঠিক যে, হঠাৎ যেতিয়া কোনো এজন ব্যক্তিৰ দুৰ্ঘটনা সংঘটিত হয় তেতিয়া সেই ব্যক্তি গৰাকী সেই সময়ত অধিক শংকিত হৈ পৰে তেতিয়া কি কৰিব কি নকৰিব দধৰ মোধৰত কেতিয়াবা জ্ঞানহীন হৈ সেই ঠাইৰ পৰা পলায়নৰ চেষ্টা কৰাটো স্বাভাৱিক বা সেই সময়ত তেওঁৰ মতে পলায়ন কৰাটো সঠিক বুলি ভাবে। তাৰ পিছত যদি দুৰ্ঘটনা হোৱা লোক জনৰ কাষলৈ গৈ খবৰ আৰু সহায় কৰাৰ প্ৰৱণতা দেখুৱাই তেতিয়া মানৱীয়তাৰ খাতিৰত ক্ষমা কৰিলে সেই দোষ কিছু পৰিমানে কমিব আৰু যদি খবৰ লবলৈ যোৱাৰ মানসিকতা নকৰে তেতিয়া সেয়া আত্মঅহংকাৰী বুলি বিবেচিত কৰি ৰাইজৰ দৃষ্টিত তেঁও সম্পূৰ্ণ দোষী সাব্যস্ত হ'ব। সেই বুলি দুৰ্ঘটনা কৰা ব্যক্তি গৰাকীক সকলোৱে নানা দিশৰ পৰা ঘেৰি নানা মানসিক হাৰাশাস্তিৰে জীয়াই থাকিবলৈ নিদিব?

সাধাৰণতে যান-বাহন দুৰ্ঘটনা সংঘটিত হলে যি জনে বেছি আঘাতপ্ৰাপ্ত হয় সেইজনকে নিৰ্দোষী বুলি ভাবো। আচলতে কেতিয়াবা বেছি আঘাতপ্ৰাপ্ত হোৱা ব্যক্তিগৰাকীৰ ভুলবশত দুৰ্ঘটনা সংঘটিত হ'ব পাৰে। সেই কথা আমি বিবেচনা নকৰি মাথো কমকৈ আঘাতপ্ৰাপ্ত হোৱা ব্যক্তি গৰাকীক বেছি দোষী সাব্যস্ত কৰা দেখা যায়। সেয়েহে আমাৰ সমাজ ব্যৱস্থাৰ মানুহৰ মানসিকতাৰ চিন্তা ধাৰণা সালসলনি কৰাৰ প্ৰয়োজন আছে। দোষী নিৰ্দোষী বিচাৰ কৰিব পৰা জ্ঞান বুদ্ধিৰ সঠিক ব্যৱহাৰ কৰাৰ প্ৰয়োজন আছে।দুৰ্ঘটনা সংঘটিত কৰা ব্যক্তিজনক আমি মাথোঁ দোষী দোষী বুলি কৈ থকাটো ঠিকে। যদি এনেকুৱাকৈ দুৰ্ঘটনা কৰাৰ চালকক সকলোৱে ঘেৰি জীয়াই থাকিবলৈ হাৰাশাস্তিৰ সন্মুখীন বা নানা প্ৰত্যাহ্বানৰ পৰিস্থিতি কৰে তেতিয়া অনাগত দিনবোৰত গাড়ী চালক সকলে গাড়ী চলোৱাৰ ক্ষেত্ৰত এশবাৰ ভাবিবলৈ বাধ্যৰ সন্মুখীন হ'ব। এইয়া সকলোৱে বাবে ভাল পদক্ষেপ কিন্তু এই নিয়ম বা আইন সকলোৱে ক্ষেত্ৰত একেই প্ৰযোজ্য থাকিব নে?

সেয়া কিন্তু সচেতন মহলত চিন্তনীয় বিষয় হিচাপে পৰিগণিত হ'ব।



## ৰাহুল গান্ধীৰ বাসগৃহত

ৰাহুল গান্ধীয়ে ভাৰতীয় জনতা পাৰ্টি (বিজেপি) আৰু নিৰ্বাচন আয়োগৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। তেওঁৰ দাবী কৰিছে যে বিজেপিয়ে নিৰ্বাচন আয়োগৰ সহায়ত "ভোট চুৰি মডেল"ৰ জৰিয়তে নিৰ্বাচনী প্ৰক্ৰিয়াক প্ৰভাৱিত কৰিছে। ৰাহুল গান্ধীৰ দিল্লীৰ বাসগৃহত ইণ্ডিয়া ব্লকৰ নেতাসকলে এক নৈশ ভোজৰ বৈঠকত অংশগ্ৰহণ কৰি এই বিষয়ে বিস্তৃত আলোচনা কৰে। বৈঠকৰ পিছত সংবাদমেলত ৰাহুল গান্ধীয়ে বিজেপি আৰু নিৰ্বাচন আয়োগৰ মাধ্যমেৰে "গোপন বুজাবুজি"ৰ জৰিয়তে সংঘটিত ভোট চুৰিৰ অভিযোগ তুলি ধৰে। ৰাহুল গান্ধীয়ে কৰ্ণাটক আৰু মহাৰাষ্ট্ৰৰ নিৰ্বাচনৰ উদাহৰণ দি তেওঁৰ অভিযোগৰ প্ৰমাণ কৰে। তেওঁ উল্লেখ কৰে যে, কৰ্ণাটকৰ বেংগালুৰু চেন্ট্ৰেল লোকসভা সমষ্টিৰ অন্তৰ্গত মহাদেৱপুৰা বিধানসভা সমষ্টিত প্ৰায় ১ লাখৰো অধিক ভোট চুৰিৰ ঘটনা সংঘটিত হৈছিল। ইয়াৰ উপৰিও, ২০২৪ চনৰ মহাৰাষ্ট্ৰ লোকসভা নিৰ্বাচনত ইণ্ডিয়া ব্লকে ৪৮খন আসনৰ ভিতৰত ৩০খন আসন লাভ কৰিছিল। কিন্তু মাত্ৰ পাঁচ মাহৰ পিছত অনুষ্ঠিত বিধানসভা নিৰ্বাচনত ইণ্ডিয়া ব্লক ৫০খন আসনৰ সীমা অতিক্ৰম কৰিব নোৱাৰিলে। এই পৰিসংখ্যাৰ পৰা তেওঁ নিৰ্বাচনী প্ৰক্ৰিয়াত অস্বচ্ছতাৰ অভিযোগ তুলি ধৰে। বৈঠকৰ পিছত কংগ্ৰেছে সামাজিক মাধ্যম এ'ত এক পোষ্টত কয়, "আমি গণতন্ত্ৰৰ সুৰক্ষাৰ বাবে একত্ৰিত হৈছোঁ। যিকোনো মূল্যত আমি ইয়াক ধ্বংসৰ হাতৰ পৰা ৰক্ষা কৰিম।" ৰাহুল গান্ধীয়ে সামাজিক মাধ্যমত লিখে, "আজি নিশা আমি ইণ্ডিয়া ব্লকৰ নেতাসকলৰ সৈতে বিজেপি আৰু নিৰ্বাচন আয়োগৰ ভোট চুৰিৰ ষড়যন্ত্ৰৰ বিষয়ে আলোচনা কৰিছোঁ। ইণ্ডিয়া ব্লক ঐক্যবদ্ধ আৰু গণতন্ত্ৰ ৰক্ষাৰ বাবে সংকল্পবদ্ধ। মই ৰাইজৰ আগত যি কথা দিওঁ, সেয়া মোৰ শপত।" ৰাহুল গান্ধীয়ে অভিযোগ কৰে যে, নিৰ্বাচন আয়োগে ভুৱা ভোটাৰৰ নাম তালিকাত অন্তৰ্ভুক্ত কৰি নিৰ্বাচনী প্ৰক্ৰিয়াক কলুষিত কৰিছে। তেওঁ ঘোষণা কৰে যে, ইণ্ডিয়া ব্লকৰ নেতাসকলে সংসদৰ পৰা নিৰ্বাচন আয়োগৰ মুখ্য কাৰ্যালয়লৈ এক প্ৰতিবাদী সমদল উলিয়াবলৈ প্ৰস্তুত। এই সমদলৰ জৰিয়তে তেওঁলোকে নিৰ্বাচনী জালিয়াতিৰ বিৰুদ্ধে কঠোৰ প্ৰতিবাদ জনাব। কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে চি ভেনুগোপালে বৈঠকটোক অত্যন্ত সফল বুলি অভিহিত কৰি কয়, "ৰাহুল গান্ধীৰ প্ৰেজেণ্টেশ্যনে সকলোকে স্তম্ভিত কৰি তুলিছে। গণতন্ত্ৰৰ ওপৰত হোৱা এই আক্ৰমণৰ বিৰুদ্ধে আমি সকলোৱে একমত। আমাক এক স্বচ্ছ আৰু ডিজিটেল ভোটাৰ তালিকাৰ প্ৰয়োজন, যিটো দেশৰ তাৎক্ষণিক প্ৰয়োজনীয়তা।" তেওঁ উল্লেখ কৰে যে, আৰজেডি নেতা তেজস্বী যাদৱে বিহাৰত চলি থকা যাত্ৰাৰ বিষয়ে আলোচনা কৰিছে আৰু ১ ছেপ্টেম্বৰত সমাপ্তিৰ সময়ত মিত্ৰজোটৰ সকলো নেতাক অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনাইছে। চিপিআইৰ সাধাৰণ সম্পাদক ডি ৰাজাই বৈঠকটোক অৰ্থপূৰ্ণ বুলি বৰ্ণনা কৰি কয়, "আজিৰ আলোচনাত নিৰ্বাচন আয়োগৰ কাৰ্যকলাপ, ভোটাৰ তালিকাত হেতালি খেলা আৰু এছআইআৰৰ বিতৰ্কৰ বিষয়ে বিস্তাৰিতভাৱে কথা হৈছে। ৰাহুল গান্ধীয়ে উল্লেখ কৰিছে যে, বিহাৰত চলি থকা ঘটনা দেশৰ যিকোনো ঠাইত ঘটিব পাৰে।" নেশনেল কনফাৰেন্সৰ নেতা ফাৰুক আব্দুল্লাই জম্মু-কাশ্মীৰৰ ৰাজ্যিক মৰ্যাদাৰ প্ৰশ্ন আৰু কিছুমান গুষ্টৰ ওপৰত নিষেধাজ্ঞাৰ বিৰোধিতাৰ বিষয় উত্থাপন কৰে। তেওঁ কয়, "আমি দেখিছো কেনেকৈ ভোট চুৰিৰ ঘটনা সংঘটিত হৈছে।" বৈঠকত কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, ছোনিয়া গান্ধী, প্ৰিয়ংকা গান্ধী, জয়ৰাম ৰমেশ, শৰদ পাৱাৰ, অখিলেশ যাদৱ, তেজস্বী যাদৱ, মেহবুবা মুফতি, অভিষেক বেনাৰ্জী, উদ্ধৱ থাকৰে, ডিএমকেৰ তিৰুচি শিৱা, টি আৰ বালু, চিপিআই(এম)ৰ এম এ বেবী, চিপিআইৰ ডি ৰাজা, ডিপাংকৰ ভট্টাচাৰ্য, জেএমএমৰ মহুৱা মাঝি, আৰএছপিৰ এন কে প্ৰেমচন্দ্ৰন আদি ২৫টা বিৰোধী দলৰ জ্যেষ্ঠ নেতা উপস্থিত আছিল। ইয়াৰ উপৰিও কৰ্ণাটকৰ মুখ্যমন্ত্ৰী চিদ্দাৰামাইয়া, হিমাচলৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখু, আৰু তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডীও বৈঠকত অংশগ্ৰহণ কৰে। কংগ্ৰেছ নেতা গৌৰৱ গগৈয়ে বৈঠকটোক ইতিবাচক বুলি অভিহিত কৰি কয়, "ৰাহুল গান্ধী আৰু এছআইআৰৰ অভিযোগসমূহ এই বৈঠকৰ মূল বিষয় আছিল। এয়া কোনো আনুষ্ঠানিক বৈঠক নাছিল, তথাপি অন্যান্য গুৰুত্বপূৰ্ণ বিষয়সমূহো আলোচনা হৈছে।" ইণ্ডিয়া ব্লকৰ নেতাসকলে সোমবাৰে সংসদৰ পৰা নিৰ্বাচন আয়োগৰ কাৰ্যালয়লৈ এক প্ৰতিবাদী সমদলৰ পৰিকল্পনা কৰিছে। এই সমদলৰ জৰিয়তে তেওঁলোকে নিৰ্বাচনী জালিয়াতিৰ বিৰুদ্ধে কঠোৰ প্ৰতিবাদ জনাব। এই বৈঠকে গণতন্ত্ৰৰ সুৰক্ষাৰ বাবে বিৰোধী দলৰ ঐক্যৰ গুৰুত্ব তুলি ধৰিছে। আগন্তুক দিনত এই প্ৰতিবাদে কেনে প্ৰভাৱ পেলাব, সেয়া লক্ষণীয় হৈ থাকিব।

## অসমৰ উন্নয়নৰ বাবে

পিছতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক্সত এক পোষ্টৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় কেবিনেটৰ প্ৰতি গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰিছে। তেওঁ এই বিশেষ উন্নয়ন পুঁজিক ঐতিহাসিক বুলি আখ্যা দি কয় যে, এই পুঁজিৰ জৰিয়তে অসমৰ আন্তঃগাঁথনিৰ উন্নয়নৰ লগতে আদিবাসী আৰু জনজাতীয় সম্প্ৰদায়ৰ সৱলীকৰণৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা হ'ব। কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্ত অনুসৰি, এই পুঁজিৰ এক বৃহৎ অংশ অসমৰ বিভিন্ন খণ্ডৰ উন্নয়নৰ বাবে ব্যৱহাৰ কৰা হ'ব। অসমৰ আদিবাসী বসতিপ্ৰধান গাঁও আৰু অঞ্চলসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৫০০ কোটি, ডিমাছা নেচনেল লিবাৰেচন আৰ্মী আৰু ডিমাছা পিপলছ ছুপ্ৰিম কাউন্সিলৰ বসতিপ্ৰধান অঞ্চলৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে আৰু ৫০০ কোটি, ৰাজ্যৰ সামগ্ৰিক আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে ৩, ০০০ কোটি টকাৰ পুঁজি বিনিয়োগৰ অনুমোদন দিয়া হৈছে। ইয়াৰ উপৰিও ত্ৰিপুৰাৰ আদিবাসী সম্প্ৰদায়ৰ উন্নয়নৰ বাবে ২৫০ কোটি টকাৰ পুঁজি নিৰ্ধাৰণ কৰা হৈছে। এই পুঁজিৰ জৰিয়তে ৰাজ্যৰ যুৱক-যুৱতীৰ বাবে নতুন চাকৰিৰ সুযোগ সৃষ্টি, পৰ্যটন খণ্ডৰ উন্নয়ন, আৰু মহিলা সৱলীকৰণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হ'ব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ এ' পোষ্টত কেন্দ্ৰীয় কেবিনেটৰ এই সিদ্ধান্তক অসমৰ খিলঞ্জীয়া জনগোষ্ঠীৰ সৱলীকৰণৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি উল্লেখ কৰিছে। তেওঁ কয়, "এই ৪, ২৫০ কোটি টকাৰ বিশেষ উন্নয়ন পুঁজি অসম আৰু ত্ৰিপুৰাৰ উন্নয়নৰ ক্ষেত্ৰত এক ঐতিহাসিক পদক্ষেপ। আদিবাসী আৰু জনজাতীয় সম্প্ৰদায়ৰ উন্নয়নৰ পৰা আৰম্ভ কৰি বৃহৎ আন্তঃগাঁথনিৰ উন্নয়ন, চাকৰি সৃষ্টি, পৰ্যটনৰ প্ৰসাৰ আৰু মহিলা সৱলীকৰণৰ ক্ষেত্ৰত এই পুঁজিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।" তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্ব আৰু কেন্দ্ৰীয় কেবিনেটৰ সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি কয় যে, এই পুঁজিৰ জৰিয়তে অসম দেশৰ অন্যতম অগ্ৰণী ৰাজ্য হিচাপে আগবাঢ়িব। এই বিশেষ উন্নয়ন পুঁজিৰ জৰিয়তে অসমৰ আন্তঃগাঁথনিৰ উন্নয়নৰ লগতে ৰাজ্যৰ যুৱক-যুৱতীৰ বাবে নতুন সুযোগৰ দুৱাৰ মুকলি হ'ব। পৰ্যটন খণ্ডৰ উন্নয়নে ৰাজ্যৰ অৰ্থনীতিক শক্তিশালী কৰাৰ লগতে স্থানীয় জনগোষ্ঠীৰ জীৱনযাত্ৰাৰ মান উন্নত কৰিব। ইয়াৰ উপৰিও মহিলা সৱলীকৰণৰ লক্ষ্যৰ জৰিয়তে ৰাজ্যৰ মহিলাসকলৰ সামাজিক আৰু অৰ্থনৈতিক উন্নতিৰ পথ মুকলি হ'ব। কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তই অসমৰ উন্নয়নৰ পথত এক নতুন অধ্যায়ৰ সূচনা কৰিছে। মুখ্যমন্ত্ৰীৰ মতে, প্ৰধানমন্ত্ৰীৰ নিৰন্তৰ প্ৰচেষ্টা আৰু দিশৰ জৰিয়তে অসমৰ জনগণৰ জীৱনযাত্ৰাৰ মান উন্নত কৰাৰ লক্ষ্য পূৰণৰ দিশত এই পুঁজি এক মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব।

## মই নিজেই বিচাৰিছিলোঁ,

সচিব ৰণ্টু পানীফুকন, সভাপতি হেমন্ত বৰা আৰু সাংগঠনিক সচিব হৰ গগৈৰ সৈতে বৈঠকত মিলিত হৈ এই সিদ্ধান্তৰ কথা জনাইছিলোঁ।" শৃংখল চলিহাই ব্যক্তিগত কাৰণৰ উল্লেখ কৰি কয়, "মই কিছুদিনৰ পৰা ভাগৰুৱা অনুভৱ কৰি আছোঁ। মোৰ এটা সৰু অস্ত্ৰোপচাৰৰ প্ৰয়োজন হৈছে। চিকিৎসকৰ সৈতে কাইলৈ কথা পাতিম। মোৰ ভণ্টি বৰ্তমান ডুবাইত আছে আৰু তেওঁ কাইলৈ অসমলৈ আহিব। মই বাইদেউ-ভণ্টি, মোৰ স্ত্ৰী আৰু মা-দেউতাৰ সৈতে কিছু সময় কটাবলৈ ফুৰিবলৈ যোৱাৰ পৰিকল্পনা কৰিছোঁ। বিগত এবছৰৰ পৰা মই বাৰে বাৰে কৈ আহিছিলোঁ যে মোক বিশ্ৰামৰ প্ৰয়োজন।" তেওঁ সংগঠনৰ সৈতে তেওঁৰ সাময়িক বিচ্ছেদৰ বিষয়ে ৰাজনৈতিক বিতৰ্কৰ প্ৰসংগ উত্থাপন কৰি কয়, "মই ভবা নাছিলোঁ যে এই বিষয়টোৰ ওপৰত ৰাজনীতি কৰা হ'ব। কোনোবাই ভাবিছেনে যে বীৰ লাচিত সেনাক দুভাগ কৰিব পাৰিব? কোনোবাই প্ৰেমপত্ৰ বা তই তই সম্বোধন কৰি চিঠি লিখিলেই আমাৰ সংগঠন ভাগ হৈ যাব বুলি ভাবিছে নেকি? চৰকাৰী যন্ত্ৰইও আমাৰ সংগঠনক ভাগ কৰিব নোৱাৰিলে। এতিয়া কোনো চিঠিৰ দ্বাৰা তেনে কৰিব পাৰিব বুলি ভাবিলে ভুল হ'ব।" শৃংখল চলিহাই কয়, "ৰাজনীতি মূল্যবোধৰ ওপৰত ভিত্তি কৰি হ'ব লাগে। বীৰ লাচিত সেনাৰ সত্তা এনে এক শক্তি যাক কোনেও দুভাগ কৰিব নোৱাৰে। মোক বিশ্ৰাম দিয়াৰ বাবে ধন্যবাদ, কিন্তু মইতো নিজেই অব্যাহতি বিচাৰিছিলোঁ। সাম্প্ৰতিক পৰিস্থিতিৰ কাৰণে এই বিশ্ৰাম লোৱা হৈছে। তথাপি, জাতিৰ বিপদৰ সময়ত যিকোনো মুহূৰ্তত মোৰ প্ৰয়োজন হ'লে মই পুনৰ ওলাই আহিম। বাংলাদেশীৰ বিৰুদ্ধে আমাৰ সংগ্ৰাম আমাৰ সৈনিকসকলে অব্যাহত ৰাখিব।" এই মন্তব্যৰ জৰিয়তে শৃংখলে স্পষ্ট কৰিছে যে তেওঁৰ এই সাময়িক বিশ্ৰাম ব্যক্তিগত আৰু স্বাস্থ্যজনিত কাৰণৰ বাবে, আৰু ইয়াৰ সৈতে সংগঠনৰ কাৰ্যকলাপৰ প্ৰতি তেওঁৰ অঙ্গীকাৰৰ কোনো পৰিৱৰ্তন নহয়। তেওঁৰ এই বক্তব্যই বীৰ লাচিত সেনাৰ ঐক্য আৰু তেওঁৰ নেতৃত্বৰ প্ৰতি থকা দৃঢ়তাক পুনৰ প্ৰতিষ্ঠিত কৰিছে।

## বন্দুক দেখুৱাই ভোট

সংকল্প সভাত অংশগ্ৰহণ কৰি উদন্ত ভাষণেৰে নিৰ্বাচনী ৰণশিঙা বজালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এতিমধ্যে নিৰ্বাচনী বতাহে উত্তপ্ত কৰি তোলা বি টি আৰত বি পি এফ আৰু ইউ পি পি এলৰ সমান্তৰাল ভাৱে বিজেপিও গঢ়ি তুলিছে নিৰ্বাচনী প্ৰচাৰ। বিটিআৰ অন্তৰ্গত কৰ্মকৰ্তা সকলৰ উপস্থিতিত আযোজিত বিজয় সংকল্প সমাৰোহত সমাগত বিটিআৰ নিৰ্বাচনত নিশ্চিত বিজয় অৰ্জনৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ বিষয়ববীয়া তথা কৰ্মকৰ্তাসকলে সংকল্প গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। বিগত ২০১৪ চনত কেন্দ্ৰত ভাৰতী জনতা পাৰ্টিৰ নৰেন্দ্ৰ মোদি প্ৰধান মন্ত্ৰী হোৱাৰে পৰিবৰ্তী সময়ৰ পৰাই বড়োভূমিত ক্ৰমাগত ভাবে শান্তি-সমপ্ৰীতি আৰু সমৃদ্ধি আগবাঢ়ি গৈছে। ২০২০ চনত বিটিআৰ চুক্তি স্বাক্ষৰ হোৱাৰ পিছত মই ২০২১ চনত অসমৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰে পৰা বিটিআৰ এটাওঁ অপহৰণ নাইবা গুলি ফুটা নাই, বোমা এটাও ফুটা নাই। বৰ্তমান আইন-পৰিস্থিতিৰ অবনতি ঘটা নাই বৰঞ্চ শান্তিৰ বাতাবৰণ সৃষ্টি হৈছে বুলি তিনিওখন সভাত ভাষণ প্ৰদান কৰি এই বক্তব্য দাঙি ধৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তিনি পৰিষদীয় সমষ্টিত বিজয় সংকল্প সভাত অংশ গ্ৰহণ কৰি বিটিআৰৰ সমাগত নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে পদুম ফুলৰ চিহ্ন লৈ নিৰ্বাচনত অবতীৰ্ণ হোৱাৰ ঘোষণা কৰি কয়, বিটিআৰত ভাৰতীয় জনতা পাৰ্টিৰ বতাহ নহয় চুনামি আহিছে। বিটিআৰত অস্ত্ৰৰ ঝনঝননিত ভোট নহয়, এতিয়া নমস্কাৰ আৰু প্ৰণামলৈ ভোট খুজিব লাগিব। বিটিআৰৰ ভিচিডিচি সমুক বৰালী মাছৰ দৰে গোটে গোটে গিলা বুলি মন্তব্য কৰি কয়যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ আঁচনি সমূহ ভিচিডিচিৰ বৰালি মাছৰ পেটলৈ যায় বুলি কটাক্ষ কৰে। বি টি আৰত বিজেপি চৰকাৰ আহিলে ভিচিডিচিত থকা মধ্যভোগীসকলক চাতাই কৰাৰ হুমকি দিয়ে মুখ্যমন্ত্ৰী ড০ শৰ্মাই। লগতে তেওঁ ২০০৩ চনৰ আগৰে পৰা ইয়াত বসবাস কৰা লোকসকলে মাটিৰ অধিকাৰ লাভ কৰা, অৰুণোদয় লগতে সকলো মহিলাই লাভ কৰিব বুলিও মন্তব্য কৰাৰ লগতে ৩০-১০ ইউপিপিএল আৰু বিপিএফ সৈতে ২০-২০খন আখন ভাগ বতৰা কৰি ৰাজ্যৰ মুখ্যমন্ত্ৰী হৈয়ে থাকিব পাৰিলো হয় যদিও মই বিটিআৰ বাসীৰ সমস্যা সমূহ সমাধান কৰিবৰ বাবে ভাৰতীয় জনতা পাৰ্টিয়ে নিৰ্বাচনত অকলে অবতীৰ্ণ হবলৈ ওলাইছো। লগতে মুখ্যমন্ত্ৰী ড° শৰ্মাই বিজেপিক জাতি-ধৰ্ম নিৰ্বিশেষ পুদুমৰ ছবিত ভোট দি বিটিআৰত ভাৰতীয় জনতা পাৰ্টীক একক ভাৱে পৰিষদীয় সমষ্টিত বিজয়ী কৰাবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই যেনেকৈ ৰাজ্য চৰকাৰে টকা নোখোৱাকৈ চৰকাৰী চাকৰিত শ্বস্বতাৰে নিবনুৱা যুৱক- যুৱতিক চৰকাৰী চাকৰিত নিযুক্তি দিছে থিক তেনেদৰে কোকৰাঝাৰত বিজেপিৰ চৰকাৰ আহিলে এটকাও ঘোষ নিদিয়াকৈ শ্বস্বতাৰে বিটিআৰ অঞ্চলৰ যুৱক-যুৱতিসকলে চৰকাৰী চাকৰিত নিযুক্তি লাভ কৰিব। ওদালগুৰিত ২০ হেজাৰতকৈ বেছি অৰুণোদয় আঁচনি দিয়াৰ লগতে গৰুৱাঝাৰত মহাবিদ্যালয়, কুলশী নদীৰ ওপৰত দলং, বাদলাপাৰাৰ শুকলাই-কালা নদীৰ ওপৰত দলং, মইনাগুৰিত মিনি পানী যোগান আঁচনি, ওৰঙ্গাজুলি খেল পথাৰখনক উন্নত খেলপথাৰলৈ, হাতীগড়ত মিনি খেল পথাৰলৈ, হাতীগড় উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ সংকল্প গ্ৰহণৰ লগতে খৈৰাবাৰী, ভেৰগাওঁ আৰু নৱৈ চেৰফাং পৰিষদী সমষ্টি তিনিটাত বিভিন্ন উন্নয়ন মূলক আঁচনিৰ ঘোষণা কৰে ড০ হিমন্ত বিশ্ব শৰ্মাই। কোকৰাঝাৰত এইবাৰ বিজে পিৰ চৰকাৰ নিশ্চিত বুলি সগৌৰবে ঘোষণা কৰে। ড০ শৰ্মাই ভাষণ প্ৰসংগত কৌশলগত ভাবে কয়যে বিপিএফ মোৰ শত্ৰু নহয় আৰু ইউ পি পি এলও মোৰ শত্ৰু নহয় কিন্তু বিজেপিয়ে ৰাইজৰ প্ৰবল দাবীত অকলে আগুৱাই যাব। বিজেপীক ৰাইজে ভোট দিলে কোকৰাঝাৰত বিজেপি চৰকাৰ হলেই ৰাইজে নিজকে দ্বিতীয় শ্ৰেণীৰ নাগৰিক বুলি পাৰিব আৰু জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেযে সকলো শ্ৰেণীৰ লোকে প্ৰথম শ্ৰেণীৰ সুবিধা লাভ কৰিব। বি টি আৰৰ বিগত নিৰ্বাচনৰ তুলনাত এইবাৰ বিজেপিৰ পক্ষত তিনিগুণ উৎসাহ ৰাইজৰ মাজত দেখিব পাইছোঁ বুলি কয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। ওদালগুৰি জিলা বিজেপিৰ উপ-সভাপতি বিকন চন্দ্ৰ ডেকাই আত ধৰা বিজয় সংকল্প সভাত ওদালগুৰি জিলা তত্ত্বাবধায়ক তথা অসম চৰকাৰ কেবিনেট মন্ত্ৰী পিযুষ হাজৰিকা, কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাৰ লগতে ভাৰতীয় জনতা পাৰ্টিৰ বিষয়া-ববীয়া আৰু সমষ্টিটোৰ আটাইকেইটা শক্তি কেন্দ্ৰৰ কৰ্মকৰ্তা সহ তিনিওখন সভাতে আঠ হেজাৰতকৈ অধিক লোক উপস্থিত থাকে।

## 'মন কি বাত'ৰ জৰিয়তে

অনুষ্ঠান 'মন কি বাত'ৰ জৰিয়তে ৩৪.১৩ কোটি টকাৰ উপাৰ্জন হৈছে। তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যিক মন্ত্ৰী এল মুৰুগানে জানিবলৈ দিয়ে যে অল ইণ্ডিয়া ৰেডিঅ'ৰ দ্বাৰা প্ৰস্তুত এই কাৰ্যসূচীৰ সম্প্ৰচাৰৰ বাবে কোনো অতিৰিক্ত ব্যয় হোৱা নাছিল। ২০১৪ চনৰ ৩ অক্টোবৰত প্ৰথমবাৰ সম্প্ৰচাৰিত এই অনুষ্ঠানটো প্ৰতি মাহৰ শেষ দেওবাৰে অল ইণ্ডিয়া ৰেডিঅ'ৰ ৪৮টা চেনেল, দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় তথা আঞ্চলিক চেনেলসমূহ, ডি ডি ফ্ৰী ডিচৰ ৯২টা টিভি চেনেল, পিএমঅ' ইণ্ডিয়াৰ ইউটিউব চেনেল, প্ৰসাৰ ভাৰতীৰ অ'টিটি প্লেটফৰ্ম ৱেভছ আৰু 'NewsOnAir' মোবাইল এপৰ জৰিয়তে দেশৰ এক বৃহৎ জনসংখ্যাৰ মাজত সম্প্ৰচাৰিত হয়। মুৰুগানে কয় যে এই অনুষ্ঠানৰ জৰিয়তে উল্লেখযোগ্য উপাৰ্জনৰ লগতে জনসাধাৰণৰ মাজত ব্যাপক জনপ্ৰিয়তাও লাভ কৰিছে। যোৱা মাহৰ শেষ দেওবাৰে সম্প্ৰচাৰিত 'মন কি বাত'ৰ শেহতীয়া খণ্ডত প্ৰধানমন্ত্ৰী মোদীয়ে বংগৰ অগ্নি যুগৰ বিপ্লৱী খুদিৰাম বসুক স্বাধীনতা আন্দোলনৰ এক উজ্জ্বল নিদৰ্শন হিচাপে স্মৰণ কৰি আগষ্ট মাহৰ গুৰুত্বপূৰ্ণ ঘটনাসমূহৰ ওপৰত আলোকপাত কৰিছিল।

## মঙ্গলদৈ-মাঝিকুছিপথ

of Development of North Eastern Region) অসমত ৪৫.৩১ কোটি টকা ব্যয় সাপেক্ষে ১৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ মঙ্গলদৈ-মাঝিকুছি পথ নিৰ্মাণৰ বাবে অনুমোদন জনাইছে। উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনি (এনইএছআইডিএছ)ৰ অধীনত এই প্ৰকল্পটো ৰূপায়ণ কৰা হ'ব। প্ৰকল্পটোৰ মূল বৈশিষ্ট্যসমূহৰ ভিতৰত আছেঃ এই পথটো দৰং জিলাৰ সদৰ মঙ্গলদৈ আৰু ওদালগুৰি জিলাৰ মহকুমা সদৰ ভেৰগাঁৱৰ পোনপটীয়া সংযোগস্থল হ'ব। ইয়াৰ ফলত মঙ্গলদৈ আৰু ভেৰগাঁৱৰ মাজৰ দূৰত্ব ৭.২ কিলোমিটাৰ হ্ৰাস পাব। ইয়াৰ জৰিয়তে দেওমৰনৈ মহাবিদ্যালয়কে ধৰি ৭খন শিক্ষানুষ্ঠানৰ সুলভতা বৃদ্ধি কৰিব। এই পথটোৱে পাথৰিঘাট কৃষক শ্বহীদ স্মৃতিসৌধ আৰু খতৰা সত্ৰ, ঐতিহাসিক লখিমপুৰ পুখুৰী, ৰামগাঁও পুখুৰী আদি গুৰুত্বপূৰ্ণ পৰ্যটন স্থানসমূহৰ সৈতে সংযোগ উন্নত কৰিব। মন কৰিবলগীয়া যে এনইএছআইডিএছ (পথ) ভাৰতৰ উত্তৰ-পূবাঞ্চলৰ আন্তঃগাঁথনি বৃদ্ধিৰ বাবে ডিজাইন কৰা উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনিৰ (এনইএছআইডিএছ) এটা গুৰুত্বপূৰ্ণ উপাদান। ভাৰত চৰকাৰৰ সম্পূৰ্ণ পুঁজিৰে এনইএছআইডিএছ নিজ নিজ ৰাজ্য চৰকাৰৰ সহযোগত এমড'নাৰৰ দ্বাৰা নিখুঁতভাৱে নিৰীক্ষণ আৰু তত্ত্বাৱধান কৰা হয়। চাৰিখন ফ্লেগশ্বিপ আঁচনিৰ জৰিয়তে অঞ্চলটোৰ উন্নয়নক আগুৱাই নিয়াত এমড'নাৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, যেনে-পিএম ডিভাইন আঁচনি, উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনি (এনইএছআইডিএছ)—পথ, উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনি (এনইএছআইডিএছ) — অ'টিআৰআই, আৰু উত্তৰ-পূব পৰিষদৰ আঁচনি (এনইচি)।

## লাভ জেহাদৰ নেতৃত্ব

প্ৰিন্স পাঠকে। পাঠকে দাবী কৰে যে, অখিল গগৈয়ে অবৈধভাৱে ভূমি দখল কৰি উচ্ছেদিত হোৱা মহিলাৰ লগত অন্তৰংগ সম্পৰ্ক স্থাপন কৰি ভোট জয়ৰ বাবে ৰাজনৈতিক কৌশল সাজু কৰিছে। শিৱসাগৰৰ ৰাইজে এনে ব্যৱহাৰ দৃঢ়ভাৱে অস্বীকাৰ কৰিব বুলি উল্লেখ কৰে। শিৱসাগৰ জিলাৰ আমগুৰিত অৱস্থিত অসমীয়া যুৱ মঞ্চ ৰ কাৰ্যালয়ত অনুষ্ঠিত এক অনুষ্ঠানত কেন্দ্ৰীয় সাধাৰণ সম্পাদক অনুপম শইকীয়া আৰু সহকাৰী সম্পাদক আকাশ শইকীয়াৰ উপস্থিতিত বৈকুণ্ঠ প্ৰিন্স পাঠকক মুখ্য সাংগঠনিক সম্পাদকৰ দায়িত্ব প্ৰদান কৰা হয়। দায়িত্ব গ্ৰহণৰ সময়ত পাঠকে অখিল গগৈৰ বিৰুদ্ধে এইদৰে কঠোৰ মন্তব্য প্ৰকাশ কৰে। অনুষ্ঠানত উপস্থিত কেন্দ্ৰীয় সাধাৰণ সম্পাদক অনুপম শইকীয়াই কয়, লাভ জেহাদৰ পিছত এতিয়া মিঞা সম্প্ৰদায়ে ভূমি জেহাদ আৰম্ভ কৰিছে। তেওঁ অভিযোগ কৰিছে যে মিঞা সম্প্ৰদায়কেই অসমীয়া ছোৱালীক প্ৰলোভনেৰে বিয়া কৰায় জোঁৱাই গাঁও নিৰ্মাণ আৰু ভূমি দখলৰ পটভূমি সৃষ্টিৰ পৰিকল্পনা কৰিছে। ইউনিচ তামুলীৰ দৰে ব্যক্তিসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ হুংকাৰ প্ৰদান কৰাৰ লগতে স্থানীয় ৰাইজক মিঞা সম্প্ৰদায়ক সুবিধা প্ৰদান বন্ধ কৰাৰ আবেদন জনায়। সেইদৰে সহকাৰী সম্পাদক আকাশ বীৰ শইকীয়াই কয়, অসমত মিঞা সম্প্ৰদায়ে কাম কৰিবলৈ আহিলে প্ৰথমে ভাড়াঘৰত থাকিবলৈ বাধ্য হয়, কিন্তু পাছত অসমীয়া ছোৱালীক লাভ জেহাদৰ বলি কৰি ভূমি দখল কৰে। আকাশ শইকীয়াই অভিযোগ কৰে যে এনে বক্তিসকলক ১৪-১৫ আগষ্টৰ পৰিৱৰ্তে আজিৰ পৰাই অসম এৰিবলৈ বাধ্য কৰোৱা হ'ব।

## পঢ়া-শুনা নকৰা,

ফুৰা ল'ৰা" বুলি আখ্যা দি তেওঁৰ কাৰ্যকলাপক মুখ্যমন্ত্ৰীৰ এজেণ্ডাৰ অংশ বুলি অভিহিত কৰে। তেওঁ অভিযোগ কৰে যে, শৃংখল চলিহাৰ মাধ্যমেৰে মুখ্যমন্ত্ৰী শিৱসাগৰত ৰাজনৈতিক পৰিৱৰ্তনৰ চেষ্টা কৰিছে। অখিল গগৈয়ে কয়, "শৃংখল চলিহাৰ কাৰ্যকলাপ হিন্দু-মুছলমানৰ মাজত বিভেদ সৃষ্টিৰ বাবে পৃষ্ঠপোষকতা প্ৰদান কৰাৰ এক পৰিকল্পিত প্ৰয়াস। তেওঁৰ এই কাৰ্যকলাপক আন্দোলন বুলি ক'ব নোৱাৰি, এয়া সম্পূৰ্ণ নৈৰাজ্যবাদ। শৃংখলৰ এই কাৰ্যৰ জৰিয়তে চৰকাৰৰ বাবে সুবিধাজনক পৰিস্থিতি সৃষ্টি কৰা হৈছে, যিটো তেওঁৰ জীৱন-জীৱিকাৰ অংশ হৈ পৰিছে।" গগৈয়ে আৰু অভিযোগ কৰে যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এজেণ্ডাৰ অংশ হিচাপে শৃংখল চলিহাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত তেওঁক শিৱসাগৰৰ পৰা প্ৰতিদ্বন্দ্বিতাৰ পৰা আঁতৰাই ৰাখিবলৈ চেষ্টা কৰিছে। তেওঁ কয়, "২০২১ চনৰ পৰা মই বিধানসভাত চৰকাৰৰ বিৰুদ্ধে সৰ্বাধিক প্ৰশ্ন উত্থাপন কৰিছো আৰু জবাবদিহিতা দাবী কৰিছো। মোৰ যুক্তিৰ সন্মুখত হিমন্ত বিশ্ব শৰ্মাৰ প্ৰত্যুত্তৰ দিবলৈ অসুবিধা হৈছে। সেয়েহে তেওঁ শৃংখল চলিহাৰ জৰিয়তে মোক ৰাজনৈতিকভাৱে দুৰ্বল কৰিবলৈ চেষ্টা কৰিছে।" গগৈৰ মতে, শৃংখল চলিহাই শিৱসাগৰক তেওঁৰ হাতৰ পৰা কাঢ়ি লৈ বিজেপি আৰু আৰএছএছৰ হাতত তুলি দিয়াৰ পৰিকল্পনা কৰিছে। তেওঁ অভিযোগ কৰে, "শৃংখলৰ এই পৰিকল্পনাৰ জৰিয়তে শিৱসাগৰক এজন দুধৰ্ষ সন্ত্ৰাসবাদীৰ হাতত তুলি দিয়াৰ চেষ্টা চলিছে। এই পৰিকল্পনাৰ মাধ্যমেৰে ব্যৱসায়ীসকলক ধমকি দি অৰ্থ সংগ্ৰহৰ এক পৰিকল্পিত ষড়যন্ত্ৰ চলিছে।" অখিল গগৈয়ে স্পষ্ট কৰি কয়, "মই কেতিয়াও মিঞা প্ৰীতি নেদেখুৱাও, মই মানুহৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰোঁ। যদি কোনো শ্ৰমজীৱী ভাৰতীয় নাগৰিক বিপদত পৰে, তেন্তে মই কাৰো অনুমতি নোলোৱাকৈ তেওঁৰ সহায়ৰ বাবে আগবাঢ়ি যাম। কিন্তু বিদেশী বা মিঞাৰ প্ৰতি কোনো ধৰ্মীয় পক্ষপাতিত্ব মোৰ নাই। মানুহ হিচাপে মই কোমল হৃদয়ৰ, কিন্তু সংগ্ৰামী হিচাপে মই অসমৰ আটাইতকৈ কঠিন ব্যক্তি।" অখিল গগৈৰ এই মন্তব্যই শিৱসাগৰত ৰাজনৈতিক পৰিৱৰ্তনৰ সম্ভাৱনাৰ ইংগিত দিছে। তেওঁৰ অভিযোগ অনুসৰি, শৃংখল চলিহাৰ কাৰ্যকলাপৰ জৰিয়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজনৈতিক স্বাৰ্থ হাচিল কৰিবলৈ চেষ্টা কৰিছে। এই সমালোচনাই শিৱসাগৰৰ ৰাজনৈতিক পৰিস্থিতিত নতুন বিতৰ্কৰ সৃষ্টি কৰিব পাৰে। আগন্তুক দিনত এই পৰিস্থিতিৰ প্ৰভাৱ কেনেকৈ প্ৰকাশ পায়, সেয়া লক্ষণীয় হৈ ৰ'ব।

## NHPC বিপজ্জনক বুলি

দেশত বৰ্তমান ২৫ মেগাৱাটৰ ওপৰৰ ক্ষমতাসম্পন্ন ২০৯টা জলবিদ্যুৎ প্ৰকল্প সক্ৰিয় অৱস্থাত আছে, যাৰ মুঠ সংযুক্ত ক্ষমতা ৪৩.১৮ গিগাৱাট। নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ সম্ভাৱ্য বিপদৰ কথা ৰাজ্যৰ বিশেষজ্ঞসকলে বহু দিনৰ পৰা উত্থাপন কৰি আহিছে। এই প্ৰকল্পৰ ফলত জনজীৱন আৰু জৈৱ বৈচিত্ৰ্যৰ ওপৰত গুৰুতৰ প্ৰভাৱ পৰাৰ আশংকা প্ৰকাশ পাইছে। ইতিমধ্যে ঘটি যোৱা কেইবাটাও ঘটনাই এই আশংকাৰ সত্যতা প্ৰমাণ কৰিছে। বৰ্তমানলৈকে এই প্ৰকল্প কাৰ্যক্ষম কৰিব পৰা নাই, যিয়ে ইয়াৰ সম্ভাৱ্য ভয়াৱহতাৰ বিষয়ে পূৰ্বৰ দাবীক আৰু জোৰদাৰ কৰিছে। আজি লোকসভাত মন্ত্ৰী নায়কৰ বক্তব্যই এই বিষয়টোক আৰু স্পষ্ট কৰিছে। মন্ত্ৰীগৰাকীয়ে আৰু জনাইছে যে দেশৰ সকলো জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ পূৰ্বে পৰিবেশ, বন আৰু জলবায়ু পৰিবৰ্তন মন্ত্ৰণালয়ৰ পৰা অনুমোদন লাভ কৰিছে। তথাপি, হিমালয়ৰ উচ্চভূমি অঞ্চলত অৱস্থিত প্ৰকল্পসমূহক Central Electricity Authorityই বিপদজনক হিচাপে শ্ৰেণীভুক্ত কৰিছে। এই প্ৰকল্পসমূহত Early Warning System স্থাপন কৰাটো বাধ্যতামূলক কৰা হৈছে। ইয়াৰ উপৰিও, Central Electricity Authorityই এই প্ৰকল্পৰ সৈতে জড়িত সংস্থাসমূহক প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰি আহিছে। উল্লেখযোগ্য যে, অসমৰ নামনি সোৱণশিৰিৰ উপৰিও ৰঙানদী আৰু কামেং জলবিদ্যুৎ প্ৰকল্পকো বিপদজনক হিচাপে চিহ্নিত কৰা হৈছে। ইয়াৰ বাহিৰেও অৰুণাচল প্ৰদেশ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড আৰু জম্মু-কাশ্মীৰৰ কেইবাটাও জলবিদ্যুৎ প্ৰকল্প এই তালিকাত অন্তৰ্ভুক্ত। এই প্ৰকল্পসমূহৰ সম্ভাৱ্য বিপদৰ পৰিপ্ৰেক্ষিতত সুৰক্ষা ব্যৱস্থা জোৰদাৰ কৰাৰ প্ৰয়োজনীয়তা পুনৰ স্পষ্ট হৈ পৰিছে।

## সোমবাৰে সংসদত উত্থাপন

বিজেপিৰ সাংসদ বৈজয়ন্ত জয় পাণ্ডাৰ অধ্যক্ষতাত নিৰ্বাচিত সমিতিৰ অধিকাংশ পৰামৰ্শ সন্নিবিষ্ট কৰা আয়কৰ বিধেয়কৰ নতুন সংস্কৰণ সোমবাৰে সংসদত উত্থাপন কৰা হ'ব। বিধেয়কখনৰ একাধিক সংস্কৰণৰ দ্বাৰা বিভ্ৰান্তিৰ পৰা হাত সাৰিবলৈ আৰু অন্তৰ্ভুক্ত কৰা সকলো পৰিৱৰ্তনৰ সৈতে এটা স্পষ্ট আৰু নবীকৃত সংস্কৰণ প্ৰদান কৰিবলৈ আয়কৰ বিধেয়কৰ নতুন সংস্কৰণ সদনৰ বিবেচনাৰ বাবে উত্থাপন কৰা হ'ব। আইনখন পৰ্যালোচনাৰ বাবে দায়বদ্ধ সংসদীয় নিৰ্বাচিত সমিতিৰ অধ্যক্ষতা কৰা পাণ্ডাৰ মতে, এই নতুন আইনখনে এবাৰ গৃহীত হ'লে ভাৰতৰ দশক দশক পুৰণি কৰ গাঁথনি সৰল কৰি তুলিব, আইনী বিভ্ৰান্তি কমাব, আৰু ব্যক্তিগত কৰদাতা আৰু এমএছএমইক অপ্ৰয়োজনীয় গোচৰৰ পৰা হাত সাৰিবলৈ সহায় কৰিব। "১৯৬১ চনৰ বৰ্তমানৰ আয়কৰ আইনখনত ৪ হাজাৰতকৈ অধিক সংশোধনী কৰা হৈছে আৰু ইয়াত ৫ লাখৰো অধিক শব্দ আছে। ই অতি জটিল হৈ পৰিছে। নতুন বিধেয়কখনে সেইটো প্ৰায় ৫০ শতাংশ সৰল কৰি তুলিছে - যাৰ ফলত সাধাৰণ কৰদাতাসকলে পঢ়িবলৈ আৰু বুজিবলৈ বহুত সহজ হৈ পৰিছে"; পাণ্ডাই সংবাদ সংস্থা আইএনএছক কয়। তেওঁ আৰু কয় যে এই সৰলীকৰণৰ সৰ্বাধিক লাভৱান হ'ব ক্ষুদ্ৰ ব্যৱসায়ৰ মালিক আৰু এমএছএমই যিসকলৰ প্ৰায়ে জটিল কৰ গাঁথনিত বুজিবলৈ কৰিবলৈ আইনী আৰু বিত্তীয় বিশেষজ্ঞতাৰ অভাৱ হয়। দেশৰ শ্ৰমিক আৰু মধ্যবিত্তীয় জনসংখ্যাৰ ওপৰত কোনো অতিৰিক্ত বোজা নিশ্চিত নকৰাকৈ প্ৰত্যক্ষ কৰ ব্যৱস্থাৰ ন্যায্য আৰু সমতাপূৰ্ণ ব্যৱস্থা গঢ়ি তোলাত নতুন ব্যৱস্থাসমূহে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব। সকলো কৰদাতাক উপকৃত কৰিবলৈ সমগ্ৰ ব'ৰ্ডতে স্লেব আৰু ৰেট সলনি কৰা হৈছে। চৰকাৰে জনোৱা মতে, নতুন গাঁথনিয়ে মধ্যবিত্ত শ্ৰেণীৰ কৰ যথেষ্ট হ্ৰাস কৰি তেওঁলোকৰ হাতত অধিক ধন এৰি দিব, যাৰ ফলত পৰিয়ালৰ ব্যৱহাৰ, সঞ্চয় আৰু বিনিয়োগ বৃদ্ধি পায়। বিত্ত আইন, ২০২৫ৰ অধীনত আইনৰ ১১৫ বিএচি ধাৰাত নতুন কৰ ব্যৱস্থাৰ অধীনত কৰযোগ্য আৱাসী ব্যক্তিৰ বাবে আয়কৰ আইন, ১৯৬১ৰ ধাৰা ৮৭এৰ অধীনত কৰ ৰেহাই দাবী কৰাৰ আয়ৰ সীমা ৭ লাখৰ পৰা ১২ লাখ টকালৈ বৃদ্ধি কৰা হৈছে, আৰু সৰ্বোচ্চ ৰেহাইৰ পৰিমাণ ২৫, ০০০ টকাৰ পৰা ৬০ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। বিত্ত মন্ত্ৰালয়ৰ মতে, নতুন কৰ ব্যৱস্থাৰ অধীনত পূৰ্বে প্ৰদান কৰা ধৰণে প্ৰান্তীয় সকাহ ১২, ০০, ০০০ টকাতকৈ প্ৰান্তীয়ভাৱে অধিক আয়ৰ ক্ষেত্ৰতো প্ৰযোজ্য। নতুন আয়কৰ বিধেয়কখনে সাধাৰণ নাগৰিক আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ বাবে কৰ দাখিল কৰাটো সহজ কৰি তুলিব।

## মহানগৰীৰ বৰা চাৰ্ভিছত

ব্যৱসায়ৰ তথ্য পোহৰলৈ আহিছে। যোৱা নিশা বৰা চাৰ্ভিছৰ হোটেল বিলাসত পল্টন বজাৰ আৰক্ষীয়ে চলাইছিল এক অভিযান। এই অভিযানত আৰক্ষীয়ে আটক কৰিছে মেনেজাৰ সীমান্ত বৰাসহ হোটেলখনৰ স্বত্বাধিকাৰী কিৰণ গগৈক। হোটেলখনৰ বিৰুদ্ধে অনলাইনযোগে দেহ ব্যৱসায় চলাই থকাৰ গুৰুতৰ অভিযোগ উঠিছে। হোটেলৰ মেনেজাৰৰ ফোনত আৰক্ষীয়ে দেহ ব্যৱসায় চলাই থকাৰ বহু বিস্ফোৰক তথ্যও লাভ কৰিছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে শেহতীয়াকৈ জয়া নগৰৰ 'বাপ্তিছ ইন' নামৰ এটা গেষ্ট হাউচত চলি থকা দেহ ব্যৱসায়ৰ চক্ৰ ধৰা পৰিছিল আৰক্ষীৰ জালত। দিলীপ হাজৰিকা নামৰ এজন লোকে কামৰ প্ৰলোভনেৰে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা যুৱতী আনি এই ব্যৱসায় চলাই থকাৰ অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে আৰক্ষীয়ে এই অসামাজিক কাৰ্যকলাপৰ সৈতে জড়িত কেইবাজনো লোকক আটক কৰিছে। আৰক্ষীৰ তথ্য অনুসৰি, এই ব্যৱসায়ত নিয়োজিত যুৱতীসকলৰ ছবি হোৱাটছ্এপ যোগে গ্ৰাহকলৈ প্ৰেৰণ কৰা হয় আৰু মূল্য নিৰিখ কৰা হয়। তাৰ পিছতে এই গেষ্ট হাউচটোত চলোৱা হয় অনৈতিক কাৰ্যকলাপ। সম্প্ৰতি এই ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে। তাৰ মাজতে এতিয়া বৰা চাৰ্ভিচত এনে অনুৰূপ কাণ্ড পোহৰলৈ আহিছে। ইয়াৰ পিছতে এতিয়া সচেতন মহলৰ মাজত এনেধৰণৰ কাৰ্যকলাপ বৃদ্ধি পোৱাক লৈ নানা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে।

# প্ৰাক্তন ছাত্ৰ নেতা, অৱসৰপ্ৰাপ্ত শিক্ষক দেবেন চন্দ্ৰ বড়োক অগপৰ বকোৰ প্ৰাৰ্থী হিচাপে ঘোষণাৰ দাবী

**অসম বাৰ্তা, বকো, ৮ আগষ্ট ঃ** ৰাজনৈতিক মঞ্চও সমাজ সেৱাৰ এক উপযুক্ত স্থান ইয়াক সদ ব্যৱহাৰ কৰাটো কঠিন। কিন্তু ইচ্ছা প্ৰকাশ কৰিলে ৰাজনৈতিক চিন্তাধাৰাৰে সমাজৰ কাম কৰিব পাৰি - এনে উক্তি আৰু যুক্তিৰে আজি সাংবাদিকৰ আগত মত ব্যক্ত কৰিলে বকো বামুণীগাওঁৰ দেবেন চন্দ্ৰ বড়োই। কামৰূপ জিলাৰ বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত চৌধুৰীপাৰাৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা বৃহত্তৰ অঞ্চলটোৰ সমাজ সচেতন ব্যক্তি দেবেন চন্দ্ৰ বড়োই শিক্ষকতা কৰা কালত কৰ্ম উদ্যমৰ বাবে ২০১৫ চনত চৰকাৰী স্বীকৃতি প্ৰাপ্ত ৰাষ্ট্ৰীয় শিক্ষক ৰত্ন বঁটা লাভ কৰাৰ উপৰিও ২০২০ চনত অসম চৰকাৰৰ কৃতি শিক্ষকৰ বঁটা লাভ কৰিছিল। সম্প্ৰতি দেবেন চন্দ্ৰ বড়ো অৱসৰী শিক্ষক আৰু সামাজিক দায়বদ্ধতাত কাম কাজ চলাই অহা সমাজৰ আগৰণুৱা ব্যক্তি। উল্লেখ্য যে অসমৰ অস্তিত্ব ৰক্ষা সংগ্ৰামৰ অন্যতম যোদ্ধা আৰু সেই সময়ৰ ১৯৮৬ চনৰ পৰা দুটা কাৰ্য্যকালত সদৌ অসম ছাত্ৰ সন্থাৰ ছয়গাঁও আঞ্চলিক সমিতিৰ সভাপতি হিচাপে দায়িত্ব পালন কৰিছিল। ইফালে সুদীৰ্ঘ দিন ধৰি অসম গণ পৰিষদৰ আঞ্চলিক; জিলাৰ উপৰিও কেন্দ্ৰীয় সমিতিৰ বিষয় ববীয়া হৈ আঞ্চলিকতাবাদী দ'ল অসম গণ পৰিষদৰ সেৱাত ব্ৰতী হৈ আহিছে। ইফালে সমাগত ২০২৬ ইংৰাজী বৰ্ষত অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনত কামৰূপ জিলাৰ বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচন খেলি অসম বিধানসভাত আসন দখলৰ চেষ্টা অব্যাহত ৰাখিছে বুলিও জানিব পৰা গৈছে। যিহেতু বকো-ছয়গাঁও বিধানসভা সমষ্টিটো অহা নিৰ্বাচনত অনুসুচীত জনজাতিৰ বাবে সংৰক্ষিত সমষ্টি। সেয়ে সমাগত দিনত সমষ্টিটো অসম গণ পৰিষদৰ দখলত ৰাখিবলৈ চেষ্টা অব্যাহত ৰাখি কাম কাজ চলাই আহিছে বুলি জানিব পৰা গৈছে। আনহাতে সমষ্টিৰ সকলো শ্ৰেণীৰ লোক তথা ভোটাৰৰ জনপ্ৰিয় নেতা দেবেন চন্দ্ৰ বড়োক দলে প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিলে সমষ্টিটো অসম গণ পৰিষদৰ দখলত থকাটো নিশ্চিত হৈ পৰিছে বুলি ঘোষণা কৰে দলীয় কৰ্মীয়ে।

# নাওবৈচাৰ ফুকনদলনিত চলিল প্ৰশাসনৰ উচ্ছেদ অভিযান; ২৩৭ বিঘা ভূমিৰ পৰা ১১৪টা পৰিয়ালক উচ্ছেদ

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ৮ আগষ্ট ঃ** লখিমপুৰ জিলাৰ নাওবৈচাৰ ফুকনদলনি গ্ৰেজিঙত ৭ আগষ্টৰ নিশালৈকে চলা উচ্ছেদ অভিযানত ২৩৭ বিঘা ভূমিৰ পৰা ১১৪ টা পৰিয়ালক উচ্ছেদ কৰা হয়।পুৱা ৫ বজাৰ পৰাই চলা এই উচ্ছেদ অভিযানত ১১৪টাকৈ পৰিয়ালে বেদখল কৰি ৰখা ২৩৭ বিঘা ভূমি প্ৰশাসনে বেদখলমুক্ত কৰে। যোৱা ৩১ জুলাইত বেদখলকৃত পৰিয়ালসমূহলৈ ৭ দিনৰ সময়সীমাৰে জাননী প্ৰেৰণ কৰিছিল প্ৰশাসনে। ফুকনদলনী ৰাজহ গাঁৱৰ ২২নং দাগত মুঠ ২৩৭ বিঘা ভূমিৰে আগুৰি থকা ফুকনদলনী গ্ৰেজিং এলেকাটোত দীৰ্ঘদিনে বসবাস কৰি আছিল ১১৪টা পৰিয়ালে। উল্লেখযোগ্য যে বিগত বছৰবোৰত এই ১১৪টাকৈ পৰিয়ালে প্ৰশাসনৰ জাননী সত্বেও ফুকনদলনীত ১৩০টাৰো অধিক বৃহৎ বৃহৎ পুখুৰী খন্দাৰ লগতে পকী বাসগৃহ নিৰ্মাণ কৰিছিল। কিন্তু প্ৰশাসনৰ জাননী পোৱাৰ পাছত উপায়ান্তৰ হৈ তেওঁলোকৰ বিভিন্ন মূল্যবান বয়-বস্তু লৈ উক্ত স্থান ত্যাগ কৰে। আনহাতে উচ্ছেদৰ জাননী পাই পৰিয়ালসমূহে পুখুৰীসমূহত থকা মাছসমূহ বিক্ৰী কৰে আৰু আজি উচ্ছেদৰ সময়ছোৱাতো বেদখলকাৰীয়ে তেওঁলোকৰ পকীগৃহৰ ইটা ভাঙি লৈ যোৱাৰ সমান্তৰালকৈ অন্যান্য সামগ্ৰী পৰ্যায়ক্ৰমে লৈ যায়। প্ৰশানৰ এই উচ্ছেদৰ সময়ছোৱাত ৪খনকৈ ফকলেন, ৮খনকৈ জে চি বি ব্যৱহাৰ কৰে আৰু এই অভিযানত স্থানীয় ৰাইজে সহযোগিতা আগবঢ়ায়।

## যৌন সন্মতিৰ বয়স

কৰিছে যে যৌন সম্পৰ্কৰ ক্ষেত্ৰত সন্মতিৰ বয়স ১৮ বছৰ নিৰ্ধাৰণ কৰাটো যুক্তিসংগত আৰু গ্ৰহণযোগ্য। চৰকাৰৰ মতে, এই বয়সৰ সীমা হ্ৰাস কৰিলে শিশু সুৰক্ষাৰ কাঠামো দুৰ্বল হোৱাৰ আশংকা থাকে আৰু POCSO আইনৰ অপব্যৱহাৰৰ সম্ভাৱনা বৃদ্ধি পায়। উচ্চতম ন্যায়ালয়ত বিচাৰাধীন এটা গোচৰত জ্যেষ্ঠ অধিবক্তা ইন্দিৰা জয়ছিঙে যুক্তি দাঙি কৈছে যে কিশোৰ-কিশোৰীৰ মাজত পাৰস্পৰিক সন্মতিৰে গঢ়ি উঠা সম্পৰ্ককো POCSO আইনৰ অধীনত অপৰাধ হÂœ ¢ হচাপে গণ্য কৰা হয়। তেওঁ সন্মতিৰ বয়স ১৮ৰ পৰা ১৬লৈ হ্ৰাস কৰাৰ পোষকতা কৰিছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে এই প্ৰস্তাৱৰ বিৰোধিতা কৰি কয় যে আইন শিথিল কৰিলে নাবালকসকল 'সন্মতি'ৰ অজুহাতত যৌন শোষণৰ বলি হ'ব পাৰে। আত্মীয়, পৰিয়াল বা চিনাকি ব্যক্তিৰ দ্বাৰা শোষণৰ ক্ষেত্ৰতো অভিযুক্তই 'সন্মতি'ৰ যুক্তি দি নিজৰ নিৰ্দোষিতা প্ৰমাণৰ চেষ্টা কৰিব পাৰে, যাৰ ফলত ন্যায় প্ৰদানত বাধাৰ সৃষ্টি হ'ব। ইয়াৰ উপৰিও POCSO আইন আৰু ভাৰতীয় দণ্ডবিধিৰ সংশোধিত সংস্কৰণৰ (ভাৰতীয় দেৱানী বিধি সংহিতা) ফলপ্ৰসূতা ক্ষতিগ্ৰস্ত হ'ব। চৰকাৰৰ শপতনামাত উল্লেখ কৰা হৈছে যে পৃথক গোচৰত আদালতে প্ৰয়োজন অনুসৰি শিথিলতা প্ৰদান কৰিব পাৰে, কিন্তু আইনৰ সাধাৰণ কাঠামোত কোনো শিথিলতা অনুমোদন কৰা উচিত নহয়। এনে কৰিলে 'প্ৰেম সম্পৰ্ক'ৰ নামত শিশুৰ শাৰীৰিক আৰু মানসিক শোষণ বৃদ্ধি পাব পাৰে, আনকি শিশু সৰবৰাহৰ ঝুঁকিও বাঢ়িব। চৰকাৰৰ মতে, নাবালকৰ মানসিক আৰু শাৰীৰিক অৱস্থাৰ কথা বিবেচনা কৰি ১৮ বছৰৰ তলৰ যৌন সম্পৰ্কক অপৰাধ হিচাপে গণ্য কৰা হৈছে। এই অৱস্থান সংবিধান আৰু শিশু সুৰক্ষাৰ নীতিৰ সৈতে সামঞ্জস্যপূৰ্ণ আৰু ইয়াক অযুক্তিকৰ বা স্বেচ্ছাচাৰী বুলি ক'ব নোৱাৰি। উচ্চতম ন্যায়ালয়ত বিচাৰাধীন গোচৰটোৰ মূল বিষয় হ'ল কিশোৰ-কিশোৰীৰ সম্পৰ্কক আইনৰ দৃষ্টিকোণৰ পৰা কেনেদৰে বিবেচনা কৰা হ'ব। এই বিষয়ত আদালতে এতিয়াও চূড়ান্ত ৰায় প্ৰদান কৰা নাই। কেন্দ্ৰই দেশৰ বিভিন্ন উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ কেইবাটাও ৰায়ৰ উল্লেখ কৰি কৈছে যে ১৮ বছৰৰ বয়সৰ সীমা আইনগতভাৱে শুদ্ধ আৰু যুক্তিসংগত। এই কাঠামো সলনি কৰিলে শিশুৰ প্ৰতিৰোধী ক্ষমতা হেৰাই যাব, যাৰ ফলত শিশু সুৰক্ষাৰ মূল উদ্দেশ্যই বিঘ্নিত হ'ব।

## শৃংখল চলিহাক এমাহৰ

মিঞা খেদা আন্দোলনক কেন্দ্ৰ কৰি সৃষ্টি হোৱা উত্তপ্ত আৰু উদ্বেগজনক পৰিস্থিতিৰ মাজত এই নিৰ্দেশ জাৰি কৰা হৈছে। শিৱসাগৰত অনুষ্ঠিত এক নাগৰিক সভাত শৃংখল চলিহাই ৰংঘৰ চাৰিআলিৰ এক ঘটনাৰ কথা উল্লেখ কৰি দাবী কৰিছিল যে বিশেষ সম্প্ৰদায়ৰ লোকে তেওঁৰ বিৰুদ্ধে দা আৰু কুঠাৰ লৈ ধৰ্মীয় শ্লোগান দিছিল। কিন্তু এই সভাতে সাংবাদিক অনন্ত স্মিথ আৰু ভৈৰৱ মুণ্ডাই শৃংখলৰ এই দাবীৰ সত্যতা নাকচ কৰে। তেওঁলোকে জানিবলৈ দিয়ে যে ৰংঘৰ চাৰিআলিৰ ঘটনাৰ সময়ত তেওঁলোক উপস্থিত আছিল আৰু কোনো ধৰ্মীয় শ্লোগান বা দা-কুঠাৰৰ ঘটনা সংঘটিত হোৱা নাছিল। আৰক্ষীৰ ভাষ্যৰ উদ্ধৃতিৰ জৰিয়তেও এই কথা প্ৰমাণিত হৈছিল। এই ঘটনাৰ পিছতে শৃংখল চলিহাই নাগৰিক সভাস্থলী ত্যাগ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰণ্টু পানীফুকনে এক নিৰ্দেশনা জাৰি কৰি শৃংখলক এমাহৰ বাবে সংগঠনৰ কাৰ্যকলাপৰ পৰা আঁতৰাই ৰাখে। নিৰ্দেশনাত উল্লেখ কৰা হৈছে, "আজিৰ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ ৮ ছেপ্টেম্বৰ ২০২৫লৈ শৃংখল চলিহাক সামাজিক মাধ্যম, সংবাদ মাধ্যম আৰু সংগঠনৰ সকলো কাৰ্যকৰ্মৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ দিয়া হ'ল। এই সময়ছোৱাত তেওঁক পৰিয়ালৰ সৈতে সময় অতিবাহিত কৰাৰ পৰামৰ্শ দিয়া হৈছে।" ইয়াৰ উপৰিও উল্লেখযোগ্য যে, কিছুদিন পূৰ্বে ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে শৃংখল চলিহাৰ বিৰুদ্ধে সাম্প্ৰদায়িকতাৰ অভিযোগ উত্থাপন কৰি ৰণ্টু পানীফুকনলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল।

## ধিং আৰক্ষী নিৰেশত ধিং বৈদ্যুতিক উপ-সংমণ্ডৰ এজাহাৰ দাখিল

# বিদ্যুৎ চুৰি কৰি ই-ৰিক্সা চাৰ্জৰ ফলত ধিঙৰ টুকটুকীত কিশোৰৰ মৃত্যু, শোকৰ ছাঁ

**অসম বাৰ্তা, টুকটুকী, ৮ আগষ্ট ঃ** নগাঁও জিলাৰ ধিং বৈদ্যুতিক উপ- সংমণ্ডলে নিয়মীয়াকৈ বিদুৎ চুৰিৰ বিৰুদ্ধে অভিযান চলাই ইতিমধ্যে বিদ্যুৎ চুৰি হ্ৰাস কৰি ২৪ ঘণ্টাই ধিঙত বিদ্যুৎ যোগান ধৰি আহিছে। যদিও একাংশ অসাধু দুষ্ট চক্ৰই বিদ্যুৎ চুৰি আজিও এৰা নাই। শেহতীয়াকৈ ধিং আৰক্ষী নিৰেশৰ অন্তৰ্গত আৰু ধিং বৈদ্যুতিক উপ সংমণ্ডলৰ অধীনস্থ টুকটুকী ফিতাৰৰ টুকটুকী গাঁৱত বিদ্যুৎ চুৰি কৰি ই- ৰিস্কা চাৰ্জ কৰি থকাৰ সময়ত ই- ৰিস্কাত বহি বিদ্যুৎস্পৃষ্ট হৈ এগৰাকী ১১ বছৰীয়া কিশোৰৰ মৃত্যুৰ বাতৰি পোহৰলৈ আহিছে। ধিং বৈদ্যুতিক উপ সংমণ্ডলে ইতিমধ্যে স্থানীয় আৰক্ষী নিৰেশত এজাহাৰ দাখিল কৰাৰ লগতে অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ উৰ্ধতম কৰ্তৃপক্ষকক ধিং বৈদ্যুতিক উপ সংমণ্ডলৰ পত্ৰ নং SDEûDESDûAPDCLûCARû2025 ûT-24û1479 যোগে অৱগত কৰিছে। ঘটনাৰ বিৱৰণী অনুসৰি, যোৱা ১ আগষ্টৰ পুৱা প্ৰায় ০৯-৩০ বজাত টুকটুকী গাঁৱৰ প্ৰয়াত আব্দুল মটলেবৰ পুত্ৰ ৰফিকুল ইছলামে বৈদ্যুতিক উপ-সংমণ্ডৰ অনুমতি অবিহনে বিদ্যুৎ পৰিবাহী তাঁৰত হুক কৰি ই- ৰিস্কা চাৰ্জ কৰি আছিল। ই- ৰিস্কাখনৰ চাৰ্জ চলি থকাৰ সময়তে একে চুবুৰীৰে আবুল কাচেমৰ ১১ বছৰীয়া পুত্ৰ ৰাজিবুল ইছলাম ই- ৰিস্কাত বহি বিদ্যুৎস্পৃষ্ট হৈ পৰে। ততাতৈয়াকৈ বিদ্যুৎস্পৃষ্ট ৰাজিবুলক ধিং এফ, আৰ, ইউলৈ লৈ যোৱা হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে কিশোৰ জনক। ধিং বৈদ্যুতিক উপ সংমণ্ডল কৰ্তৃপক্ষই এজাহাৰ খনত উল্লেখ কৰা অনুসৰি, ই- ৰিস্কাৰ মালিক জনে বিদ্যুৎ চুৰি কৰাৰ ফলতেই এই বিদ্যুৎস্পৃষ্ট কাণ্ড সংঘটিত হোৱাৰ লগতে এই দুৰ্ভাগ্যজনক ঘটনাৰ বাবে এপিডিচিএলৰ কোনো দায়িত্ব নাই। ধিং আৰক্ষীয়ে বৈদ্যুতিক উপ - সংমণ্ডলৰ এজাহাৰৰ ভিত্তিত সঠিক তদন্ত কৰিলেহে ঘটনাৰ আচল ৰহস্য পোহৰলৈ আহিব।

# সদৌ অসম আদিবাসী ছাত্ৰ সন্থা ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত কৃতী শিক্ষাৰ্থীক অভিনন্দন

## জ্যেষ্ঠ সাংবাদিক মনজিৎ বৰাক প্ৰদীপ নাগ সোঁৱৰণী শৈক্ষিক বঁটা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৮ আগষ্ট ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ ডিব্ৰুগড়ৰ মানকটা কছাৰীবাৰীস্থিত শ্ৰীশ্ৰী আউনীআটী শাখাসত্ৰ প্ৰেক্ষাগৃহত চলিত বৰ্ষ হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উৰ্ত্তীণ কৃতী শিক্ষাথীক অভিনন্দন জনোৱা লগতে সংগঠনটোৰ সংগ্ৰামী নেতা প্ৰয়াত প্ৰদীপ নাগৰ সোঁৱৰণী শৈক্ষিক বটাঁ প্ৰদান কৰা হয়। এই অনুষ্ঠানত আদীবাসী জনগোষ্ঠীটোৰ প্ৰায় শতাধিক কীৰ্ত্তি ছাত্ৰ-ছাত্ৰীক মানপ্ৰত্ৰৰে অভিনন্দন জনোৱা হয়। এই অনুষ্ঠানতে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি তথা অসম আদিত্য কাকতৰ সম্পাদক মনজিৎ বৰাক প্ৰয়াত আদিবাসী ছাত্ৰনেতা "প্ৰদীপ নাগ সোঁৱৰণি শৈক্ষিক বঁটা" প্ৰদান কৰা হয়। ৰাজ্যখনৰ এখন আগশাৰী শিক্ষাপ্ৰতিষ্ঠান ডিব্ৰুগড় হনুমান বক্স কানৈ মহাবিদ্যালয়(স্বতন্ত্ৰ)ৰ অধ্যক্ষ, বিশিষ্ট লেখক-কৰ্মশ্ৰী ড°শশীকান্ত শইকীয়াই মুখ্য অতিথি ৰূপে উপস্থিত থাকি ছাত্ৰ ছাত্ৰীসকলক শৈক্ষিক জীৱনৰ বাবে অধ্যয়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰি জীৱনত আগুৱাই যাবলৈ আহ্বান জনায়। বিশ্বৰ শ্ৰেষ্ঠ মানৱ বিজ্ঞানী সকলৰ শ্ৰেষ্ঠ তথা নিৰ্বাচিত ৰচনাৰাজী অধ্যয়ন কৰি নিজৰ জীৱনটো লগতে সমাজলৈও অবদান আগবঢ়াবলৈ নিজৰ ভাষণত উল্লেখ কৰে। সদৌ অসম ছাত্ৰ সন্থা ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি গৌতম চাংগাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাখনৰ আঁত ধৰে জিলা সম্পাদক ৰাজেশ লাৰ্কিনে আৰু মুকলি সভা উদ্বোধন কৰে দয়ানন্দ শ্বাহে। মুকলি সভাত অসম আদিত্য কাকতৰ সম্পাদক, জ্যেষ্ঠ সাংবাদিক মনজিত বৰাই বঁটা গ্ৰহণ কৰি কয় যে অধিবাসী জনগোষ্ঠীটোৰ ছাত্ৰ ছাত্ৰী সকলে নিজকে এগৰাকী যোগ্য ব্যক্তি হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে অধ্যয়ন আৰু সামাজিক দায়বদ্ধতাৰে নিজৰ দায়িত্ব পালন কৰি অনান্য সকলৰ সৈতে খোজত খোজ মিলাই আগুৱাই যাবলৈ সক্ষম আৰু নিজকে কেতিয়াও হেয় জ্ঞান কৰিব নালাগে বুলি কয়। তেখেতে আৰু কয় যে এই বঁটাটোৰ জৰিয়তে তেখেতৰ দায়িত্ব আৰু বাঢ়িল আৰু আদিবাসী জনগোষ্ঠীৰটোৰ বাবে কৰিবলগীয়া যিকোনো কাম গুৰুত্বসহকাৰে কৰাৰো প্ৰতিশ্ৰুতি প্ৰদান কৰে। এই অভিনন্দন অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক যাদৱ গগৈ, কোচ ৰাজবংশী ছাত্ৰ-সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি দিগন্ত শইকীয়া, মটক যুৱ ছাত্ৰ পৰিষদৰ সম্পাদক বিতুপন দুৱৰাসহ বহুকেইজন জাতীয়, জনগোষ্ঠীয় নেতা কৰ্মী, বিষয়ববীয়াই অংশগ্ৰহণ কৰে।

# ৫১ তম্ জুনিয়ৰ ৰাষ্ট্ৰীয় জলক্ৰীড়াৰ অন্তিম দিনত অসমৰ দুটা ৰূপৰ পদক অৰ্জন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৮ আগষ্ট ঃ** গুজৰাটৰ আহমেদাবাদস্থিত নাৰণপুৰা স্পৰ্টছ কমপ্লেক্স'ত ৩ৰ পৰা ৭ আগষ্ট ২০২৫ তাৰিখলৈ অনুষ্ঠিত ৫১তম জুনিয়ৰ ৰাষ্ট্ৰীয় জলক্ৰীড়া প্ৰতিযোগিতাত অসমৰ সাঁতোৰবিদে উল্লেখযোগ্য সফলতা লাভ কৰিছে। প্ৰতিযোগিতাৰ অন্তিম দিনটোত অসমে দুটা ৰূপৰ পদক অৰ্জন কৰে। অসম সাঁতোৰ সংস্থাৰ সাধাৰণ সম্পাদক ভাস্কৰ ৰঞ্জন দাস আৰু প্ৰচাৰ সম্পাদক মুকুটেশ্বৰ গোস্বামীয়ে সংবাদ মাধ্যমক জনোৱা অনুসৰি অংগৰিকা শইকীয়াই গাৰ্লছ গ্ৰুপ—২ শাখাৰ ২০০ মিটাৰ বাটাৰফ্লাই ইভেণ্টত ২: ৩৩.৪১ ছেকেণ্ডত সুন্দৰ প্ৰদৰ্শন দি ৰূপৰ পদক লাভ কৰে। ছাত্ৰ শাখাৰ ১০০ মিটাৰ ফ্ৰী-ষ্টাইল ইভেণ্টত প্ৰয়াস গগৈয়ে ৫৬.৪১ ছেকেণ্ডত ৰূপৰ পদক জিকি দলৰ বাবে গৌৰৱ কঢ়িয়াই আনে। ইয়াৰ উপৰি, এই প্ৰতিযোগিতাখনত তীৰ্থাংক পেগুৱে ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি অসম দলৰ শক্তিশালী প্ৰদৰ্শন সুনিশ্চিত কৰে। অসমৰ উদীয়মান প্ৰতিভাসমূহে দেখুওৱা সফলতাই ৰাজ্যখনৰ জলক্ৰীড়াৰ ভৱিষ্যৎ সুদৃঢ় কৰাৰ লগতে নতুন চামৰ বাবে আশাৰ বতৰা কঢ়িয়াই আনিছে।

# চেঁচাসত্ৰত কৃষি বিভাগৰ কঠীয়া সিঁচা কাৰ্যসূচী

**অসম বাৰ্তা, দিচাংমুখ, ৮ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ দিচাংধাইআলি গাঁও পঞ্চায়তৰ অন্তৰ্গত চেঁচাসত্ৰ গাঁৱত শিৱসাগৰ কৃষি বিভাগৰ উদ্যোগত কঠীয়া সিঁচা কাৰ্যসূচী সফলতাৰে সম্পন্ন হৈছে। উক্ত অনুষ্ঠিত এই কাৰ্যসূচীটোৰ মূল উদ্দেশ্য আছিল - অঞ্চলটোৰ কৃষকসকলক কঠীয়াৰ অভাৱৰ বাবেই কৃষিকাৰ্য্যত পৰা সমস্যাৰাজি সমূহৰ পৰা মুক্ত কৰা। বিশেষকৈ বানাক্ৰান্ত অঞ্চলটোত বছৰে বছৰে ব্ৰহ্মপুত্ৰ, দৰিকা আৰু দিচাং নদীৰ বাঢ়নী পানীয়ে পথাৰ প্লাৱিত কৰাৰ ফলত কৃষকে খেতিত কষ্ট ভুগিব লগা হয়। এই ক্ষেত্ৰত কঠীয়া সিঁচা ব্যৱস্থাপনা এখন যথেষ্ট সহায়ক হ'ব বুলি কৃষি বিভাগে আশা প্ৰকাশ কৰিছে। কাৰ্যসূচীত কৃষি বিভাগৰ কোঁৱৰপুৰ কৃষি উন্নয়ন বিষয়া জ্ঞানজ্যোতি বৰগোঁহাই, সহকাৰী পৰিদৰ্শক ৰূপম বৰুৱা, কৃষি পৰিদৰ্শক জীৱেশ্বৰ চেতিয়া, লগতে দিচাংধাইআলি গাঁও পঞ্চায়তৰ সভানেত্ৰী জ্যোতি গগৈ, গাঁও প্ৰধান জয়ন্ত মিলি আৰু স্থানীয় কৃষক যুৱক হেমেন ৰাজখোৱা, নকুল বৰুৱা, ভাইতি য়েইন আদি উপস্থিত থাকে। স্থানীয় ৰাইজে কৃষি বিভাগৰ এই পদক্ষেপৰ প্ৰশংসা কৰি, এই ধৰণৰ জনমুখী আঁচনি আগলৈও অব্যাহত ৰাখিবলৈ আবেদন জনাইছে।

# লাহৰীঘাটত গৰু চোৰৰ সন্ত্ৰাস

**অসম বাৰ্তা, লাহৰীঘাট, ৮ আগষ্ট ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট সমজিলাৰ অধিনস্থৰ বিভিন্ন অঞ্চলত সঘনাই গৰু চুৰি কাণ্ড সংঘটিত হৈ আহিছে। বুধবাৰে নিশা লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত টেঙাগুৰি কছাৰীগাঁৱৰ হাসমত আলী নামৰ এজন লোকৰ গৃহস্থৰ গোহালীৰ পৰা সৰু সৰু দুটা পোৱালি থৈ চোৰে লৈ যায় দুজনী গাইগৰু। অঞ্চলটোত প্ৰায়েই গৰু চুৰি কাণ্ড সংঘটিত হৈ আহিছে যদিও চুৰি কাৰ্য নিয়ন্ত্ৰণত সম্পূৰ্ণৰূপে ব্যৰ্থ লাহৰীঘাট স্মাৰ্ট আৰক্ষী। চুৰি গৰু কছাই থানাত কটাৰ অভিযোগ ভুক্তভোগী গৃহস্থৰ। উল্লেখ্য যে, ৰাজ্য চৰকাৰে গো-হত্যা সম্পূৰ্ণৰূপে বন্ধ কৰাৰ সময়ত লাহৰীঘাট অঞ্চলত একাংশ কছায়ে প্ৰতি দিনেই কাটিছে গৰু। চৰকাৰী নীতি নিৰ্দেশনাক অংগুষ্ঠ প্ৰদৰ্শন কৰি নিশা ২ বজাৰ পৰা ৩ বজাত ভিতৰত গৰু কাটি ৰমৰমীয়া ব্যৱসায় চলাই আহিছে একাংশ কছায়ে। এতিয়া প্ৰশ্ন হয়, নিশা ২ বজাত কি গৰু কাটে কছায়ে? হয়তো চুৰি গৰু কম দামত কিনি অধিক মুনাফাৰ ব্যৱসায় চলাইছে কছায়ে। লাহৰীঘাটত কাৰ ছত্ৰছায়াত কছাই সকলে চলাইছে অবৈধ গো-মাংসৰ ৰমৰমীয়া ব্যৱসায়। লাহৰীঘাট আৰক্ষীয়ে নাকী লগাব পাৰিবনে এই কছাই সকলক সেয়া সময়তহে হ'ব লক্ষণীয়।

# বজালীৰ ভৌগোলিক চাৰিসীমা স্পষ্ট ৰূপত নিৰ্দ্ধাৰণৰ দাবীত পাঠশালাত বজালী জিলা সুৰক্ষা সমিতিৰ উদ্যোগত প্ৰতিনিধিত্বমূলক সভা

**অসম বাৰ্তা, পাঠশালা, ৮ আগষ্ট ঃ** বজালী জিলা গঠন হল যদিও আজিও বজালীয়ে লাভ নকৰিলে পূৰ্ণাংগ জিলাৰ মৰ্যাদা। আজিলৈকে বজালী জিলাৰ ভৌগোলিক চাৰিসীমা স্পষ্ট ৰূপত নিৰ্ধাৰণ নহোৱাৰ লগতে বজালীক পূৰ্ণ পৰ্যায়ৰ জিলা ঘোষনা কৰাৰ দাবীত ৭ আগষ্ট তাৰিখে হৰিমন্দিৰ প্ৰাংগনত বজালী জিলা সুৰক্ষা সমিতিৰ উদ্যোগত অনুষ্ঠিত হৈ যায় এখন প্ৰতিনিধিমূলক সভা। বজালী জিলা সুৰক্ষা সমিতিৰ সভাপতি গিৰিধৰ চৌধুৰীৰ সভাপতিত্বত আৰু সম্পাদক বিজন বায়নে আঁত ধৰা সভাত বিশিষ্ট সমাজকৰ্মী, শিক্ষাবিদ মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, প্ৰাক্তন বিধায়ক ড° মনোৰঞ্জন দাস, বজালী জিলা পৰিষদৰ সদস্য দিলীপ বৰুৱা, পাঠশালা বজাৰ কমিটিৰ সভাপতি গিৰীশ পাটগিৰী, বিষয়ববীয়া মদন ৰয়, কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি ড° সোণেশ্বৰ কলিতা বজালী জিলা সুৰক্ষা সমিতিৰ সম্পাদক সমুদ্ৰ পাটগিৰী, ছাত্ৰ নেতা সীমান্ত তালুকদাৰ, আদিকে প্ৰমুখ্য কৰি বিভিন্ন দল সংগঠনৰ কেবাগৰাকী প্ৰতিনিধি উপস্থিত থাকি বজালীবাসীয়ে দীৰ্ঘদিনীয়া দাবীৰ অন্তত জিলাৰ মৰ্যাদা পালে যদিও চৰকাৰে যেন ললিপপহে খুৱাই আজিও পূৰ্ণাংগ জিলাৰ মৰ্যাদা প্ৰদান নকৰা বুলি ক্ষোভ ব্যক্ত কৰে। উপস্থিত কেবাগৰাকীও ব্যক্তিয়ে ভাষণ প্ৰসংগত বজালীৰ ৰাইজে প্ৰতিবাদ নকৰিলে যেন একোৱেই নাপায় বুলি ক্ষোভ প্ৰকাশ কৰি শীঘ্ৰে বজালীক পূৰ্ণ পৰ্যায়ৰ জিলাৰ লগতে ভৌগোলিক চাৰিসীমা নিৰ্ধাৰণ কৰি বজালী জিলাৰ বিভিন্ন সমস্যাসমূহ সমাধানৰ দাবী উত্থাপন কৰে। প্ৰতিনিধিমূলক সভাত বজালীৰ বিভিন্ন দল সংগঠনকে আদি কৰি বজালীৰ বিভিন্ন প্ৰান্তৰ ৰাইজে অংশগ্ৰহণ কৰে। উল্লেখ্যযে বজালী জিলা সমিতিৰ লগতে বজালীৰ বিভিন্ন দল সংগঠনৰ এটি ৪০ জনীয়া সজাতি দলে কেইদিনমান পূৰ্বে বজালী জিলাত বজালী আৰু ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টিক সংলগ্ন কৰি অনতিপলমে সীমা নিৰ্দ্ধাৰণ কৰা, পূৰ্বৰ বজালী মহাবিদ্যালয়খনক পুনৰায় আৰম্ভ কৰাৰ ব্যৱস্থা কৰা আদিকে কৰি কেবাটাও সমস্যা সম্বলিত স্মাৰক পত্ৰ এখন বজালী জিলা উন্নয়ন আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰিছিল আৰু আজি পাঠশালা হৰিমন্দিৰ প্ৰাংগনত এনেদৰে বিভিন্ন ব্যক্তিৰ উপস্থিতিত প্ৰতিনিধিত্বমূলক সভা অনুষ্ঠিত কৰি চৰকাৰৰ দৃষ্টি আকৰ্যণ কৰে।

# আনন্দ তিনিআলিৰ ব্যৱসায়িক স্থানত চোৰৰ উপদ্ৰৱত ত্ৰাহি-মধূসুদন সুঁৱৰিছে ব্যৱসায়ীয়ে

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ৮ আগষ্ট ঃ** লখিমপুৰ জিলাৰ চাউলধোৱাত আৰক্ষীক ভয় নকৰা হৈছে গভাইত চোৰৰ দলে। একপ্ৰকাৰে আৰক্ষীক তীব্ৰ প্ৰত্যাহ্বান জনাইছে আতংকৰ কাৰণ হৈ পৰা চোৰে। চাউলধোৱা আৰক্ষী চকীৰ অধীনস্থ বিভিন্ন ঠাইত চোৰৰ উপদ্ৰৱত দিনতে আন্ধাৰ দেখিছে সাধাৰণ ৰাইজে। বিভিন্ন গাঁৱত গৰু, ছাগলী চোৰৰ আতংক চলি থকাৰ সমান্তৰালকৈ ব্যৱসায়িক স্থান আনন্দ বাগান তিনিআলিত চোৰৰ উপদ্ৰৱত ত্ৰাহি-মধূসুদন সোঁৱৰিছে ব্যৱসায়ীয়ে। উপায়হীন হৈ কিছু ব্যৱসায়ীয়ে ব্যৱসায়িক প্ৰতিষ্ঠানতে নিশা কটাবলগীয়া হৈছে তথা চি চি টিভি কেমেৰা সংস্থাপন কৰিও ৰক্ষা পৰা নাই। যোৱা দুই আগষ্টৰ নিশা বিক্ৰম সিং মালিকানাধীন ম'বাইল দোকানত লুটপাত চলাই সন্দেহযুক্ত তিনি অৰুণাচলী চোৰে কেইবাহাজাৰ টকাৰ ম'বাইল ফোন চুৰি কৰি লৈ যায়। পুনৰ ৩ আগষ্টৰ নিশা গোপাল বাইক চাৰ্ভিসিং চেণ্টাৰত সোমাই মেৰামতি কৰিবলৈ থোৱা বাইক চুৰি কৰিবলৈ যত্ন কৰে যদিও বিফল হয়। আনহাতে সেই নিশাই ৰঘুনাথ প্ৰসাদৰ বস্ত্ৰ দোকানৰ তলা ভাঙিবলৈ যত্ন কৰি থাকোঁতে চি চি টিভি কেমেৰা প্ৰত্যক্ষ কৰি চি চি টিভি কেমেৰাটোকে ভাঙি থৈ যায়। এইয়া মাত্ৰ কেইটামান উদাহৰণহে। নিশাৰ ভাগত আৰক্ষীয়ে বুদ্ধি প্ৰয়োগৰ দ্বাৰা জাল পেলালে চোৰক কৰায়ত্ত কৰিবলৈ সক্ষম হ'ব বুলি ৰাইজে মন্তব্য কৰিছে। চোৰক কৰায়ত্ত কৰি কঠোৰ শাস্তি দিবলৈ দাবী জনাইছে চাউলধোৱা আৰক্ষীক।

# মাজুলী পৰিবহণ বিভাগৰ স্পৰ্শ কাতৰ দুৰ্ঘটনা সংঘটিত দিঘলীগাঁও চাৰিআলি স্থান পৰ্যবেক্ষণ

**অসম বাৰ্ত, বনগাঁও, ৮ আগষ্ট ঃ** মাজুলী জিলা সদৰৰ পৰা পতিয়া তিনি আলিৰ পৰা চুমৈমাৰী হৈ দক্ষিণপাট সত্ৰৰ সন্মুখয়েদি দিঘলীগাঁও চাৰিআলি অতিক্ৰম কৰি নিতৌ শ শ সৰু -বৰ দুচকীয়া û চাৰি চকীয়া বাহন আভ্যন্তৰীণ ফেৰী সেৱা অফলামুখ পাৰ ঘাটলৈ'য আহ —যাহ কৰে। কিছুদিনৰ পৰা পথটিৰ দিঘলী গাওঁ চাৰিআলিত তীব্ৰ বেগী দুচকীয়া বাহন আৰু চাৰি চকীয়া বাহনৰে সংঘটিত পথ দুৰ্ঘটনাই আজি কিছুদিনৰ পৰা অঞ্চলটিত চাঞ্চল্যৰ সৃষ্টি কৰি আহিছে। দুই û¿তিনি দিনৰ মুৰে মুৰে হৈ থকা পথ দুৰ্ঘটনাৰ মাজতো চাৰি আলি অতিক্ৰম কৰি নিতৌ কণকণ শিশু বিদ্যালয়লৈ যাব লগা হৈছে। পথত সংঘটিত দুঘটনাক লৈ সদায় শংকিত অভিভাৱক ৰাইজ। ৫ আগষ্টত এই প্ৰতিবেদকে' বিষয়টি তৎক্ষাণিক ব্যৱস্থাৰ হেতু জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ দৃষ্টি গোচৰ কৰাত ৬ আগষ্টৰ বিয়লি জিলা পৰিবহণ বিভাগৰ এটি বিষয়া দলে অঞ্চলটি পৰিদৰ্শন কৰি দুৰ্ঘটনা হ্ৰাস ও নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ল'ব লগা ব্যৱস্থাৰ সন্দৰ্ভত এই প্ৰতিবেদকৰে মত বিনিময় কৰে। বিষয়া দলটিয়ে এই ক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থাৰ আশ্বাস প্ৰদান কৰে। স্থানীয় সচেতন ৰাইজে জিলা আয়ুক্তৰ লগতে পৰিবহণ বিভাগৰ তৎক্ষাণিক পদক্ষেপক আদৰণী জনায়।



# ৰূপহী কলেজত নিযুত মইনাৰ প্ৰ-পত্ৰ বিতৰণ

## ড্ৰপআউট-বাল্য বিবাহ হ্ৰাসত ভূমিকা লৈছে নিযুত মইনা আচঁনিয়ে- ড° মনোজ নাথ



**অসম বাৰ্তা, ৰূপহীহাট, ৭ আগষ্ট ঃ** উত্তৰ নগাঁৱৰ ঐতিহাসিক ৰূপহী কলেজতো আজি সমগ্ৰ ৰাজ্যৰ লগতে অসম চৰকাৰৰ নিযুত মইনা আচঁনিৰ প্ৰ-পত্ৰ বিতৰণৰ শুভাৰম্ভ কৰা হয়। তদুপলক্ষে কলেজৰ প্ৰেক্ষাগৃহত অধ্যক্ষৰ সঞ্চালনাত অনুষ্ঠিত এখনি সভাত প্ৰজেক্টৰৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লাইভ ভাষণ ছাত্ৰ-ছাত্ৰীৰ সন্মুখত পৰিৱেশন কৰে। মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে এই আচঁনি শুভাৰম্ভ কৰাৰ পিছতে কলেজখনতো এক সভা অনুষ্ঠিত কৰি প্ৰ-পত্ৰ বিতৰণ কৰে। উক্ত অনুষ্ঠানত বিজেপি নেতা অনিল শইকীয়াই অংশগ্ৰহণ কৰি শিক্ষাৰ্থীসকলক এই আচঁনিয়ে কি দৰে উপকৃত কৰিছে সেই সন্দৰ্ভত ভাষণ দিয়াৰ লগতে শিক্ষাৰ্থীৰ সৈতে বাৰ্তালাপ কৰে। মুঠ ১৩৪৮ গৰাকী শিক্ষাৰ্থী থকা কলেজখনত এই আচঁনিৰ পৰা ৭০০ গৰাকী উপকৃত হব বুলি অধ্যক্ষ গৰাকীয়ে আশা প্ৰকাশ কৰে। অধ্যক্ষ ড° মনোজ কুমাৰ নাথে প্ৰকাশ কৰা মতে আচঁনিখন ৰূপায়ণৰ পিছৰে পৰা ড্ৰপআউট যথেষ্ট হ্ৰাস পোৱাৰ উপৰিও বাল্যবিবাহ কমিছে। ইয়াৰোপৰি এনে আচঁনিৰ ফলত সংখ্যালঘু অঞ্চলত সুদূৰ প্ৰসাৰি প্ৰভাৱ পৰিব বুলি অধ্যক্ষ ড০ নাথে আশা ব্যক্ত কৰে।

# বঙাইগাঁও জিলা এন এছ ইউ আইৰ উদ্যোগত নতুনকৈ ভৰ্তি হোৱা ছাত্ৰ-ছাত্ৰীৰ মাজত কলম বিতৰণ

**অসম বাৰ্তা, মাণিকপুৰ, ৭ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ এন এছ ইউ আই ৰ উদ্যোগত মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয, ৰাজীৱগান্ধী মহাবিদ্যালয, বৰপেটা - বঙাইগাঁও মহাবিদ্যালয, মহাত্মাগান্ধী মহাবিদ্যালয়ৰ এন এছ ইউ আই গোটৰ সহযোগত অভয়াপুৰী মহাবিদ্যালয়ৰ নতুনকৈ নাম ভৰ্ত্তি কৰা ছাত্ৰ ছাত্ৰীৰ মাজত কলম বিতৰণ কৰি শুভেচ্ছা জ্ঞাপন কৰে। প্ৰথম অৱস্থাত শুভেচ্ছা জ্ঞাপন কাৰ্যসূচী সুকলমে পৰিচালিত হৈ আছিল যদিও শেষৰ পিনে অভয়াপুৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ গোট অগপৰ ভাতৃ সংগঠন এ ছি পি যে অপ্ৰীতিকৰ পৰিস্থিতিৰ কৰি, NSUI মুৰ্দাবাদ, বিধায়ক আব্দুল বাতেন খন্দকাৰ মুৰ্দাবাদ, বিধায়ক প্ৰদীপ সৰকাৰ মুৰ্দাবাদ আদি ধ্বনী দি সুস্থ পৰিবেশ বিনষ্ট কৰে। এই ঘটনাক বৰপেটা-বঙাইগাঁও মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক, ৰাজীৱ গান্ধী মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক, মহাত্মাগান্ধী মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক, আৰু মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ লগতে ছাত্ৰ একটা সভাৰ আন সদস্য সকলে আজি মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সন্মুখত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। আৰু এই ঘটনাৰ বাবে অভয়াপুৰী মহাবিদ্যালয়ৰ অধ্যক্ষকক এই ঘটনাৰ লগত জড়িত ছাত্ৰ সকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে আৰু প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ দাবী উত্থাপন কৰে। আনহাতে আজিও মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ নৱাগত ছাত্ৰ-ছাত্ৰী সকলোক কলমেৰে আদৰণি জনায়।

# সংগ্ৰামী সতীৰ্থ অসম আন্দোলন, নগাঁৱৰ উদ্যোগত স্মৃতিচাৰণ সভাৰ আয়োজন

**অসম বাৰ্তা, নগাঁও, ৮ আগষ্ট ঃ** অসমৰ ছবছৰীয়া ঐতিহাসিক গণ আন্দোলন সমাপ্তি হোৱা চল্লিছ বছৰ পুৰ্ণ হল। অসম আন্দোলন হিচাপে জনাজাত এই আন্দোলনৰ লগত নিবিড়ভাৱে জড়িত থকা নগাঁও জিলাৰ বহু সংগ্ৰামী সত্তা বিগত সময়ত অজান মুলুকলৈ গতি কৰিলে। অসম আন্দোলনৰ ফলশ্ৰুতিত হোৱা অসম চুক্তিয়ে এইবাৰ ১৪আগষ্টত চাৰিটা দশক অতিক্ৰম কৰাৰ ক্ষণত ইতিমধ্যে হেৰাই যোৱা সংগ্ৰামী সতীৰ্থ সকলৰ লগতে অসম আন্দোলনৰ শ্বহীদ সকলৰ জীপাল স্মৃতিক সশ্ৰদ্ধ স্মৰণ কৰাৰ প্ৰয়াসেৰে অসম আন্দোলনৰ নগাঁও জিলাৰ সংগ্ৰামী সতীৰ্থ সকল একগোট হোৱাৰ উদ্দেশ্য আগত ৰাখি এখন স্মৃতিচাৰণ সভাৰ আয়োজন কৰা হৈছে। সংগ্ৰামী সতীৰ্থ অসম আন্দোলন, নগাঁও (১৯৭৯-১৯৮৫)ৰ উদ্যোগত ১৪ আগষ্টত নগাঁও জিলা সাহিত্য সভাৰ কমলাদেৱী চৌধুৰী ভৱনী বিয়লি ২ বজাত এখন স্মৃতিচাৰণ সভাৰ আয়োজন কৰা হৈছে।

# জাৰ্ণেলিষ্ট এছ'চিয়েছন ফ'ৰ আছামৰ লখিমপুৰ জিলা সমিতিৰ উদ্যোগত সৰ্প দংশন তথা চিকিৎসা আৰু জীৱনভিত্তিক শিক্ষা সন্দৰ্ভত সজাগতা

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ৮ আগষ্ট ঃ** লখিমপুৰ জিলাৰ বান্দৰদেৱা উচ্চ মাধ্যমিক বিদ্যালয়ত ৭ আগষ্টত জাৰ্ণেলিষ্ট এছ'চিয়েছন ফ'ৰ আছাম চমুকৈ জাফাৰ লখিমপুৰ জিলা সমিতিৰ উদ্যোগত আৰু 'ৰাইজৰ বাৰ্তা' নামৰ বাতৰি প্ৰচাৰ কৰা সামাজিক মাধ্যমৰ সহযোগত সৰ্প দংশন তথা চিকিৎসা আৰু জীৱনভিত্তিক শিক্ষা সন্দৰ্ভত প্ৰেৰণামুলক সজাগতা সভা অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ কৰ্মী তথা বিশিষ্ট সমাজকৰ্মী ড° দিব্যজ্যোতি শইকীয়াই সৰ্প দংশন তথা চিকিৎসা আৰু জীৱনভিত্তিক শিক্ষা সন্দৰ্ভত বক্তব্য আগবঢ়াই। বান্দৰদেৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক বিশ্বেশ্বৰ দত্তই উদ্বোধন কৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়াই জাফাৰ লখিমপুৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰাজু বৰাই। জাফাৰ লখিমপুৰ জিলাৰ সভাপতি কুশল শইকীয়া, কাৰ্যকৰী সভাপতি সুদিপ্ত দাস তথা অন্যান্য বিষয়ববীয়া হৰেন বৰা, নিতুল শইকীয়া, ফৰিউদ্দিন আহমেদ থাকে সজাগতা সভাখনত। বিদ্যালয়খনৰ প্ৰধান শিক্ষক মোহন বৰা, সহকাৰী প্ৰধান শিক্ষক যোগেন কাকতি, সহকাৰী শিক্ষক ক্ৰমে পুণ্যধৰ হাজৰিকা, চুমকী বৰুৱা, ৰিংকু দত্ত, অনিন্দিতা বৰুৱা আৰু লীনা দেউৰীৰ লগতে অভিভাৱক-অভিভাৱিকাসকল তথা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰীক উদ্দেশ্য কৰি সভাখনত মদ, ভাং, ড্ৰাগছৰ ব্যাপক প্ৰচলন তথা ইয়াৰ ভয়াবহতাৰ সন্দৰ্ভতো বক্তব্য আগবঢ়াই সমল ব্যক্তিসকলে।

## গৌতম কনষ্ট্ৰাকশ্যনৰ চৰম হেমাহি
# ৫ বছৰে সম্পূৰ্ণ নহ'ল জাগাৰা-মুকালমুৱা সংযোগী পথ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৮ আগষ্ট ঃ** ৰাজ্যত এতিয়া ঠিকাদাৰী প্ৰতিষ্ঠানৰ মইমতালি চলিছে। যাৰ ফল ভুগিবলগীয়া হৈছে সাধাৰণ পথচাৰীয়ে। উল্লেখ্য যে সম্পূৰ্ণ পাঁচ বছৰ অতিক্ৰম কৰাৰ পিছতো জাগাৰা ৰোড-মুকালমুৱা সংযোগী পথটোৰ নিৰ্মাণকাৰ্য আজিও সম্পূৰ্ণ হৈ নুঠাত ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জাগাৰা ৰোডৰ পৰা মুকালমুৱালৈ অহা-যোৱা কৰা অতি ব্যস্ত ১৫ কিল'মিটাৰ দৈৰ্ঘ্যৰ এই পথটোৰ বৰ্তমানেও বনগাঁও, বালাপাৰা, বৰ্ণি, নালিছা, জাগাৰা, কুটনিকুছি, মুকালমুৱা আদি অঞ্চলৰ ঠায়ে ঠায়ে নিৰ্মাণ আধৰুৱা হৈ আছে। ফলত পথটোত কেইবাটাও সৰু-বৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ ফলত যান-বাহন চলাচলৰ ক্ষেত্ৰত ৰাইজে চৰম হাৰাশাস্তিৰ সন্মুখীন হৈ আহিছে। উল্লেখ্য যে 'অসম মালা আঁচনি'ৰ জৰিয়তে জাগাৰা ৰোডৰ পৰা মুকালমুৱা সংযোগী পথছোৱাৰ নিৰ্মাণকাৰ্য প্ৰায় পাঁচ বছৰ পূৰ্বে আৰম্ভ কৰিছিল। কেইবা কোটি টকা ব্যয় সাপেক্ষে পথটো নিৰ্মাণ চলাই আছে গৌতম কনষ্ট্ৰাকশ্যন কোম্পানী লিমিটেডে (এছ জি চি চি এল)। নলবাৰী জিলাৰ বিভিন্ন প্ৰান্ত সামৰা অতি ব্যস্ত এই পথটো নিৰ্মাণৰ ক্ষেত্ৰত ঠিকাদাৰে চলোৱা হেমাহিৰ বাবেই শেহতীয়াভাৱে ৰাইজ অতিষ্ঠ হৈ পৰিছে। অভিযোগ উঠা মতে ঠিকাদাৰে মইমতালিৰে কাম চলোৱাৰ বাবেই বছৰ বছৰ ধৰি এনেদৰে আধৰুৱা হৈ আছে পথটো। আধৰুৱা হৈ ৰোৱা পথছোৱাৰ নিৰ্মাণকাৰ্য শীঘ্ৰে সম্পূৰ্ণ কৰাৰ বাবে নিৰ্মাণকাৰী সংস্থাটোক আহবান জনাইছে।

## বালিজান বজাৰত বৃদ্ধি পাইছে চাইকেল চুৰি ঘটনা
# ধিঙৰ মৈৰাধ্বজত অসামাজিক কাৰ্যকলাপ বৃদ্ধি

**অসম বাৰ্তা, বটদ্ৰৱা, ৮ আগষ্ট ঃ** নগাঁও জিলাৰ ধিং থানাৰ এলেকাধীন আহোমগাঁও আৰক্ষী পহৰা চকীৰ অন্তৰ্গত মৈৰাধ্বজ গাঁৱত দিনক -দিনে বৃদ্ধি পাইছে অসামাজিক কাৰ্যকলাপ। যিসময়ত ৰাজ্য চৰকাৰে মদ, ভাঙ, ড্ৰাগছ, আফিং, গাঞ্জা আদি নিচাজাতীয় দ্ৰব্যৰ নিৰ্মূলকৰণৰ ওপৰত সজাগতা সভা পাতি কোটি- কোটি টকা খৰচ কৰি আহিছে ঠিক তেনে সময়তে নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া মৈৰাধ্বজত দিনক -দিনে যুৱ প্ৰজন্মৰ মাজত বৃদ্ধি পাইছে নিচাজাতীয় দ্ৰব্য। যাৰ ফলত অঞ্চলটোত বৃদ্ধি পাইছেচুৰি কাণ্ডৰ লগতে বিভিন্ন অসামাজিক কাৰ্যকলাপ। জানিব পৰা মতে, মৈৰাধ্বজ গাঁৱত ড্ৰাগছৰ ঘাটি বৃদ্ধি পোৱাৰ লগে লগে ড্ৰাগছ সেৱনকাৰীৰ সংখ্যাও বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। যাৰ ফলত চিন্তিত হৈ পৰিছে অঞ্চলটোৰ সচেতন মহল। নিতৌ গাঁওখনলৈ সোঁত বয় অচিনাকি যুৱকৰ। বিশেষকৈ ধিং থানাৰ অন্তৰ্গত শালমৰাবড়ি, ৰৌমাৰী, আহোম গাঁও, বেছামাৰী, অকৰাবড়ি আৰু মিকিৰভেটা থানাৰ অন্তৰ্গত ধূৰাসাপ, চতৰবড়ি, পূব ৰঙাদৰিয়া আদি দাঁতি-কাষৰীয়া গাঁৱৰ নিচাজাতীয় দ্ৰব্য সেৱনকাৰী যুৱকৰ মুক্ত বিচৰণ দেখা যায় মৈৰাধ্বজ গাঁওখনত। যাৰ ফলত গাঁও খনৰ শৈক্ষিক আৰু সামাজিক পৰিবেশ বিনষ্ট হোৱা পৰিলক্ষিত হৈছে। ইয়াক লৈ চিন্তিত হৈ পৰিছে অঞ্চলটোৰ সচেতন মহল। একাংশ ড্ৰাগছ বা নিচাজাতীয় দ্ৰব্য সেৱনকাৰী যুৱকে নিচাত আসক্ত হৈ টকাৰ অভাৱত ভিক্ষা বৃত্তিৰ লগতে কুৰিকাণ্ডটো লিপ্ত হোৱা দেখা যায়। বিশেষকৈ মৈৰাধ্বজ গাঁৱৰ দাঁতি-কাষৰীয়া অৰ্ধ -সাপ্তাহিক বালিজান বজাৰত বৃদ্ধি পাইছে চুৰি কাণ্ড। মিকিৰভেটা থানাৰ অন্তৰ্গত এই অৰ্ধ - সাপ্তাহিক বালিজান বজাৰত যোৱা দুই মাহত দুই - কুৰিৰো অধিক বাইচাইকেল চুৰি হোৱাৰ গুৰুত্বৰ অভিযোগ উত্থাপন কৰিছে অঞ্চলটোৰ একাংশ ৰাইজে। ইতিমধ্যে বজাৰৰ কেইবাখনো দোকানত সংলগ্ন চি, চি, কেমেৰাত এনে বাইচাইকেল চুৰিৰ দৃশ্য আবদ্ধ হৈছে। যাৰ ফলত বজাৰ খনলৈ বাইচাইকেল লৈ অহা ক্ৰেতা - বিক্ৰেতা শংকিত হৈ পৰিছ। নিচাজাতীয় দ্ৰব্য সেৱনকৰা যুৱক সকলেই এনেধৰণৰ চুৰি কাণ্ডত জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে একাংশ স্থানীয় ৰাইজে। মৈৰাধ্বজ গাঁৱৰ সচেতন মহলে অতি শীঘ্ৰে ড্ৰাগছৰ ঘাটি উচ্ছেদ কৰাৰ লগতে চুৰিকাণ্ড বন্ধ কৰিবলৈ স্থানীয় আৰক্ষীক দাবী জনায়।




# বৰপেটাৰ বিভাগীয় আঁচনি ৰূপায়ণৰ অগ্ৰগতিৰ পৰ্যালোচনা মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ
## প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ নিৰ্মাণৰত গৃহ অহা ৩১অক্টোবৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ নিৰ্দেশ

**অসম বাৰ্তা, বৰপেটা সদৰ, ৮ আগষ্ট ঃ** ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, পৰ্যটন, সাধাৰণ প্ৰশাসন তথা জ্যেষ্ঠ কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বৰপেটা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ লগতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ কাম-কাজৰ বিস্তৃত পৰ্যালোচনা কৰি নিৰ্ধাৰিত সময়ৰ ভিতৰত আচঁনি সমূহ ৰূপায়ণৰ বাবে পদক্ষেপ ল'বলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। আজিৰ বৈঠকত মন্ত্ৰী দাসে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত জিলাখনত ৰূপায়িত হৈ থকা প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ, এম জি এনৰেগা, পঞ্চদশ বিত্ত আয়োগৰ অধীনৰ কাম-কাজৰ অগ্ৰগতিৰ বিতং খতিয়ান লয়। উল্লেখযোগ্য যে, বৰপেটা জিলাখনত প্ৰায় ১লাখ ৪৫ হাজাৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অনুমোদিত গৃহৰ ভিতৰত এতিয়ালৈকে প্ৰায় ১লাখ ৩০ হাজাৰ গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। তদুপৰি জিলাখনত নতুনকৈ ৪০ হাজাৰ ৬০০ গৃহৰ অনুমোদন হৈছে। জিলাখনত এই আচঁনিৰ অধীনত নিৰ্মাণৰত অৱস্থাত থকা গৃহ সমূহৰ নিৰ্মাণৰ কাম অহা ৩১ অক্টোবৰৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ মন্ত্ৰী ৰনজিৎ কুমাৰ দাসে আজিৰ বৈঠকতে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। উক্ত পৰ্যালোচনা বৈঠকত বৰপেটা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিগন্ত বৈশ্যকে ধৰি জিলাখনৰ বিভিন্ন উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াসকল আৰু বিভাগীয় বিষয়াসকল উপস্থিত থাকে। আনহাতে বৰপেটা জিলাৰ সৰ্থেবাৰীত অৱস্থিত বাপুজী মহাবিদ্যালয়ত RUSA ৰ আৰ্থিক সাহায্যৰে নিৰ্মিত বিজ্ঞান ভৱনটোৰ আজি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰি ৰাইজলৈ উছৰ্গা কৰে মন্ত্ৰী ৰনজিৎ কুমাৰ দাসে। তেওঁ আশা ৰাখিছে এই ভৱনটোত যাতে আগন্তুক দিনত বিজ্ঞান শাখা প্ৰৱৰ্তন কৰিব পৰা যায়। ইয়াৰ বাবে নিশ্চিত ৰূপত মন্ত্ৰী দাসৰ তৎপৰতা অব্যাহত থাকিব বুলি তেওঁ কয়। আজিৰ এই অনুষ্ঠানত মন্ত্ৰী দাসৰ লগত পৰিচালনা সমিতিৰ সভাপতি ড০ গৌৰী বৰ্মন, অধ্যক্ষ ড০ ৰমেশ দাস, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি চিত্ৰৰঞ্জন বৰ্মন আৰু জিলা পৰিষদৰ সদস্যা পদ্মা মেধিও উপস্থিত থাকে।

# খেৰাজখাত মহাবিদ্যালয়ত গ্ৰন্থ উন্মোচনী সভা

**অসম বাৰ্তা, বান্দৰদেৱা, ৮ আগষ্ট ঃ** লখিমপুৰ জিলাৰ বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত অন্যতম উচ্চ শিক্ষানুষ্ঠান খেৰাজখাত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি দিনৰ ১২ বজাত এখনি গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। খেৰাজখাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ মৃদুল বুঢ়াগোহাঁয়ে সঞ্চালনা কৰা সভাখনিৰ আঁত ধৰে খেৰাজখাত মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ মুৰব্বী অধ্যাপক ড০ লক্ষ্মী প্ৰকাশ হাজৰিকাই। ৰাষ্ট্ৰীয় সেৱা আঁচনি NSS(VAC) মাধৱদেৱ বিশ্ব বিদ্যালয়ৰ প্ৰথম যাণ্মাসিকৰ পাঠ্যক্ৰম "ৰাষ্ট্ৰীয় সেৱা আঁচনি (NS) and youth devlopment" গ্ৰন্থখনি শুভ উন্মোচন কৰে মাধৱদেৱ বিশ্ব বিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ন ড০ লিমপন বৰাই। সভাৰ কাৰ্য্যসূচী আৰম্ভ হোৱাৰ প্ৰাক মুহূৰ্তত শংকৰদেৱ মহাবিদ্যালয়ৰ NSS Unit ৰ স্বেচ্ছাসেৱক সকলে NSS ৰ লক্ষ্য গীত এটি পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাত পথালিপাহাৰস্থিত শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সোণাৰাম কলিতা আৰু বনলতাৰ প্ৰকাশক গোষ্ঠীৰ স্বত্বাধিকাৰী বাবুল ফুকন উপস্থিত থাকে।

## "খেদ ঐ খেদ মিঞা খেদ, মিঞা দাদাগিৰি নচলিব"
# মিঞাৰ বিৰুদ্ধে যুদ্ধংদেহী ৰূপত চৰাইদেউত জাতীয়-জনগোষ্ঠীয় সংগঠনৰ

**অসম বাৰ্তা বিশেষ, সোণাৰি, ৮ আগষ্ট ঃ** এইবাৰ সন্দেহজনক নাগৰিকৰ বিৰুদ্ধে "চ্যু-কা-ফা" প্ৰথম ৰাজধানী চৰাইদেউ জিলাত যুদ্ধংদেহী ৰূপত তীব্ৰতৰ হৈ পৰে জাতীয় -জনগোষ্ঠীয় দল সংগঠনৰ। উল্লেখযোগ্য বিষয় এই যে বুধবাৰে মিঞা জনগোষ্ঠীৰ লোকে টাইপা কৰ্মীক আক্ৰমণ কৰিবলৈ বিচৰা কাৰ্যৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সোণাৰিত। ৪৮ ঘণ্টাৰ ভিতৰত উজনি অসম ত্যাগ কৰাৰ সকিয়নী প্ৰদান কৰে টাইপা। আক্ৰমণৰ বাবে উদ্যত সন্দেহযুক্ত নাগৰিকক গ্ৰেপ্তাৰ নকৰিলে শনিবাৰৰ পৰা ১০০ ঘণ্টাৰ বাবে চৰাইদেউ জিলা বন্ধ ঘোষণাৰ হুংকাৰ টাইপাৰ সভাপতি দিগন্ত তামোলীৰ। টাইপাৰ লগতে আটাছু, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ লগতে বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়াৰ উপস্থিতিত সোণাৰি মহাবিদ্যালয়ৰ সন্মুখত প্ৰতিবাদী সভাত অংশগ্ৰহণ কৰি ঘোষণা কৰিলে এই কথা। আনহাতে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি থলুৱা মুছলমান সকলে মিঞা জনগোষ্ঠীৰ লগত বিবাহপাশত আৱদ্ধ হোৱাৰ পৰা বিৰত থকাৰ উপৰিও মাটি কিনা-বেছা নকৰিবলৈ আহ্বান জনালে গৰিয়া জাতীয় পৰিষদে। এক সূত্ৰৰ পৰা জানিব পৰা মতে সোণাৰিত বাহৰপাতি থকা সন্দেহজনক নাগৰিক জনে এগৰাকী থলুৱা মুছলমান ধৰ্মৰ মহিলাক বিবাহপাশত আবদ্ধ কৰি জোৱাই হিচাপে আছে। যোৱাকেইদিন মানৰ আগত ড্ৰাগছৰ বেহাৰ লগত জড়িত বুলি আৰক্ষীয়ে অৱগত হোৱাত গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল বুলি জানিব পৰা গৈছে।

# ডিব্ৰুগড়ত বেটিবচাও বেটিপঢ়াও আঁচনিৰ অধীনত 'মানসিক স্বাস্থ্য'ৰ সম্পৰ্কে সজাগতা সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ আগষ্ট ঃ** মহিলা আৰু শিশু উন্নয়ন বিভাগৰ জিলা সংকল্প: মহিলা সৱলীকৰণ কেন্দ্ৰ তথা ডিব্ৰুগড় জিলা প্ৰশাসন, শিক্ষা বিভাগ আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ সহযোগত বকুল উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰাংগনত কিশোৰ- কিশোৰী সকলৰ 'মানসিক স্বাস্থ্য' সম্পৰ্কত এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাৰ আদৰণি ভাষণ আগবঢ়ায় বকুল উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক হিৰণ্য কুমাৰ ৰাভাই আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় ডিব্ৰুগড় জিলাৰ সমাজ কল্যাণ বিষয়া প্ৰশান্ত বৰাই। এই সভাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকি অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডঃ ধ্ৰুৱজ্যোতি ভূঞাই কিশোৰ-কিশোৰী সকলৰ মানসিক স্বাস্থ্য আৰু ইয়াৰ বিকাশৰ সম্পৰ্কে গুৰুত্বপূৰ্ণ বক্তব্য দাঙি ধৰে। কিশোৰ -কিশোৰী সকলৰ মানসিক স্বাস্থ্যৰ ক্ষেত্ৰত ল'ব লগা সাৱধানতা আৰু সজাগতা প্ৰসাৰৰ ক্ষেত্ৰত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱকসকলে ল'ব লগা ভূমিকাৰ ওপৰত বক্তব্য ৰাখে। এই সভাত বিদ্যালয়খনৰ শিক্ষক -শিক্ষয়িত্ৰী, সংবাদ মাধ্যমৰ প্ৰতিনিধি আৰু জিলা সংকল্প মহিলা সৱলীকৰণ কেন্দ্ৰৰ কৰ্মকৰ্তা সকল উপস্থিত থাকে।

## অঞ্চলজুৰি শোকৰ ছাঁ
# সমাজসেৱক গমেশ্বৰ চুতীয়াৰ মৃত্যু

**অসম বাৰ্তা, বাঘজান, ৮ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ বাঘজান গাঁৱৰ এগৰাকী সমাজসেৱক তথা শ্ৰীশ্ৰী মায়ামৰা বৰনামঘৰৰ প্ৰাক্তন গাঁওবুঢ়া, বৰবুঢ়া (বৰমেধি) গমেশ্বৰ চুতীয়াই বুধবাৰে নিশা প্ৰায় ১০ বজাত নিজা বাসগৃহত ৬৭ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে গমেশ্বৰ চুতীয়াই ১৩ টাকৈ বছৰত অধিক কাল নামঘৰৰ গাঁওবুঢ়া পদত থাকি সুচাৰোৰূপে দায়িত্ব পালন কৰিছিল। পৰৱৰ্তী কিছুদিনৰ বাবে বৰবুঢ়া (বৰমেধি)ৰ দায়িত্বও পালন কৰিছিল গমেশ্বৰ চুতীয়াই। গমেশ্বৰ চুতীয়াৰ মৃত্যুত সমগ্ৰ বাঘজান অঞ্চলটোত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত পত্নীসহ এটা সন্তান, দুই কন্যা, তিনি পো-বোৱাৰীৰ নাতি-নাতিনী ইহসংসাৰত এৰি থৈ যায়।

## জিলা আয়ুক্ত-আৰক্ষী অধীক্ষকৰ অংশগ্ৰহণ
# মাজুলীত স্বেচ্ছাসেৱী অনুষ্ঠান আয়াংট্ৰাষ্টৰ উদ্যোগত ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস পালন

**অসম বাৰ্তা, উজনী মাজুলী, ৮ আগষ্ট ঃ** মাজুলী জিলা হস্ততাত বস্ত্ৰ বিভাগৰ আৰু স্বেচ্ছাসেৱী অনুষ্ঠান আয়াং ট্ৰাষ্টৰ উদ্যোগত কমলাবাৰী স্থিত বিভাগৰ কাৰ্য্যালয়ৰ প্ৰাংগনত আজি পুৱা ১১ বজাৰ পৰা ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস পালন কৰে। সেই উপলক্ষে আজি বিভাগৰ পৰিদৰ্শক সঞ্জীৱ ভূঞাই পৰিচালনা কৰা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মাজুলী জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে মাজুলীৰ অৰ্থনৈতিক আৰু পৰ্যটন ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা মাজুলীৰ হস্ত তাত উদ্যোগৰ গতিশীলতা প্ৰদান আৰু শিপিনী সকলক উন্নত মানৰ প্ৰশিক্ষণ প্ৰদান কৰি সহযোগিতা আগবঢ়োৱাৰ পৰামৰ্শ আগবঢ়ায়। সভাত মাজুলী জিলা আৰক্ষী অধীক্ষক বিবেকানন্দ দাস উপস্থিত থাকি বস্ত্ৰ নিৰ্মাণৰ জৰিয়তে মাজুলীৰ সুকীয়া পৰিচয় বহন কৰিছে বুলি উল্লেখ কৰি শিপিনী সকলক অৰ্থনৈতিক ভাৱে স্বাৱলম্বী কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ বিভাগক আহ্বান জনায়। সভাত সাংবাদিক সন্থাৰ প্ৰাক্তন সম্পাদক দীপু বৰা, উদ্যোগী মহিলা পল্লৱী দেৱী, আয়াং ট্ৰাষ্টৰ লগায় হাজঙে পৰামৰ্শ মূলক ভাষণ দিয়ে। সভাত বস্ত্ৰ উৎপাদনৰে নিজৰ পৰিয়াক স্বাৱলম্বী কৰাৰ লগতে আন মহিলা কো প্ৰেৰণা যোগাই অহা ১৫ গৰাকী শিপিনীক সম্বৰ্ধনা জনোৱা হয়। সভাত আয়াং ট্ৰাষ্টৰ অভিযেক আনাদ. নিৰুপ্ৰভা দলে, লকখাম, স্নেহা সেনগুপ্তা, আৰ্হিতা খাকলাৰী, সমাজকৰ্মী জয়া পেগু, বিভাগৰ অধীক্ষক দিলীপ দত্ত, পৰিদৰ্শক দীজেন বৰা উপস্থিত থকাৰ উপৰিও মাজুলী জিলাৰ বিভিন্ন প্ৰান্তৰ শতাধিক শিপিনী উপস্থিত আছিল।

## লম্পট বুদ্ধেশ্বৰ শইকীয়াক আটক
# নাজিৰাৰ শিমলুগুৰিত ৫৪ বছৰীয়া লম্পটৰ কামনাৰ বলি প্ৰথম শ্ৰেণীত অধ্যয়নত কন্যা শিশু

**অসম বাৰ্তা, নামতি, ৮ আগষ্ট ঃ** নাজিৰাৰ শিমলুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত আদাবাৰী সন্দিকৈ গাঁৱৰ এজন ৫৪ বছৰীয়া লম্পটৰ কামনাৰ বলি হ'ল প্ৰথম শ্ৰেণীত অধ্যয়নত কন্যা শিশু। এই ঘটনাক লৈ সমগ্ৰ অঞ্চলটোত এক উত্তেজনাময় পৰিস্থিতি সৃষ্টি হয়। অভিযোগ মৰ্মে, যোৱা ১ আগষ্টৰ দিনা শিমলুগুৰি আদাবাৰীৰ এখন প্ৰাথমিক বিদ্যালয়ত অধ্যয়নত এগৰাকী প্ৰথম শ্ৰেণীত অধ্যয়নত কন্যা শিশুয়ে এজন সহপাঠী ছাত্ৰৰ সৈতে স্কুল ছুটিৰ পিছত ঘৰলৈ গৈ থকা অৱস্থাত স্থানীয় বুদ্ধেশ্বৰ শইকীয়া নামৰ ৫৪ বছৰীয়া লোকজনে দুয়োকে ঘৰলৈ অতি কৌশলেৰে মাতি নিয়ে। কন্যা শিশু গৰাকীক ভিতৰত বহিবলৈ দি শিশু ছাত্ৰজনক ঘৰৰ পিছফালে নি মুখত কাপোৰেৰে মেৰিয়াই এজোপা গছত বান্ধি থয় আৰু ভিতৰলৈ আহি কন্যা শিশু গৰাকীক বিছনাত পেলাই অসৎ কাৰ্য সংঘটিত কৰে। এই কথা আন কাৰোবাৰ আগত কলে দুয়োকে মাৰি পেলাম বুলি ভাবুকি দি পিছত যাবলৈ দিয়ে। কন্যা শিশু গৰাকীৰ গুপ্তাংগত বিষ হোৱা বুলি কয় যদিও ঘটনাৰ বিষয়ে প্ৰকাশ কৰা নাছিল মৃত্যুৰ ভয়ত। পুৱাতে কন্যা শিশু গৰাকী স্কুললৈ যোৱাৰ সময়তো গুপ্তাংগত বিষ আৰু ৰক্তক্ষণ হৈ থকাত আইতাকে সুধাত সহপাঠী ছাত্ৰজনে জানিব বুলি কোৱাত ছাত্ৰজনক মাতি আনে আৰু ছাত্ৰজনে ঘটনাৰ বিষয়ে বিৱৰি কয়। কন্যা শিশু গৰাকীৰ পৰিয়ালে লগে লগে স্থানীয় ৰাইজৰ লগতে গাঁও প্ৰধানক ঘটনাৰ বিষয়ে অৱগত কৰে আৰু ৰাইজে লম্পট বুদ্ধেশ্বৰ শইকীয়াৰ ঘৰলৈ গৈ এক উত্তপ্ত পৰিস্থিতি সৃষ্টি কৰাত গাঁও প্ৰধানে শিমলুগুৰি আৰক্ষীক খবৰ দিয়ে। লগে লগে শিমলুগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সহ আৰক্ষীৰ দল যথা স্থানত উপস্থিত হৈ লম্পট বুদ্ধেশ্বৰ শইকীয়াক আটক কৰি শিমলুগুৰি আৰক্ষী থানালৈ আনে আৰু কন্যা শিশু গৰাকীক চিকিৎসাৰ ব্যৱস্থা কৰে। শিমলুগুৰি আৰক্ষী থানাত লম্পট বুদ্ধেশ্বৰ শইকীয়াক দৃষ্টান্তমূলক আইনী শাস্তি প্ৰদানৰ লগতে ফাঁচিৰ দাবী তুলি বীৰ লাচিত সেনা আৰু স্থানীয় ৰাইজে উত্তাল পৰিস্থিতি উদ্ভৱ কৰাত সমজিলা আৰক্ষী অধীক্ষক তুশাৰ দেশাই আৰু শিমলুগুৰি আৰক্ষীৰ সহযোগত পৰিস্থিতি শান্ত হয়। কন্যা শিশু গৰাকীৰ পৰিয়ালৰ এখন এজাহাৰ ভিত্তিত ৫৪ বছৰীয়া লম্পট বুদ্ধেশ্বৰ শইকীয়াক আটক কৰি এক গোচৰ ৰুজু কৰে আৰু ন্যায়িক দণ্ডাধীশ আদালতৰ জৰিয়তে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

# এজাক বৰষুণতে ডুব গ'ল ডিমৌ পৌৰসভা

**অসম বাৰ্তা, ডিমৌ, ৮ আগষ্ট ঃ** ডিমৌ পৌৰসভাৰ অন্তৰ্গত একাধিক ওৱাৰ্ড আৰু মূল পথসমূহ এজাক বৰষুণতে জলমগ্ন হৈ পৰাৰ ফলত নগৰবাসীয়ে অতি আহুকলীয়া পৰিস্থিতিৰ সন্মুখীন হৈছে। বিশেষকৈ জ্যোতি নগৰ, লাচিত নগৰ আদিত একাঁঠু পানীত পথৰ দিশ-দিশ বিভ্ৰান্ত। বাস্তৱতঃ এয়া ডিমৌ পৌৰসভাৰ অব্যৱস্থা আৰু দীৰ্ঘদিনীয়া পৰিকল্পনাহীনতাৰ ফল। যিসময়ত ডিমৌ বিধানসভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁইয়ে উন্নয়ন আৰু বিকাশৰ শ্ল'গান সভা-সমিতিয়ে ঘোষণা কৰি ফুৰিছে, তেনেসময়তে বিধায়কৰ সমষ্টিত এজাক বৰষুণতেই জনজীৱন দিশহাৰ হ'বলগীয়া অৱস্থাৰ সন্মুখীন হৈছে। নগৰখনত কোটি কোটি টকা ব্যয় কৰি পকী নলা নিৰ্মাণ কৰা হৈছিল যদিও উক্ত নলাসমূহে পানী নিষ্কাষণৰ ক্ষেত্ৰত কোনো কাৰ্যকৰী ভূমিকা ল'ব পৰা নাই বুলি অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। ৰাইজৰ মতে, এই নলাসমূহ বিজ্ঞানসন্মতভাৱে তথা পৰিকল্পিতভাৱে নিৰ্মাণ নোহোৱাৰ ফলতেই বৰষুণৰ পানী জমা হৈ থকাটো নিয়মীয়া বিষয় হিচাপে পৰিণত হৈছে। তদুপৰি নগৰখনৰ আশে-পাশে থকা পুৰণি জলাশয়সমূহ ধ্বংস হৈ যোৱাৰ বাবেও বৰ্তমান পানী জমাৰ সমস্যা দিনক দিনে গভীৰ হৈ পৰিছে। ইয়াৰ ফলত সুগম যাতায়তৰ ক্ষেত্ৰত ব্যাঘাত ঘটাৰ উপৰি বহু স্থানত পথৰ উপৰিও গাঁত সৃষ্টি হৈছে। সকলোতকৈ দুঃখজনক কথা হ'ল—বহু পৰিয়ালৰ ঘৰলৈ বৰষুণৰ পানী সোমাই পৰিছে। পঢ়ুৱৈ ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যালয়লৈ যোৱা পথবোৰ জলমগ্ন হোৱাৰ ফলত শিক্ষা ক্ষেত্ৰতো ক্ষতি হৈছে। এই অৱস্থাত ৰাইজৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। জনসাধাৰণৰ দাবী, এই সমস্যা সমাধানৰ বাবে পৌৰসভাই আৰু বিধায়কে একে লগে বহি গুৰুত্বসহকাৰে সমস্যা বুজি শীঘ্ৰেই ফলপ্ৰসূ আঁচনি গ্ৰহণ কৰা উচিত। নহ'লে সামান্য বৰষুণতে এইদৰে জলাবদ্ধতাৰ ছবি পৰিলক্ষিত হোৱা ডিমৌৰ ভৱিষ্যত অধিকতম অন্ধকাৰময় হ'ব বুলি সচেতন মহলে মন্তব্য কৰিছে।

# টংলাত ৰাষ্ট্ৰীয় জেভলিন থ্ৰ' দিৱস পালন

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৮ আগষ্ট ঃ** ওদালগুৰি জিলা এথলেটিকছ সন্থাৰ উদ্যোগত আৰু টংলা ক্ৰীড়া সন্থাৰ সহযোগত দেশৰ অন্যান্য ঠাইৰ লগতে আজি টংলা ষ্টেডিয়ামতো অনুষ্ঠিত কৰা হয় চতুৰ্থ সংখ্যক ৰাষ্ট্ৰীয় জেভলিন থ্ৰ' দিৱস। টংলা ক্ৰীড়া সন্থাৰ সভাপতি খৰ্গেশ্বৰ বড়াই শুভ উদ্বোধন কৰা অনুষ্ঠানত অসম এথলেটিকছ সন্থাৰ যুটীয়া সম্পাদক তথা ওদালগুৰি জিলা এথলেটিকছ সন্থাৰ সাধাৰণ সম্পাদক চেমুৱেল দৈমাৰীয়ে ৰাষ্ট্ৰীয় জেভলিন থ্ৰ' দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। সদ্য টেকনিকেল অফিচিয়েল আৰু প্ৰশিক্ষক হিচাপে নিযুক্তি লাভ কৰা জগদীশ ৰাভাক সম্বৰ্ধনা জ্ঞাপন কৰা আৰু টংলা ক্ৰীড়া সন্থাৰ সম্পাদক ভাৰত চন্দ্ৰ ৰাভা, উপ সভাপতি নমল ৰাভাই আঁত ধৰা অনুষ্ঠানত মহকুমা ক্ৰীড়া বিষয়া ভূপেন ৰাভা, প্ৰবীণ ক্ৰীড়াবিদ কন্দৰ্প বড়ো, খো খোৰ জিলা সম্পাদক আলটাফ লস্কৰৰ লগতে ওদালগুৰি জিলা আৰু টংলা ক্ৰীড়া সন্থাৰ সদস্য সদস্যা উপস্থিত থাকে। ৰাষ্ট্ৰীয় জেভলিন থ্ৰ' দিৱস উপলক্ষে অনুষ্ঠিত প্ৰতিযোগিতাত বহু সংখ্যক পুৰুষ আৰু মহিলা প্ৰতিযোগীয়ে যোগদান কৰে। প্ৰবীণ মহিলা খেলুৱৈ শাখাত গীতিকা শৰণীয়াই প্ৰথম, অৰ্চনা বড়োই দ্বিতীয়, গীতাঞ্জলি কছাৰীয়ে তৃতীয় আৰু ভৱানী বড়োৱে চতুৰ্থ স্থান লাভ কৰা বিপৰীত পুৰুষ শাখাত মুকুণ্ড শৰ্মা বৰুৱাই প্ৰথম আৰু আলটাফ লস্কৰে দ্বিতীয় স্থান লাভ কৰে। ল'ৰাৰ শাখাত নিজুম বড়োই প্ৰথম, পবিত্ৰ ৰাভা দ্বিতীয়, হৰেকৃষ্ণ বড়ো তৃতীয় আৰু ৰিকী ৰাভাই চতুৰ্থ স্থান লাভ কৰা বিপৰীতে ছোৱালীৰ শাখাত গীতাঞ্জলি ডেকাই প্ৰথম, জুৰিস্মিতা ডেকাই দ্বিতীয় আৰু তৰালী ৰাভাই তৃতীয় স্থান লাভ কৰে। কিডছ জেভেলিন প্ৰতিযোগিতাত মৃণাল ৰাভাই প্ৰথম, উদয় ৰাভাই দ্বিতীয় স্থান লাভ কৰা বিপৰীতে ছোৱালীৰ শাখাত শিখামনি ৰাভাই প্ৰথম স্থান লাভ কৰে।

# মাজুলীৰ জেংৰাইমুখত বাল্য বিবাহৰ সম্পৰ্কত সজাগতা সভা

**অসম বাৰ্তা, উজনী মাজুলী, ৮ আগষ্ট ঃ** উজনী মাজুলীৰ জেংৰাইমুখ অঞ্চলৰ মগুৱাচুকত "বেটি বচাও বেটি পঢ়াও" আঁচনিৰ অধীনত মহিলা আৰু শিশু বিকাশ বিভাগ, জিলা প্ৰশাসন মাজুলী আৰু আৰক্ষী বিভাগৰ যৌথ উদ্যোগত বাল্য বিবাহৰ বিপক্ষত সজাগতা সভা আৰু পদযাত্ৰা আয়োজন কৰে। এই কাৰ্যসূচীত উপ-আৰক্ষী অধীক্ষক সুৰজ হাজৰিকা, জিলা সমাজ কল্যাণ বিষয়া উত্তম অধিকাৰী, জিলা মহিলা সৱলীকৰণ কেন্দ্ৰৰ মিছন সমন্বয়ক কুকি বৰুৱা আৰু জিলা কাৰ্যক্ৰম সমন্বয়ক পল্লৱী মৰাং উপস্থিত থাকে। সভাত বাল্য বিবাহ নিবাৰণ আইন আৰু POCSO আইনৰ বিষয়ে আলোচনা কৰাৰ লগতে অংশগ্ৰহণকাৰীসকলৰ মাজত সজাগতা সৃষ্টি কৰে। উক্ত কাৰ্যসূচীত আত্মসহায়ক গোটৰ সদস্য, অংগনৱাড়ী কৰ্মী, অভিভাৱক আৰু স্থানীয় ৰাইজে সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰে।



◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন